# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

## OFFICIAL REPORT

**FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

**SPECIAL SESSION**

**NO. 3**

**The 20th August, 1997**

**Price Rs. 42.00**

## CONTENTS

# SPECIAL SESSION

## No. 3

## Dated, the 20th August, 1997


| | | Page |
|---|---|---|
| (1) | Questions & Answers. | 1-46 |
| (2) | Discussion During Zero Hour. | 47-54 |
| (3) | Report of the Business Advisory Committee. | 55-56 |
| (4) | Call Attention Notice. | 57-58 |
| (5) | Matter under Rule 301. | 59-60 |
| (6) | Consideration and Passing of the Government Bills. | 61-68 |
| (7) | Discussion on the Censure Motion. | 69-117 |
| (8) | Adjourment | 117 |
| (9) | Annexure– I to XI | 118-167 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

**Wednesday, The 20th August, 1997**

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Mr. Shri Ganesh Kutum, Speaker in the Chair.

## STARRED QUESTIONS & ANSWERS

**(To which oral replies were given)**

Mr. Speaker : Starred Question No. 21. Hon'ble member Shri Sukhendu Shekhar Dutta. Hon'ble Minister of Flood Control is to reply.

Re. :- Maintenance of Embankment and Breaches.

Sri Sukhendu Shekhar Dutta asked :

*21. Will the Minister of Flood Control be pleased to state :

(a) Whether the Government is aware of the fact that recent Flood in Patharkandi is due to non-maintenance of embankments ?

(b) If yes, why preventive measures were not adopted ?

(c) When the work for reconstruction of breaches in Patharkandi will start ?

Shri Promode Gogoi (Minister, Flood Control) replied :

(a) No, it is not a fact.

(b) Does not arise.

(c) Works for temporary closure of 2 (two) Nos. of breaches - one at village Bilbari near Patharkandi and the other at village Muraura have already been started.

Shri Bimalangshu Roy : Mr. Speaker Sir, it is very unfortunate that Hon'ble Minister is concealing the actual facts. The flood of Patharkandi occurred due to non-maintenance of embankments. Now, will the Minister of Flood Control be pleased to answer

---

* Speech not corrected

whether he is aware that because of non-completion of bund at Rangpur of Silchar town the vast area was innundated and about 20,000 people were affected. If so, will the Minister of Flood Control be pleased to take steps for completion of E. & D. embankments at Rangpur ?

Shri Promode Gogoi (Minister) : Mr. Speaker Sir, this question was related to the district of Karimganj and therefore, the Hon'ble Minister would like an information regarding other district. Sir, it is better to ask separate question in this regard. But I would like to inform the House that the condition of this embankment have been deteriorating since 1991 due to extensive breach of embankment during the preceding years. Sir, regarding these two breaches occurred relating to Bilbari and Muraura on 12-7-97. Sir, already the construction have been taken up by the department on 06-8-97 and according to report that we received yesterday from the concerning Executive Engineer, works are in good progress. The closure of Bilbari breach has completed along the 50 percent and the closure of the Muraura breach they have completed along 95% and we expect to complete as soon as possible.

Sri Bimalangshu Roy : Will the Hon'ble Minister may please to state as and when Rangpur bund will be completed ?

Sri Promode Gogoi (Minister) : Sir, Hon'ble member may please put up a separate question in this regard.

. ডা° অর্ধেন্দু কুমাৰ দে ঃ মন্ত্রী ডাঙৰীয়া এজন অভিজ্ঞ লোক, তেখেতৰ যথেষ্ট জ্ঞান আছে। কাৰণ তেখেত বহুত দিন ধৰি বিধান সভাৰ সদস্য আছিল এতিয়া মন্ত্রী হৈছে। কি কাৰণত অসমত বানপানী হৈ আছে সেইটো মন্ত্রী ডাঙৰীয়াই জানে। মই সুধিব খুজিছো যে দিক্সং নদী খহনীয়াত বিহপুৰীয়া টাউনৰ ৩ নং ওৱাৰ্ড শেষ হ'ব ধৰিছে। এই বিপদৰ পৰা ৰক্ষা কৰিবলৈ কি ব্যৱস্থা লৈছে?

* Shri Promode Gogoi (Minister) : Mr. Speaker Sir, this question is related to Karimganji.

---

* Speech not corrected

Mr. Speaker : Now question No. 22. Hon'ble member Sri Rashidul Haque. Hon'ble Minister, Forest is to Reply.

**বিষয় ঃ পক্ষী উদ্যান।**

শ্ৰীৰচিদুল হকে সুধিছে ঃ

২২। মাননীয় বন বিভাগৰ মন্ত্ৰী অনুগ্ৰহ কৰি জনাবনে ?

(ক) বন বিভাগে ৰাজ্যখনত কিমানটা পক্ষী উদ্যানৰ আঁচনি নতুনকৈ লৈছে ?

(খ) উক্ত উদ্যানবোৰৰ নামবোৰ জনাবনে?

শ্ৰী নগেন শৰ্মা (বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বন বিভাগে বৰ্তমান ৰাজ্যখনত নতুনকৈ কোনো পক্ষী উদ্যানৰ আঁচনি লোৱা নাই।

(খ) প্ৰশ্ন নুঠে ।

শ্ৰী ৰচিদুল হক ঃ এই বিষয়ে বিবেচনা কৰিব নেকি ?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ বিবেচনা কৰাৰ কথা আছে ।

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ ধেমাজী জিলাৰ বিল সমূহ পক্ষী উদ্যান সম্পৰ্কত চৰকাৰে ৰিপোৰ্ট পাইছে নেকি?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ এই সম্পৰ্কে তদন্ত কৰা হৈছে ।

শ্ৰীহিৰেন কুমাৰ দাস ঃ পাৰ চৰাই বিক্ৰী কৰাটো বন্ধ কৰিব নেকি?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ অসমৰ ক্ষেত্ৰত পাৰ চৰাই খাদ্য হিচাবে ব্যৱহাৰ কৰি আহিছে । গতিকে ইয়াত অসুবিধা আছে । তথাপি বিবেচনা কৰা হ'ব।

. ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মন্ত্ৰী ডাঙৰীয়াই কৈছে যে পাৰ চৰাইৰ ক্ষেত্ৰত অসুবিধা আছে। এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ পৰিষ্কাৰ নিৰ্দেশনা থকা কথাটো নাজানে নেকি? মেনকা গান্ধীয়ে বহুত কিবা কিবি কৰি আছে আৰু ৰিজিড আইন আছে। পাৰ চৰাই মাৰিব নোৱাৰাৰ কাৰণে কি ব্যৱস্থা লৈছে ?

শ্ৰী নগেন শৰ্মা (মন্ত্ৰী) ঃ পাৰ চৰাইৰ আইন নাই। মেনকা গান্ধীয়ে যিটো আইন লৈছে সেই মতে প্ৰাকৃতিক ভাৰসাম্য হেৰাই যাব। পাৰ চৰাই বা জীৱ-জন্তুৰ ক্ষেত্ৰত বন বিভাগৰ আইন আছে। ট্ৰেডিচনেল কাষ্টমৰ কথাটো আমি চাব লাগিব।

শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ পাৰ চৰাইৰ বলী বিধান আছে । গতিকে সেই সম্পৰ্কত কিবা আইন কৰিব নেকি ?

---

* Speech not corrected

শ্ৰী নগেন শৰ্মা (মন্ত্ৰী) ঃ ধৰ্মৰ বিষয়ত আমি একো কৰিব নোৱাৰো।

Mr. Speaker : Now Starred Question No. 23, Hon'ble member Smti. Pramila Rani Brahma

Re : Number of families affected in the riot.

Smti Pramila Rani Brahma asked :

* 23. Will the Minister, Relief and Rehabilitation be pleased to state:

(a) How many families had been affected in the last riot occurred in 1996 in Kokrajhar and Bongaigaon districts ?

(b) How many families are left to rehabililate from both Adibashi and Bodo Communities in both the districts ?

(c) What is the total expenditure incurred to provide relief to the affected families since the beginning? (Please show the expenditure separately of every month in fooding and transporting).

Shri Prafulla Kumar Mahanta (Chief Minister) Replied :

| | | | |
|---|---|---|---|
| (a) | Kokrajhar | - | 70,620 families. |
| | Bongaigaon | - | 1,067 families. |
| (b) | Kokrajhar | - | 4,038 Bodo families. |
| | | | 8, 146 Adivashi families. |
| | Bongaigaon | - | Nil |
| (c) | Kokrajhar | - | Rs. 23,12,15,308/- |
| | Bongaigaon | - | Rs. 1,39,60, 324 /- |

(Month-wise break up enclosed at Annexure I & II).

(See annexure I and II)

* শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ মাননীয় অধ্যক্ষ মহোদয়, অৱশিষ্ট যিখিনি পৰিয়ালক পুনৰ সংস্থাপন কৰিবলৈ বাকী আছে তেওঁলোকক এতিয়ালৈকে পুনৰসংস্থাপন নকৰাৰ কাৰণ কি আৰু সেই অৱশিষ্ট পৰিয়াল কেইটাক কেতিয়া আৰু কিমান মাহৰ ভিতৰত পুনৰ সংস্থাপন কৰাৰ ব্যৱস্থা কৰা হ'ব।

* ডাঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অৱশিষ্ট যি কেইটা পৰিয়ালক এতিয়াও পুনৰ সংস্থাপন দিব পৰা নাই তাৰ কেইবাটাও কাৰণ আছে যে, যি সকল বনাঞ্চলৰ পৰা

* Speech not corrected

আহিছে সেই বনাঞ্চল সংৰক্ষিত অঞ্চল, সংৰক্ষিত বনাঞ্চলত পুনৰ সংস্থাপন দিয়াটো মাননীয় হাইকোৰ্টৰ ফালৰ পৰাও অসুবিধা আছে। তথাপিও চৰকাৰৰ ফালৰ পৰা এই লোকসকলক পুনৰ সংস্থাপন দিয়াৰ কাৰণে প্ৰচেষ্টা চলোৱা হৈছে। কিন্তু তেওঁলোকে কেম্প এৰি যাবলৈ ইচ্ছা কৰা নাই ।

শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্মা ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, বনাঞ্চলৰ পৰা যিসকল লোকক খেদি পঠোৱা হ'ল সেইসকল লোক প্ৰথমতে ক'ত আছিল আৰু ক'ৰ পৰা আহিছে মন্ত্ৰী মহোদয়ে জনাব নেকি ?

ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, গোটেই বিষয়টো চাবলৈ গ'লে প্ৰতিটো পৰিয়ালৰ ক্ষেত্ৰত একেটা কথাই প্ৰযোজ্য নহয়। এটা পৰিয়াল যদি এঠাইৰ পৰা আহিছে আকৌ অন্য এটা পৰিয়াল অইন ঠাইৰ পৰা আহিছে । বেছি ভাগ ক্ষেত্ৰতে এটা ইউনিফৰ্ম ৰিপ্লাই নহয়। আমি পুনৰ সংস্থাপনৰ কাৰণে চেষ্টা চলাই আছো আৰু বিধান সভাৰ মাননীয় সদস্য সকলৰ পৰাও এই ক্ষেত্ৰত সহায়-সহযোগিতা কামনা কৰিছো ।

শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইয়াৰ এটা ব্যৱস্থা ল'ব নেকি? প্ৰথমতে এই মানুহখিনি ক'ৰ পৰা আহিছে সেইটো তৎকালীন ভাৱে আইডেনটিফাই কৰিবৰ কাৰণে চৰকাৰৰ ফালৰ পৰা চিন্তা কৰিব নেকি?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো হৈছে এটা স্পৰ্শকাতৰ বিষয়। কেম্পত যিখিনি মানুহ আছে সেইখিনিক চৰকাৰৰ তৰফৰ পৰা পুনৰ সংস্থাপন দিয়াৰ কাৰণে পৰ্য্যায়ক্ৰমে কৰা হৈছে । বিভিন্ন আইনৰ কাৰণে যথেষ্ট অসুবিধা হৈছে। এই মানুহখিনি অৰিজিনেলি ক'ৰ পৰা আহিছে তাক ভেৰিফাই কৰাটো সম্ভৱ নহয়। ইয়াত যথেষ্ট অসুবিধা আছে।

অধ্যক্ষ মোহয়, গহপুৰ আৰু দৈয়াং বনাঞ্চল নামতহে বনাঞ্চল হৈ আছে। মানুহে ভৰি পৰিছে । সেই কাৰণে আমি কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিছো যাতে গহপুৰ আৰু দৈয়াং বনাঞ্চল উঠাই দি ৰেভিনিউ ভিলেজ কৰে। ইয়াত মানুহ কিমান দিনৰ পৰা আছে কোৱাটো সেই কাৰণে সম্ভৱ নহয়। মাননীয় হাইকোৰ্টৰ ফালৰ পৰাও বনাঞ্চলত পুনৰসংস্থাপন কৰাটোত বাধা আছে। গতিকে ক'ৰ পৰা আহিছে চিনাক্তকৰণ কৰাটো এটা কঠিন কাম হৈ পাৰিছে। তথাপিও চৰকাৰৰ ফালৰ পৰা প্ৰচেষ্টা চলোৱা হৈছে ।

শ্ৰী নিজামুদ্দিন খান ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে ১৯৯৬ চনৰ ৰায়তৰ কথাহে কৈছে। কিন্তু ১৯৯৩ চনত যিবিলাক পৰিয়াল ক্ষতিগ্ৰস্ত হৈছিল সেইবিলাকক পুনৰসংস্থাপন কৰা হৈছিল নেকি? যদি কৰা হোৱা নাই, কিয়, জনাব নেকি ?

* Speech not corrected

ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত এটা বেলেগ প্ৰশ্নৰ প্ৰয়োজন হ'ব। তেতিয়াহে তথ্য-পাতিসহ উত্তৰ দিব পৰা হ'ব।

Mr. Speaker : Now, Starred Question No. 24. Hon'ble member Shri Munin Mahanta. Hon'ble Minister, Flood Control is to reply.

**বিষয় ঃ- শান্তিজানৰ শ্লুইচ গেইট ।**

শ্ৰীমুনীন মহন্তই সুধিছে ঃ

২৪। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ?

(ক) মৰিগাঁও জিলাৰ মাজেদি সোণাই নামৰ এখন নৈ -বিল বৈ যোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) এই নৈ-বিলখন কোন স্থানৰ পৰা ওলাইছে, আৰু নৈখনৰ দৈৰ্ঘ্য আৰু ক'ত পৰিছে সেই সম্পৰ্কে জনাবনে?

(গ) বৰ্তমান নৈখন শুকাই জলপৃষ্ঠ যে তললৈ নামি গৈছে সেয়ে বিভিন্ন স্থানত খহনীয়া হোৱা আৰু জিলাখনৰ খেতি মাটি শুকান কৰি তুলিছে, এই সম্পৰ্কে অৱগতনে?

(ঘ) এই কথা সত্যনে, শান্তিজানত শ্লুইচ গেট দি সোনাইলৈ পানী অহাটো আজি বহুবছৰ ধৰি বন্ধ কৰি ৰখা হৈছে ?

(ঙ) শান্তিজানত শ্লুইচ গেট দিয়াৰ পিছত যে খোলা নাই আৰু উক্ত শ্লুইচ গেট মাজে মাজে খোলাৰ বাবে কৰা আবেদন বিবেচনা কৰা হোৱা নাই, সেই সম্পৰ্কে চৰকাৰ অৱগতনে?

(চ) যদি অৱগত, এই দিশত উক্ত শ্লুইচ গেট খোলাৰ ব্যৱস্থা ল'বনে?

শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত ।

(খ) লাওঁখোৱা অঞ্চলৰ পৰা ওলাই প্ৰায় ১১০ কিঃ মিঃ বৈ গৈ হিলৈ খুন্দাৰ ওচৰত ব্ৰহ্মপুত্ৰত পৰিছে।

(গ) হয়, অৱগত ।

(ঘ) শান্তিজানত এই বিভাগৰ কোনো শ্লুইচগেট (পানী দুৱাৰ) নাই ।

(ঙ) আৰু (ঘ) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

(চ) প্ৰশ্ন নুঠে ।

শ্ৰীমুনীন মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত 'গ' প্ৰশ্নৰ উত্তৰত কৈছে যে নৈখন শুকাই

যোৱাৰ কাৰণে বিভিন্ন ঠাইত খহনীয়া হৈছে। আনকি গড়কাপ্তানি ৰাস্তাও বেয়া অৱস্থালৈ গৈছে। এই কথাটো মন্ত্ৰী মহোদয় অৱগত হয় নে নহয়।

শ্ৰীপ্ৰমোদ গগৈ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে এই গোটেই অঞ্চলটো গড়াখহনীয়া আৰু বানপানীৰ ফলত যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে। এই অঞ্চলটো কৃষিপ্ৰধান অঞ্চল। তেখেতে প্ৰশ্ন কৰা মতে শান্তিজানত বান নিয়ন্ত্ৰণ বিভাগৰ কোনো শ্লুইচ গেট নাই। শান্তিজানৰ এটা অংশ বৰদোৱা সত্ৰৰ ওচৰেৰে বৈ গৈছে। অৱশ্যে বৰদোৱা সত্ৰৰ পুৱ অংশত গড়কাপ্তানি পথটোৱে শান্তিজানৰ প্ৰবাহ বন্ধ কৰা পৰিলক্ষিত হৈছে। প্ৰাথমিক অনুসন্ধানৰ পৰা দেখা গৈছে যে মৰিগাওঁ জিলাৰ এক বৃহৎ কৃষিপ্ৰধান অঞ্চলৰ ৰক্ষণাবেক্ষণৰ বাবে সোনাই জানখনৰ ৰিকন্সট্ৰাকচন আৰু ৰিগ্ৰেডিঙৰ প্ৰয়োজন অনুভৱ কৰা হৈছে।

শ্ৰীমুনিন মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰৰ মথাউৰি আৰম্ভ কৰাৰ সময়ত বিভাগক এই কথা কোৱা হৈছিল যে ইয়াত ৩ টা চোৰ্চ আছে। এই চোৰ্চ বন্ধ হৈ গ'লে মৰিগাওঁ সমষ্টিৰ বৃহৎ অঞ্চল খৰাং হৈ পৰিব। গতিকে সেই দৃষ্টিভঙ্গীৰ প্ৰতি লক্ষ্য ৰাখি সোনাইৰ কথা মন্ত্ৰীমহোদয়ে যিটো কৈছে সেইটো কেতিয়া কৰা হ'ব আশ্বাস দিব নেকি?

শ্ৰী প্ৰমোদ গগৈ(মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টোৰ তথ্য-পাতি সংগ্ৰহ কৰি ফলপ্ৰসু আঁচনি কাৰ্যকৰী কৰাৰ কাৰণে বিভাগে প্ৰচেষ্টা চলাইছে। এই আঁচনি নিৰ্ভৰ কৰিব পুঁজিৰ ওপৰত।

মাননীয় অধ্যক্ষ ঃ এতিয়া তৰা চিহ্নিত প্ৰশ্ন নং ২৫। মাননীয় সদস্য শ্ৰী ওৱাজেদ আলী চৌধুৰী। মাননীয় ৰাজহ মন্ত্ৰীয়ে উত্তৰ দিছে ঃ

**বিষয় ঃ গৰাখহনীয়াত ক্ষতিগ্ৰস্থ লোকক সাহাৰ্য্য ।**

শ্ৰীওৱাজেদ আলী চৌধুৰীয়ে সুধিছে ঃ

* ২৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দক্ষিণ শালমাৰা আৰু মানকাছাৰত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত ক্ষতিগ্ৰস্ত লোকক চৰকাৰে (১৯৯৭ চনত) সাহাৰ্য্য আৰু পুনৰ সংস্থাপন কিবা ব্যৱস্থা হাতত লৈছেনে?

(খ) যদি লৈছে, দক্ষিণ শালমৰা আৰু মানকাছাৰৰ মুঠ কিমান লোকক সাহাৰ্য্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিছে?

ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯৭ চনত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত ক্ষতিগ্ৰস্থ দক্ষিণ শালমৰা আৰু মানকাছাৰ মহকুমাৰ লোক সকলক পাৰিতোষিক সাহাৰ্য্য দিয়া হয়, লগতে চিকিৎসা সাহাৰ্য্য দিয়াৰ উপৰিও দ'মকল আদিও বহুৱাই দিয়া হয়।

---

* Speech not corrected

(খ) গৰাখহনীয়াত ক্ষতিগ্ৰস্ত ৭০০ টা পৰিয়ালক সাহাৰ্য্য প্ৰদান কৰা হয় উপযুক্ত চৰকাৰী মাটি নোপোৱাৰ বাবে গৰাখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়াল সমূহক পুনৰ সংস্থাপন দিব পৰা নাই।

* শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে 'খ' প্ৰশ্নৰ উত্তৰত কৈছে যে ক্ষতিগ্ৰস্ত পৰিয়ালক সাহাৰ্য্য প্ৰদান কৰা হৈছে । কিন্তু দক্ষিণ শালমাৰাৰ কোনো পৰিয়ালক্বে এতিয়ালৈকে সাহাৰ্য্য দিয়া হোৱা নাই । তেখেতে ৭০০ পৰিয়ালৰ কথা উল্লেখ কৰিছে । দক্ষিণ শালমাৰাত কিমান পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে সেই কথা উল্লেখ নাই।

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা মাৰ্চ মাহত যি বানপানী হৈছিল সেই সময়ত জিলা কৰ্তৃপক্ষই জনোৱা মতে ৭০০ পৰিয়াল ক্ষতিগ্ৰস্ত হৈছিল। দক্ষিণ শালমাৰাত সেই সময়ত ১৫০ টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছিল।

* শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, জিলা কৰ্তৃপক্ষই তেতিয়াহ'লে ভুল তথ্য দিছে । বানপানীৰ সময়ত দক্ষিণ শালমাৰাত যথেষ্ট পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে তাৰোপৰি গড়াখহনীয়াত ৪ শ পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে। এইটো অতি দুখৰ বিষয় জিলা কৰ্তৃপক্ষক বাৰে বাৰে কোৱা স্বত্বেও কোনো ব্যৱস্থা লোৱা নাই । সেই ক্ষতিগ্ৰস্ত মানুহখিনিয়ে পৰিয়াল লৈ কেনেকৈ বাচি থাকিব। মাননীয় মন্ত্ৰী মহোদয়ে 'খ' প্ৰশ্নৰ উত্তৰত কৈছে চৰকাৰে মাটি নোপোৱাৰ কাৰণে ক্ষতিগ্ৰস্ত পৰিয়ালক পুনৰ সংস্থাপন দিব পৰা নাই। কিন্তু মানকাছাৰ অঞ্চলত যথেষ্ট পৰিমানৰ মাটি আছে, তাত সংস্থাপন কৰিব পাৰে।

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিখিনি পাহাৰৰ মাটিৰ কথা কৈছে সেইখিনি খুউব সম্ভৱ চৰকাৰী মাটি নহয়, সেইখিনি বন বিভাগৰ মাটি হ'ব পাৰে। বন বিভাগৰ মাটিত পুনৰ সংস্থাপন কৰাত অসুবিধা আছে । মই আজি ৰাতিপুৱা জিলা কৰ্তৃপক্ষৰ লগত টেলিফোনেৰে কথা পাতিছো। ক্ষতিগ্ৰস্থ পৰিয়াল বিলাকক সাহাৰ্য্য প্ৰদান কৰা হৈছে । দক্ষিণ শালমাৰাত যি গড়াখহনীয়া হৈছে সেইবোৰ লাহে লাহে হৈছে তথাপি তাত পাৰিতোষিক দিয়া হৈছে। পুনৰ সংস্থাপন কৰিব পৰা হোৱা নাই। পাহাৰৰ ওপৰত মাটি আছে যদি সেই বিষয়ে মই জিলা কৰ্তৃপক্ষৰ লগত আলোচনা কৰিম।

* শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, দক্ষিণ শালমাৰাত গড়াখহনীয়া লাহে লাহে হৈছে বুলি কৈছে তাত এটা অঞ্চলত একেদিনাই ১২০ টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে। এই ক্ষতিগ্ৰস্ত পৰিয়ালৰ খবৰ ল'বলৈ মানকাছাৰলৈ মন্ত্ৰীসকল গৈছে কিন্তু আচৰিত কথা এতিয়ালৈকে কোনো মন্ত্ৰী দক্ষিণ শালমাৰাৰ ক্ষতিগ্ৰস্ত অঞ্চললৈ যোৱা নাই । এইটো 'ডিচক্ৰিমিনেচন' কিয়? দক্ষিণ শালমাৰাৰ ক্ষেত্ৰটো সাহাৰ্য্যৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

* ডঃ জয়নাথ শৰ্মা(মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো অৱতাৰণা নকৰিম বুলি ভাবিছিলো। ইয়াত মাননীয় সদস্য শ্ৰীখান ডাঙৰীয়াই কৈছিল। আমি ৰেকৰ্ড মতে দিছো। শাসক দলৰ সদস্য থাকিলে যে দিম সেইটো নহয়।

* শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, সাহাৰ্য্যৰ ক্ষেত্ৰত কমকৈ হ'লেও দিব লাগে। মই বেছিকৈ দিয়া নাই বুলি আপত্তি কৰা নাই, মই আপত্তি কৰিছো যে সেই ক্ষতিগ্ৰস্ত পৰিয়াল বিলাকে কমকৈ হ'লেও সাহাৰ্য্য পাব লাগে।

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই ১৯৯১ চনৰ পৰাই জনাবলৈ বিচাৰিছো- ১৯৯১-৯২ চনত ৪৮৪টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছিল, ১৯৯২-৯৩ চনত ১৯২৬টা পৰিয়াল, ১৯৯৩-৯৪ চনত ৫২৪৩টা পৰিয়াল, ১৯৯৪-৯৫ চনত ২১৫০টা পৰিয়াল, ১৯৯৫-৯৬ চনত ৭০৭৪ টা পৰিয়াল আৰু ১৯৯৬-৯৭ চনত ৮৮০ টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছিল। এই ক্ষতিগ্ৰস্ত মানুহখিনিক পুনৰ সংস্থাপন কৰিবলৈ হ'লে মাটি লাগিব। এখন জিলাৰ পৰা অন্য জিলাত সংস্থাপন দিবলৈ হ'লে তাৰ স্থানীয় মানুহে অসুবিধা পোৱাৰ লগতে স্থানীয় প্ৰতিনিধিৰো অসুবিধা হয়। শত্ৰুৰ ঘৰত জুই লাগিলে শত্ৰুৱে হওঁক বা মিত্ৰয়ে হওঁক তাত পানী দিবয়ে। আমি ৰাজনৈতিক পক্ষপাতিত্ব কৰা নাই। মই নিশ্চয় ক'ব পাৰো যে অসম গণ পৰিষদ চৰকাৰে কেতিয়াও এনে কাম নকৰে।

* শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, ৭০০ টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে। সেইখিনি মানুহক পুনৰ সংস্থাপন দিব পৰা নাই। প্ৰবলেম থাকিব পাৰে কিন্তু 'ডিচক্ৰিমিনেচন' হ'ব নেলাগে।

ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৯৯১ চনৰ পৰাই ক্ষতিগ্ৰস্ত হোৱা মানুহৰ তথ্য মোৰ হাতত আছে। মই আজি উপায়ুক্তৰ লগত কথা পাতিছো। তেনেধৰণৰ কিবা আছে যদি স্থানীয় বিধায়কে মোক দৃষ্টিগোচৰ কৰিলেহেঁতেন, তেতিয়া মই লগে লগে ব্যৱস্থা ল'লোহেঁতেন। তেতিয়া মাননীয় সদস্য গৰাকীয়ে মোৰ দৃষ্টিগোচৰ নকৰে কিয়?

* শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই লগে লগে জিলা কৰ্তৃপক্ষ আৰু উপায়ুক্তক জনাইছো আৰু মই নিজে ভিজিট কৰিছো। গতিকে আপুনি তদন্ত কৰাৰ ব্যৱস্থা কৰিব নেকি?

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো তদন্ত কৰাৰ বিষয় নহয়। পুনৰ সংস্থাপনৰ ব্যৱস্থা কেনেকৈ কৰিব পৰা যাব তাৰহে ব্যৱস্থা লোৱা উচিত। তাৰ বাবেহে সকলোৰে সহযোগীতাৰ প্ৰয়োজন।

* Speech not corrected

Mr. Speaker: Now Starred Question No. 26 Hon'ble member Shri Prabin Hazarika, Hon'ble Minister Forest is to reply.

**বিষয় ঃ বনাঞ্চল বেদখল ।**

শ্রীপ্ৰবীন হাজৰিকাই সুধিছে ?

* ২৬। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শোণিতপুৰ জিলাৰ বিশ্বনাথ মহকুমাৰ বিহালী অঞ্চলৰ, বিহালী সংৰক্ষিত বনাঞ্চল এলেকাত, তাৰাচ, বালিছ আৰু তিনিসুতী ওপৰ এলেকাত অৰুণাচলৰ লোকে তিনিখন স্থায়ীভাৱে গাওঁ পাতি পুলিচ বেটেলিয়ান কেম্প, স্কুল ঘৰ, বিজুলী যোগান ব্যৱস্থাৰে আজিৰে পৰা প্ৰায় ৫/৬ বছৰ বেদখল কৰি আছে, বিষয়টো চৰকাৰৰ অৱগতনে।

(খ) যদি অৱগত তেন্তে, ইয়াৰ কি বিহিত ব্যৱস্থা লৈছে ?

(গ) যদি লৈছে, অনুগ্ৰহ কৰি বিষয়টো সম্পূৰ্ণভাৱে সদনত জনাবনে ?

শ্ৰীনগেন শৰ্মা (বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত ।

(খ) হয়, বিহিত ব্যৱস্থা লৈ থকা হৈছে।

(গ) দীৰ্ঘদিনীয়া এই সমস্যাটো সমাধানৰ বাবে অসম আৰু অৰুণাচল প্ৰদেশ চৰকাৰে সময়ে সময়ে মিলিত হৈ সমাধানৰ পথ নিৰুপণ কৰিছে। তাৰে দুখন সভাত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিও উপস্থিত থাকে। ওপৰোক্ত আলোচনা সমূহত বিবাদমান এলেকাত কেন্দ্ৰীয় চৰকাৰৰ জৰীপ বিভাগ আৰু দুয়োখন ৰাজ্যৰ জৰীপ বিভাগৰ জৰিয়তে বিবাদমান এলেকাৰ সীমা নিৰ্দ্ধাৰণৰ প্ৰস্তাৱ লয়। উক্ত আলোচনা মৰ্মে বিবাদমান এলেকাত সমস্যা সমাধান নোহোৱা পৰ্যন্ত স্থিত অৱস্থা বাহাল ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

* শ্ৰীপ্ৰবীন হাজৰিকা ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে ছমাহ বছৰেকত চৰকাৰৰ ৰাজহ বিভাগ, জৰীপ বিভাগ আৰু বন বিভাগৰ মাজত সীমা বিবাদ সম্পৰ্কত আলোচনাত বহে। কিন্তু দিনক দিনে এই সীমা এলেকাত এনে হৈছে যে পাঁচবছৰ আগতে তিনি চাৰিখন গাওঁ আগুৱাই আছিল যদিও এতিয়া দহ বাৰখন গাওঁ এলেকা আমাৰ ফৰেষ্ট বিভাগে ধ্বংস কৰি আছে। এতিয়া আমাৰ এলেকালৈ অৰুণাচলৰ মন্ত্ৰী সকলো আহি সেইবিলাক তেওঁলোকৰ মাটি বুলি স্কুল পাতিছে, ইলেক্ট্ৰিচিটি ব্যৱস্থা কৰিছে। আমাৰ লোকে মাতিলে ক্ল্যাচ লাগে। লাহে লাহে আহি ৫২ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথৰ ওচৰ পাবহি। গতিকে আমাৰ ফালৰ পৰা খৰতকীয়া ব্যৱস্থা নল'লে কামত নাহিব। মন্ত্ৰী মহোদয়ে জনোৱা মতে ছমাহৰ মূৰকত আলোচনাত বহিলে এই সীমা বিবাদ দহ

* Speech not corrected

বছৰ, বিশ বছৰৰ পিছতো সমাধান নহ'ব। অথচ অৰুণাচল ফালৰ পৰা মন্ত্ৰী সকলো আহি যি ধৰণে আমাৰ এলেকাত সোমাই পৰাৰ সুবিধা লৈছে এই বিষয়টো সমাধানৰ কাৰণে ততালিকে ৰাজনৈতিক হস্তক্ষেপ কৰিবলৈ ব্যৱস্থা ল'বনে?

* শ্ৰী নগেন শৰ্মা (বনমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, বিষয়টো এটা দীৰ্ঘদিনীয়া সমস্যা। ১৯৭৯ চনৰে পৰা সেই সমস্যা দেখা পাই আছো। ২০-৩-৭৯ তাৰিখে অসম অৰুণাচলৰ মুখ্যমন্ত্ৰীয়ে উচ্চপদস্থ বিষয়া সকলৰ লগত আলোচনা কৰিছিল। তাৰ পৰাই সীমা সমস্যা চলি আছে। কেইবালানিও আলোচনা হৈছে বিভিন্ন সময়ত। ১৯৮৮ চনত পুনৰ অৰুণাচলৰ মুখ্যমন্ত্ৰীৰ লগত আলোচনা হৈছিল। ১৯৯২ চনত অৰুণাচলৰ ৰাজ্যপাল আৰু অসমৰ ৰাজ্যপালৰ মাজতো আলোচনা হৈছিল। তাৰ পিছত ১৯৯৫ চনতো অসমৰ মুখ্যমন্ত্ৰী আৰু গড়কাপ্তানী মন্ত্ৰীৰ উপস্থিতিত উচ্চ পদস্থ বিষয়া সকলৰ লগত আলোচনা হৈছিল। আলোচনা এতিয়াও চলিয়েই আছে। কিন্তু এটা কথা হ'ল কেন্দ্ৰীয় চৰকাৰে এই বিষয়ত খৰতকীয়া ব্যৱস্থা স্পৰ্শকাতৰ বিষয় হিচাপে ল'ব লাগে বুলি আমি অনুৰোধ জনাইছো। আমাৰ ফালৰ পৰা প্ৰয়োজনীয় বিহিত ব্যৱস্থাও লৈ আছো।

* শ্ৰীপ্ৰবীন হাজৰিকা ঃ অধ্যক্ষ মহোদয়, অন্ততঃ সাম্প্ৰতিক বিত্তীয় ব্যৱস্থা হিচাপে বন বিভাগৰ মন্ত্ৰী মহোদয়ে উচ্ছেদৰ ব্যৱস্থা কৰি থাকিলে সাময়িকভাৱে কিছু বাধাপ্ৰাপ্ত হ'ব বুলি মই ভাবো। গতিকে তেনেকুৱা আগতীয়া ব্যৱস্থা ল'বলৈ অনুৰোধ জনাইছো।

* শ্ৰীনগেন শৰ্মা (বন মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আমাৰ বিভাগৰ পৰা ইতিমধ্যে ব্যৱস্থা লোৱা হৈছে। ট্ৰেন্সফৰমাৰ চীজ কৰা হৈছে, স্কুল ঘৰ ভাঙি দিয়া হৈছে আৰু ৰাস্তা বন্ধাতো বাধা আৰোপ কৰা হৈছে। কিন্তু এই ধৰণে সমাপ্ত কৰিব নোৱাৰি। দুইখন ৰাজ্যৰ সমিল মিলত কৰিব লাগিব নহ'লে সমস্যা থাকি যাব।

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে স্কুল ঘৰ ভাঙি দিয়াৰ কথা কৈছে, ট্ৰেন্সফৰমাৰ চীজ কৰাৰ কথা কৈছে কিন্তু তাত যিটো পুলিচ বেটেলিয়ানৰ কেম্প আছে সেইটো উচ্ছেদ কৰা নাই। আজিৰ ভিতৰত মন্ত্ৰী মহোদয়ে নিৰ্দেশ দিব লাগে সেই পুলিচ বেটেলিয়ানৰ কেম্পটো উচ্ছেদ কৰিব লাগে। চৌব্বিশ ঘণ্টাৰ ভিতৰত কৰিব লাগে। অসম চৰকাৰে অৰুণাচল চৰকাৰৰ লগত আলোচনা কৰিব লাগে। শোণিতপুৰৰ পৰা মোৰকংচেলেক পৰ্য্যন্ত অসম। অৰুণাচল সীমান্তত অসম চৰকাৰৰ যি সকল ফৰেষ্ট বিভাগৰ বিষয়ববীয়া আছে সেই সকলে আমাৰ মানুহে খৰি কাটিলেও ধৰে কিন্তু অৰুণাচলৰ মানুহে ঘৰ বান্ধিলেও চকুমুদি থাকে। এই গোটেই বিষয়টো ৰাজনৈতিক বিষয় গতিকে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিব লাগে, অৰুণাচল চৰকাৰৰ লগতো আলোচনা কৰিব লাগে। অৰুণাচলচৰকাৰৰ মন্ত্ৰী বিষয়া সমন্বিতে আহি আমাৰ সীমা বিবাদ ফৰেষ্ট বিভাগৰ বিষয়া বৰ্গৰ দ্বাৰা শোণিতপুৰৰ পৰা মোৰকংচেলেক পৰ্য্যন্ত

* Speech not corrected

সীমাৰ ওপৰত চৰজমিন তদন্ত কৰিব লাগে। অৰুণাচলৰ মন্ত্ৰী আহি আমাৰ সীমাত অৰুণাচলী লোকক ইনষ্টিগেট কৰেহি, আমাৰ মন্ত্ৰী সকলেও সাহস দেখুৱাব লাগে মই লগত থাকিম, লগত যাম।

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য দিলীপ কুমাৰ শইকীয়া ডাঙৰীয়াক সমৰ্থন কৰো। সীমান্ত সমস্যা কিয় সামাধান কৰিব নোৱাৰে।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ আমি ধেমাজি প্ৰশাসনৰ লগত লগ লাগি বেৰেক উচ্ছেদ কৰি দিছো। ডি-আৰ-ডি-এৰ যিবিলাক উন্নয়নমূলক কাম আছে সেই বিলাক ফৰেষ্ট বিভাগক কৰিবলৈ নিৰ্দেশ দিব লাগে। ধেমাজিত আমি ই-এ-এচ স্কীমৰ আওতাৰত হল তৈয়াৰ কৰি দিছো। ফৰেষ্ট বিষয়া সকলক কৈছো আপোনালোকে নেদেখা বুলি চকু মুদি থাকক। আমি কৰিম, আপোনালোকে ভয় কৰিব নালাগে। ৰাস্তা বনাই দিছো। আমাৰ বান্দৰদোৱা অঞ্চলত আমাৰ অসমৰ মাটিত দোকান দিয়া সকলৰ পৰা পইচা বিচাৰি আছে।

* শ্ৰীনগেন শৰ্মা (বন মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, অসম-অৰুণাচলৰ সীমা বিবাদ আজিৰ নহয়, অসম-মিজোৰাম, অসম-নাগালেণ্ড এই গোটেই কেইটা সমস্যা বহুদিনৰ পৰা চলি আছে। আমাৰ চৰকাৰ অহাৰ পিচত আমি শক্তিশালী ব্যৱস্থা হাতত লৈছো। আমি যোতৰ বছৰৰ পিছত দুশ আঠত্ৰিশ হেক্টৰ মাটি প্লানটেশ্বন কৰিছো। অসম-অৰুণাচল সীমান্তত থকা বেটেলিয়ান কেম্পৰ যিটো কথা উল্লেখ কৰিছে সেই ক্ষেত্ৰত আমাৰ বিভাগৰ কিছু অসুবিধা আছে। আমি বিভাগৰ পৰা গৃহ বিভাগৰ সাহাৰ্য্যৰ কাৰণে যোগাযোগ কৰিছো আমি আশা ৰাখিছো দুইখন ৰাজ্যৰ বিষয়া, মন্ত্ৰী পৰ্য্যয়ৰ আলোচনাৰ মাজেদি সমস্যাটোৰ সমাধান হব।

* শ্ৰীগৌতম ৰয় ঃ অধ্যক্ষ মহোদয়, হাইলাকান্দি জিলাৰ দহ কিলোমিটাৰ ৰাস্তা মিজোৰামৰ ফালৰ পৰা দখল কৰিছে। সেই সম্পৰ্কত প্ৰকৃত অৱস্থা কি হৈছে তদন্ত কৰি বিহিত ব্যৱস্থা কৰিবলৈ মন্ত্ৰী মহোদয়ক অবগত কৰালো।

শ্ৰীনগেন শৰ্মা (বন মন্ত্ৰী) ঃ হাইলাকান্দি অঞ্চলত অসম অঞ্চলত ৰাস্তা অধিগ্ৰহণ কৰা, বেদখল কৰাৰ বিষয়টো সম্পৰ্কত গৃহ বিভাগৰ সাহাৰ্য্য বিচৰা হৈছে।

(Starred question No. 27 was disallowed)

Mr. Speaker : Now Starred Question No. 28. hon'ble member Shri Nazibul Umar. Hon'ble Minister, Revenue is to reply.

**Re : Erosion effected families.**

Sri Nazibul Umar asked :

---

* Speech not corrected

* 28. Will the Minister of Revenue be pleased to state :

(a) How many families of village Aironghayla, Motirchar Part - II and Vedlo rendered homeless due to erosion in 1996 and 1997 (up to 31st July)?

(b) Whether the Erosion effected families were rehabilated or not?

(c) If not, why ?

Dr. Zoii Nath Sarma (Minister Revenue) Replied :

(a) 175 families at Village Aironghayla, 677 families at village Motirchar Part - II and 65 families at village Vedlo under Dhubri District, have been rendered homeless due to Erosion in 1996 and 1997 (up to 31st July).

(b) Not yet rehabilizated

(c) Non availability of suitable sarkari land is posing problem in rehabilitation.

* শ্ৰীনাজিবুল ওমৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে খহনীয়া আদি যিমান বিলাক পৰিয়াল এতিয়ালৈকে ক্ষতিগ্ৰস্ত হৈছে সেই সময়ৰ ভিতৰত কিমান পৰিয়ালক চৰকাৰে পুনৰ সংস্থাপন দিছে ?

* ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯০-৯১ আৰু ১৯৯৬-৯৭ চনত চৰকাৰৰ ফালৰ পৰা ৫০ হাজাৰ টকাকৈ জিলাৰ উপায়ুক্তলৈ চেঙ্কচন দিয়া হৈছিল।

* শ্ৰীনাজিবুল ওমৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰকৃতাৰ্থত কিমান মানুহক ৰিহেবিলেট কৰিছে?

* ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, গোটেই বিলাক ৰিহেবিলেট কৰিব নোৱাৰিলেও ইতিমধ্যে আমি ৰিহেবিলেটেশ্বনৰ কাৰণে ধুবুৰী জিলাৰ উপায়ুক্তৰ পৰা ৬০ কোটি ৬২ লাখ টকাৰ এটা প্ৰস্তাৱ পাইছোঁ।

* Shri Abdul Muqtadir Choudhury : Whether Hon'ble Minister has enquired how many families have been rehabilitated. That should be enquired into. Erosion affected people should get top priority. Whether Hon'ble Minister will say, how many affected families been really rehabilitated?

---

* Speech not corrected

* ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগতে এটা প্ৰশ্নৰ উত্তৰত কৈছো যে ১৯৯১ চনৰ পৰা প্ৰায় ১০ হাজাৰৰ অধিক পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে কিন্তু কোনো পৰিয়ালকে পুনৰ সংস্থাপন কৰিব পৰা হোৱা নাই।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, অৰুণাচলে দখল কৰা অন্যান্য বানবিধ্বস্ত পৰিয়াল বিলাকক মাটি দিয়াৰ কিবা চৰকাৰী নিয়ম আছে নেকি? যদি আছে তেন্তে ফৰেষ্ট আদি এলেকাত অৱশ্যে এই ফৰেষ্টবিলাক কেন্দ্ৰীয় চৰকাৰ ডিৰিজাৰ্ভ কৰিব লাগিব আৰু তাতে সংস্থাপিত কৰিব পাৰি। এই মানুহখিনিক পুনৰ সংস্থাপনৰ কাৰনে চৰকাৰে কিবা এটা নীতি গ্ৰহণ কৰিবনে?

* ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নীতি বা নিয়ম আছে কাৰণেই এইটো এটা পৃথক বিভাগ হিচাপে আৰম্ভ কৰা হৈছে। এইটো নিয়ম বহুদিনৰ পৰাই চলি আছে। কিছুমান ক্ষেত্ৰত আমি মাটী দিব নোৱাৰি টকা দিয়াৰ ব্যৱস্থা কৰিছিলো। কিন্তু তাত ৰাইজে টকা নালাগে মাটীহে লাগে বুলি কলে। কিন্তু এটিয়াই মাটী দিব পৰা অৱস্থা নাই।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়ে কৈছে যে ১৯৯১ চনৰ পৰা বান বিধ্বস্ত বা খহনীয়াত পৰা মানুহখিনিক সংস্থাপিত কৰিব পৰা হোৱা নাই। কিন্তু কথা হ'ল তাৰ আগৰ মানুহখিনিক সংস্থাপন কৰা হল নেকি? এইটো মন্ত্ৰী মহোদয়ে জনাবনে?

* ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটোৰ বিতং তথ্য এতিয়াই মোৰ হাতত নাই।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়ে কৈছে যে ১৯৯১ চনৰ পৰা মানুহখিনিক সংস্থাপন কৰিব পৰা হোৱা নাই বুলি বাৰে বাৰে কৈছে। কিন্তু আগৰ মানুহখিনিৰ কথা নকয় কিয় এইটো জনাব লাগে।

* ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সেইটোৱেই কথা, এই গোটেই কথা বিলাক আলোচনা কৰাৰ কাৰণে প্ৰশ্নোত্তৰৰ সময় চোৱাই যথেষ্ট নহয়। ১৯৪৭ চনতে ভাৰতে স্বাধীনতা লাভ কৰিলে, তাৰ পাছৰে পৰা ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈ এই অতি অলপ সময়ৰ কাৰণেহে আমাৰ দলৰ চৰকাৰ আছিল। তাৰ আগতে গোটেই সময়খিনি আমাৰ মাননীয় সদস্যজন যি দলৰ সেই দলৰে চৰকাৰ আছিল। এই গোটেই সমস্যা বিলাক তেতিয়াৰ পৰাই স্তুপীকৃত হৈ আছে।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি ভুল কৰিছিলো বাৰু কিন্তু আপোনালোকেতো শুদ্ধ কৰক আপোনালোকে এতিয়া কি কৰিছে?

* ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি এতিয়া শুদ্ধ কৰিবলৈকেতো চেষ্টা কৰি আছো।

---

* Speech not corrected

Mr. Speaker : Now Starrted Question No. 29. Hon'ble member Smti. Pranati Phukan. Hon'ble Minister, Revenue is to reply.

**বিষয় ঃ খেতিয়কক মাটি আৱণ্টন ।**

শ্ৰীমতী প্ৰণতি ফুকনে সুধিছে ঃ

*২৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ক্ষুদ্ৰ চাহ খেতিয়কক মাটি আৱণ্টন দিয়াৰ ক্ষেত্ৰত চৰকাৰে কি নীতি গ্ৰহণ কৰিছে ?

(খ) ১৯৯৬-৯৭ চনত মুঠ কিমান জন ক্ষুদ্ৰ চাহ খেতিয়কক মাটি আৱণ্টন দিয়া হৈছে?

(গ) আৱণ্টন দিয়া মাটিৰ মুঠ পৰিমাণ কিমান?

ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰে ১৯৮৯ চনৰ ঘোষিত ভূমি নীতিৰ ৫ দফাৰ অধীনত ক্ষুদ্ৰ চাহ খেতিয়কক মাটিৰ আৱণ্টন দিবলৈ নীতি গ্ৰহণ কৰিছে।

(খ) ৭ (সাত) জনক ।

(গ) ৩৬১ বিঘা ০ কঠা ১৬ লেচা ।

* শ্ৰীমতী প্ৰণতি ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰী নিয়মমতে প্ৰতিজন শিক্ষিত নিবনুৱা যুৱকক চাহ খেতি কৰিবৰ কাৰণে ৩০ বিঘাকৈ মাটি দিয়াৰ প্ৰস্তাৱ আগবঢ়াইছে। এই প্ৰস্তাৱ সম্পৰ্কে চৰকাৰে কিবা নীতি গ্ৰহণ কৰিছে নেকি? মোৰ দ্বিতীয় প্ৰশ্নটো হ'ল যোৱা ২৯-৯-৯৪ তাৰিখে আৰ এচ এছ ৭০৩-৯২ পাৰ্ট ১২ এই চিঠি যোগে সকলো জিলাৰ উপায়ুক্তলৈ নিৰ্দেশ দিয়া হৈছিল যে ভূমি আৱণ্টনৰ ক্ষেত্ৰত কোনো এল এ চিৰ পৰামৰ্শ নোলোৱাকৈ ভূমি আৱণ্টন দিব লাগে। এই নীতি বা নিয়মৰ ওপৰত চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

* ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম প্ৰশ্নৰ উত্তৰত মই কৈছোৱেই যে এই ক্ষেত্ৰত আমাৰ ১৯৮৯ চনত আমাৰ গণ পৰিষদ দলৰ চৰকাৰ থকাৰ সময়তে ভূমিনীতি গ্ৰহণ কৰা হৈছিল আৰু তাৰ দফা ৫ অনুসৰি প্ৰতিজন শিক্ষিত নিবনুৱা যুৱকে চাহ খেতি কৰিবৰ কাৰণে মাটি আৱণ্টন দিব পাৰি। কিন্তু এই ক্ষেত্ৰত বহু দৰ্খাস্ত আহিছে আৰু এই সকলোফালৰ পৰা বিতংভাৱে পৰীক্ষা কৰাৰ পিছতহে মাটি দিব পৰা যাব। কাৰণ এই বিলাক ৰিজাৰ্ভ ফৰেষ্ট বা ভিজি আৰ বা পি জি আৰ আদি পৰিছে নেকি চাব লাগিব।

* শ্ৰীমতী প্ৰণতি ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা প্ৰশ্ন হৈছে ভূমি আৱণ্টনৰ ক্ষেত্ৰত কিমানখন দৰ্খাস্ত পাইছে আৰু ক্ষুদ্ৰ চাহ খেতিয়ক সকলে মাটি আৱণ্টন পোৱাৰ ক্ষেত্ৰত

* Speech not corrected

কিছু অসুবিধা হোৱা কথাটো সঁচানে?

* ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, কথাটো একেবাৰে সঁচা নহয়। আমাৰ চৰকাৰে এতিয়ালৈকে ৯০ খন দৰ্খাস্ত পাইছে মই মন্ত্ৰী হোৱাৰ দিনৰে পৰা । এই দৰ্খাস্ত বিলাকৰ ওপৰত স্পষ্টীকৰণ বিচাৰি জিলাৰ সংশ্লিষ্ট সকললৈ লিখা হৈছে।

* শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, যি সকলক মাটি আৱণ্টন দিয়া হ'ল সেইসকলে সেই মাটিত খেতি কৰিছেনে?

* ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কথাটো সেইখিনিতেই । আমি ইতিমধ্যে ৩ হাজাৰ ৫ শ ৩১ বিঘা মাটি ক্ষুদ্ৰ চাহ খেতিয়কক চেটেলমেণ্ট দিয়া হৈছে। ইয়াৰ উপৰিও বহু খেতিয়কে তেওঁলোকৰ নিজাববীয়াকৈ খেতি কৰি আছে। কিন্তু চেটেলমেন্ট পোৱাৰ পিছত নিজে খেতি নকৰি আনক দিছে। দুই এটা তেনে খবৰ আহিছে। এতিয়া এনেকুৱা নিয়ম কৰা হৈছে চেটেলমেণ্ট পোৱাৰ পিছত চাকৰি নিবিচাৰিব আৰু মাটি হস্তান্তৰ নকৰিব বুলি কৰ্টত এফিডেভিট দিলেহে ৩০ বিঘাকৈ মাটি দিয়া হ'ব। কোনোবা পৰিয়াল ৭ জনৰ যদি ৬ জনেই মাটি পায় কবলগীয়া নাই। কিন্তু এফিডেভিট আৰু এই চ'ৰ্তখিনি পূৰণ কৰিব লাগিব।

* শ্ৰীদীলেশ্বৰ তাঁতী ঃ মাননীয় অধ্যক্ষ মহোদয়, ক্ষুদ্ৰ চাহ খেতিয়কক সহায় কৰিবৰ কাৰণে চৰকাৰে যি মাটি আৱণ্টন দিয়াৰ ক্ষেত্ৰত নীতি অধিগ্ৰহণ কৰিছে প্ৰতিজনকে ৩০ বিঘা মাটি দিব। এই ক্ষেত্ৰত দেখা গৈছে যে কিছুমান পৰিয়ালৰ মানুহে একেটা পৰিয়ালত ৭ জনকৈ মানুহৰ প্ৰত্যেকৰ নামত ৩০ বিঘাকৈ দাবী কৰি প্ৰায় ২ শ, ৩ শ বিগা মাটি অধিগ্ৰহণ কৰি সুবিধা লাভ কৰিব বিচাৰিছে। বিশেষকৈ ক্ষুদ্ৰ চাহ খেতিয়কক চৰকাৰে নিম্নতম মজুৰী দিয়াৰ নীতি কৰিছে। সেইটো কিন্তু শ্ৰমিক সকলক দিবলৈ কুণ্ঠাবোধ কৰিছে। সেয়েহে শ্ৰমিক সকলক যাতে এইখিনিৰ পৰা শোষণ কৰিব নোৱাৰে তাৰ বাবে এটা কনডিচন ৰখাৰ ব্যৱস্থা কৰিব নোৱাৰিনে? আৰু একেটা পৰিয়ালতে যাতে ২ শ ৩ শ বিঘা মাটি ল'ব নোৱাৰে তাৰ বাবেও এটা কনডিচন ৰাখিবনে?

ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ভূমিনীতিৰ ক্ষেত্ৰত এনেধৰণৰ কিছুমান কথা নোহোৱা নহয়। চ'চাইটিৰ সদস্য হ'লে প্ৰতিজন সদস্যৰ বিপৰীতে ৩০ বিঘা মাটি দিব পৰা ব্যৱস্থা আমাৰ ভূমিনীতি আইনত আছে। সেই সুবিধা যে কোনোবাই নল'ব সেইটো মই ক'ব নোৱাৰো। কিন্তু একান্নভুক্ত হৈ থকাৰ কাৰণে কাৰোবাক ইয়াৰ পৰা বঞ্চিত কৰিব নোৱাৰি। মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে এই ক্ষেত্ৰত ভূমিনীতি সলনি কৰিব পাৰিনে নোৱাৰি সেইটো পৰীক্ষা-নিৰীক্ষা কৰি চাম। আৰু দ্বিতীয় কথাটো হ'ল, শ্ৰমিক সকলৰ যিটো কথা কৈছে এইটো তেওঁলোকৰ প্ৰয়োজনীয় মজুৰী দিয়া নাই বুলি যি অভিযোগ কৰিছে সেইটো ৰাজহ বিভাগে পোৱা নাই। শ্ৰম

বিভাগৰ লগত আমি যোগাযোগ ৰাখিছো। কেৱল ক্ষুদ্ৰ চাহ খেতিয়কেই নহয় অন্যান্য চাহ খেতিকেও যাতে প্ৰাপ্যৰ পৰা বঞ্চিত নহয় তাৰ কাৰণে শ্ৰম বিভাগে দৃষ্টি ৰাখিছে। তথাপিতো এই কথাটো সদনত আলোচনা হৈছে যেতিয়া আমিও নিশ্চয় আমাৰ বিভাগৰ পৰা এইটো চাম।

* শ্ৰীআলী আকবৰ মিঞা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ অঞ্চলতে আজি ২০ বছৰ ধৰি মাটি দখল কৰি খাই আছে সেই সকল আজি ভূমিহীন হৈ পৰিছে, তেওঁলোকৰ আজি মাটি সেই সকলক ভূমি পট্টন দিয়াৰ ব্যৱস্থা কৰিবনে?

* ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো প্ৰশ্ন কৰিছে সেইটো বেলেগ প্ৰশ্ন কৰিলে ভাল হয়।

Mr. Speaker : Now Starrted Question No. 30. Hon'ble member Shri Ali Akbar Miah. Hon'ble Minister, Flood Control is to reply.

**বিষয় ঃ খোৰাঘাট পোনে নয়আলি মথাউৰিৰ কাম।**

শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ

*৩০। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ খোৰাঘাট পোনে নয়আলি মথাউৰিৰ কাম কৰাৰ বাবে নিবিদা আহ্বান কৰাটো সঁচানে?

(খ) যদি সঁচা, তেন্তে উক্ত কামৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছে আৰু কিমান দিনৰ ভিতৰত কামটো সম্পূৰ্ণ কৰা হ'ব?

(গ) খুদনামাৰীৰ (টিপকাই নদীৰ) বান্ধৰ কাম কেতিয়ালৈ আঁচনিত ধাৰ্য কৰাৰ চিন্তা কৰা হৈছে?

(ঘ) উক্ত বান্ধৰ কামটো নকৰাত খুদনামাৰী গাওঁখন লগতে দুই হাজাৰ বিঘা মান মাটি যে নদীৰ গৰ্ভত যোৱাৰ সম্ভাৱনা আছে চৰকাৰ অৱগতনে?

শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, সঁচা ।

(খ) এই কামৰ বাবে বৰ্তমানলৈকে কোনো টকা ধাৰ্য্য কৰা হোৱা নাই। প্ৰয়োজনীয় বিত্তৰ যোগান তথা প্ৰশাসনীয় অনুমোদন পালে সোনকালে কামটো সম্পূৰ্ণ কৰিব পৰা যাব বুলি আশা কৰা হৈছে।

(গ) বিভাগীয় বিত্তীয় আৱণ্টনৰ ওপৰত খুদনামাৰীৰ বান্ধৰ কাম নিৰ্ভৰশীল।

---

* Speech not corrected

(ঘ) বান্ধৰ কাম নহ'লে খুদনামাৰী গাওঁ তথা ইয়াৰ ওচৰে-পাজৰে থকা কিছু অংশ গড়াখহনীয়াৰ কবলত পৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

* শ্ৰী আলী আকবৰ মিঞা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্ন নং 'ক'ত কৈছে যে হয়, সঁচা। আৰু 'খ' প্ৰশ্নত আছিলে যদি সঁচা হয়, তেন্তে উক্ত কামৰ কাৰণে কিমান টকা ধাৰ্য্য কৰা হৈছে আৰু কিমান দিনৰ ভিতৰত কামটো সম্পূৰ্ণ কৰা হ'ব। কথা হৈছে টকা ধাৰ্য্য নোহোৱাকৈ কিয় নিবিদা আহ্বান কৰা হ'ল? এনেকুৱা আমি পি, ডব্লিও, ডি বান নিয়ন্ত্ৰণ বিভাগটো বা অন্যান্য বিভাগটো দেখিছো। কিয় এনে হ'বলৈ পাইছে আমাক মন্ত্ৰী মহোদয়ে জনাবনে? আজি আমাৰ ৰাজ্যখনত এনেকুৱা পৰ্য্যন্ত হৈছে, ইঞ্জিনিয়াৰ সকলে কামৰ কাৰণে ঠিকাদাৰ সকলক হাতে-ভৰিয়ে ধৰিও তেওঁলোকৰ পৰা কাম আদায় কৰিব পৰা নাই। তেওঁলোকে কাম নকৰা হৈছে। এইটো বৰ লাজৰ কথা নহয়নে বাৰু?

* শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়; মাননীয় সদস্যজনে যিটো কথা কৈছে সেইটো সঁচা। খোৰাঘাটৰ পৰা পোনে নয়আলি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ধুবুৰী জিলাৰ অন্তৰ্গত এখন খৰস্ৰোতা নৈ টিপকাইৰ অববাহিকাত অৱস্থিত। যোৱা ১০ বছৰ ধৰি এই অঞ্চলটো বানপানীত প্লাৱিত হোৱাৰ লগতে গড়াখহনীয়াত আক্ৰান্ত হৈ আহিছে। ইয়াৰ প্ৰতিৰোধৰ বাবে ২৫তম্ কাৰিকৰী উপদেষ্টা সমিতিৰ সভাত "এন্টি ইৰ'চন মেজাৰচ এণ্ড কনষ্ট্ৰাকচন অৱ বান্ধ ফ্ৰম খোৰাঘাট টু পোনে নয়আলি অন আৰ, আই, বি অৱ ৰিভাৰ টিপকাই" নামেৰে ৮৪.৯৩ লাখ টকাৰ এখন তথ্য উত্থাপন কৰা হয়। কিন্তু সমিতিয়ে কেৱল মাটিৰ বান্ধ নিৰ্মাণৰ বাবেহে অনুমোদন জনায় আৰু খহনীয়া প্ৰতিৰোধমূলক কামৰ বাবে পুনঃ নিৰীক্ষণৰ পৰামৰ্শ দিয়ে। এই অনুমোদন মৰ্মে ৩০.১৭ লাখ টকা ব্যয় সাপেক্ষে ২ কিলোমিটাৰ দৈৰ্ঘ্য মাটিৰ বান্ধ নিৰ্মাণৰ বাবে বিস্তৃত প্ৰাকলন প্ৰস্তুত কৰি ১৯৯৭-৯৮ চনৰ ৰাজ্যিক বাৰ্ষিক পৰিকল্পনাত নতুন আঁচনি হিচাপে অন্তৰ্ভুক্ত কৰাৰ কথা বিবেচনা কৰা হৈছে। এই আঁচনিখন প্ৰশাসনীয় অনুমোদন পোৱা হ'ব বুলি আশা কৰি এই কামৰ বাবে নিৰ্বিদা আহ্বান কৰি সাজু কৰি ৰখা হৈছে। কিয়নো এডমিনিষ্ট্ৰেটিভ এপ্ৰভেল লোৱাৰ সময়লৈকে আমাৰ এমাহ সময় লাগে। সেয়েহে আমি আগতিয়াকৈ নিবিদা দি ৰাখো যাৰ বাবে আমি ৰৈ থাকিব নেলাগে আৰু লগে লগেই কাম আৰম্ভ কৰিব পাৰো।

* শ্ৰীআলী আকবৰ মিঞা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে আমাক আশ্বাস দিব নেকি যে নিদিবা মতেই এই বছৰতে কাম আৰম্ভ কৰিব?

* শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো কথা কৈছে সেই সম্পৰ্কত কওঁ যে এডমিনিষ্ট্ৰেটিভ এপ্ৰভেল নহ'লে নিবিদা মতেই কাম আৰম্ভ কৰিব নোৱাৰো।

---

* Speech not corrected

* শ্ৰী আলী আকবৰ মিঞা ঃ মাননীয় অধ্যক্ষ মহোদয়, আনটাইড ফাণ্ডৰ ২০ লাখ টকা ধাৰ্য্য কৰা হৈছে সেইটো ৰেভিনিউ ডিপটিত হোৱাৰ কাৰণে অসুবিধা হৈছে। সেইখিনি ৰিলিজ কৰাৰ কাৰণে বিভাগীয় ফালৰ পৰা ব্যৱস্থা ল'বনে?

* শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জনাত এমপ্লয়ি ইনচুৰেন্স স্কীমত এই টকা ধৰা হৈছে। মই পুণৰ জনাইছো যে এডমিনিষ্ট্ৰেটিভ এপ্ৰভেল হৈ আহিলে আমি কাম আৰম্ভ কৰিম।

* শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, এডমিনিষ্ট্ৰেটিভ এপ্ৰভেল হোৱা কিমানখিনি আঁচনিৰ কাম হোৱা নাই মন্ত্ৰী মহোদয়ে জনাবনে?

* শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যা গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে তাৰ বাবে বেলেগ প্ৰশ্ন আহিলে ভাল হয়।

(Starred question Nos. 31 to 40 could not be taken up for disposal as the question hour was over. However, the replies of the same question deemed to have been laid on the table of the House.)

**বিষয় ঃ বাদ মেৰামতি।**

শ্ৰীআনোৱাৰ হুছেন লস্কর জিজ্ঞাসা করছেন ঃ

৩১। মাননীয় বন্যা নিয়ন্ত্রণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) সোনাই নির্বাচন চক্রের ঝাঞ্ঝারবালি (Jhanjarbali) এলাকার বন্যা প্রতিরোধ বাদ (Flood Protection Dyke) এবার কার বর্ষাকালে বন্যার ফলে বন্যার জলে ভেসে গেছে যাহার ফলে ঝাঞ্ঝাৰ বালি এলাকা বিশেষ ভাৱে ক্ষতিগ্রস্ত হয়েছে এ ব্যাপারে সরকার অৱগত আছেন কি?

(খ) ঝাঞ্ঝার বালির উক্ত বাদ মেরামতির জন্য সরকার কি ব্যৱস্থা গ্রহণ করেছেন জানাবেন কি?

(গ) যদি কোন ব্যৱস্থা গ্রহণ না করা হয়ে থাকে তবে কারণ কি?

শ্ৰী প্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ বিভাগের মন্ত্রী) দেবে উত্তর দিছেন ঃ

(ক) হ্যাঁ, সরকার অবগত ।

(খ) উক্ত বাঁধেৰ ভাঙ্গাঁ অংশ সাময়িকভাৱে বন্ধ করার জন্য ২.০২ লাখ টকা ব্যায় সাপেক্ষে এক প্রাককলন প্রস্তুত করা হোয়েছে এবং বিত্তিয় পরিস্থিতি সাপেক্ষে হাতে নেওয়াৰ কথা বিবেচনা করা হবে।

(গ) প্রযোজ্য নহয়।

---

* Speech not corrected

**Re: Breaches at Karimganj.**

Shri Abdul Muktadir Choudhury Asked :

*32. Will the Minister of Flood Control be pleased to state :

(a) Whether the Government is aware that 2 (two) major breaches occured on the embankment of the Longai river from Patharkandi to Nilambazar during the recent flood in the Karimganj District?

(b) If so, the action taken so far to repair the above breaches?

(c) Whether the Government is aware that the condition of the above embankment is so bad that it needs immediate action for strengthening and raising of the said embankment ?

Shri Promode Gogoi (Minister, Flood Control) replied :

(a) Yes.

(b) Temporary closure works of the breaches have already been taken up by this Department.

(c) Yes.

**বিষয় ঃ ব্ৰহ্মপুত্ৰৰ প্ৰবল গড়াখহনীয়া ।**

শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে সুধিছে ঃ

* ৩৩। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শোনিতপুৰ জিলাৰ বৰছলা সমষ্টিৰ কেইবাখনো গাওঁ বিশেষকৈ নবিল, গুৰডুবা আৰু শিঙৰী অঞ্চলত ব্ৰহ্মপুত্ৰৰ প্ৰবল গড়াখহনীয়া হোৱাৰ কথা মাননীয় মন্ত্ৰী মহোদয়ে জানেনে ?

(খ) উক্ত গড়াখহনীয়া ৰোধ কৰাৰ বাবে যাৱতীয় তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(গ) বৰ্তমান কিমানঘৰ লোকে গড়াখহনীয়াৰ বাবে স্থানান্তৰী হৈছে আৰু কিমান খেতিৰ মাটি ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে চৰকাৰৰ হাতত হিচাব আছেনে ?

শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, জানো ।

(খ) পৰিস্থিতিৰ ওপৰত চকু ৰখা হৈছে আৰু বিভাগীয় বিত্তীয় পৰিস্থিতি সাপেক্ষে প্ৰয়োজনীয়

* Speech not corrected

ব্যৱস্থা গ্ৰহণৰ কথা বিবেচনা কৰা হ'ব।

(গ) বৰ্তমানলৈকে ১৯০ (এশ নৈব্বৈ) ঘৰ লোক স্থানান্তৰী হৈছে আৰু প্ৰায় ১০০০ (এহাজাৰ) একৰ খেতিৰ মাটি খহনীয়াত জাহ গৈছে।

**বিষয় ঃ ঠাই সংৰক্ষণ।**

শ্ৰীহেমন্ত কলিতাই সুধিছে ঃ

*৩৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন নগৰ আৰু চহৰ অঞ্চলত মুকলি ঠাই সংৰক্ষিত কৰিবৰ বাবে চৰকাৰে কিবা প্ৰচেষ্টা হাতত লৈছে নে?

(খ) যদি লৈছে, কেনে প্ৰচেষ্টা লৈছে জনাবনে?

(গ) গুৱাহাটী, যোৰহাটকে ধৰি মুখ্য চহৰ কেইখনত ততাতৈয়াকৈ মুকলি ঠাই সংৰক্ষিত কৰাৰ প্ৰস্তাৱ ল'বনে?

(ঘ) অসমৰ প্ৰত্যেক পঞ্চায়তে খেল পথাৰ আৰু উদ্যানৰ বাবে মুকলি ঠাই সংৰক্ষিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয় লৈছে।

(খ) চৰকাৰৰ ভূমি নীতি অনুসৰি ৰাজ্যখনৰ সকলো জিলা উপায়ুক্ত আৰু মহকুমাধিপতি সকলক নগৰ আৰু চহৰ অঞ্চলত মুকলি ঠাই সংৰক্ষণৰ বাবে চৰকাৰৰ পৰা নিৰ্দেশ দিয়া আছে।

(গ) নতুনকৈ প্ৰস্তাৱ লোৱাৰ প্ৰশ্ন নুঠে।

(ঘ) ৰাজ্যখনৰ সকলো গাঁৱতে ৫ ৰ পৰা ১৫ বিঘা পৰ্যন্ত মাটি খেল পথাৰ, ৰাজহুৱা স্থান সংৰক্ষণ কৰি ৰখাৰ বাবে সকলো জিলা উপায়ুক্ত, মহকুমাধিপতিক নিৰ্দেশ দিয়া আছে।

**বিষয় ঃ ফৰেষ্টাৰ গ্ৰেড ওৱানৰ নিযুক্তি সম্পৰ্কে।**

শ্ৰী মোস্তাফা শ্বহীদুল ইছলামে সুধিছে ঃ

*৩৫। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বৰ্তমান চৰকাৰে বন বিভাগৰ ফৰেষ্টাৰ গ্ৰেড ওৱানৰ চাকৰী নিযুক্তি সম্পৰ্কে কিবা ব্যৱস্থা লৈছে নে?

শ্ৰীনগেন শৰ্মা (বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

লোৱা নাই ।

---

* Speech not corrected

**Re: Remuneration of the Govt. Advocates.**

Shri Abu Saleh Najmuddin asked :

*36. Will the Chief Minister (Law) be pleased to state :

(a) Is there any proposal of the Government to increase the Remuneration of the Government Advocates, public prosecutor etc.?

(b) From which date the enhanced rate of remuneration to the above mentioned Advocates will come into effect?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

(a) The Government has already enhanced the remuneration of the Govt. Advocates in the High Court and the Govt. leaders & Asstt. Govt. pleaders in the Subordinate Courts. Proposal for enhancement of remuneration of the public prosecutors is under active consideration of the Government.

(b) The enhanced remuneration of the Govt. Advocates in the High Court has been given effect to on and form 6-8-97 and the enhanced remuneration of the Govt. Pleaders & Asstt. Govt. Pleaders in the Subordinate Courts has been given effect to on and from 1-8-97. The revised remuneration for public prosecutors will be announced as soon as the remuneration is enhanced by the Government.

**Re: Damage of Standing Crops.**

Shri Silvius Condpan asked :

*37. Will the Minister of Revenue be pleased to state :

(a) What is the extent of damage of standing crops in Assam during the last flood? What relief measures have been given to farmers to meet the situation ?

(b) Whether minimum Needs Programme for the poor farmers in the States being carried out ? If so, what is the budget provision for

---

* Speech not corrected

MNP for 1997-98? Whether circle level Advsiory Committee has been formed to examine such problems and recommend the Government for assistance under MNP?

Dr. Zoii Nath Sarma (Minister, Revenue) replied:

(a) 1,01,584 hectares of crop area have been damaged in Assam during flood. Measures necessary to provide relief to the flood affected farmers are under active consideration of the state Government.

(b) Yes, Budget Provision for MNP House Site Scheme for the year 1997-98 shown below :

| | | |
|---|---|---|
| General Areas | - Rs. 194.00 Lakh for | 7760 families. |
| S.C.P. | - Rs. 101.00 Lakh for | 4040 families. |
| T.S.P. | - Rs. 94.00 Lakh for | 3760 families |
| Hills | - Rs. 11.00 Lakh for | 440 families. |
| Total | - Rs. 400.00 Lakh for | 16,000 families. |

No Circle Level Advisory Commitee has been formed but Sub-Divisional level Land Advisory Body has been constituted for all the Sub-Divisions and they are to perform this function.

**Re: Construction of spurs.**

Dr. Ardhendu Kumar Dey asked :

*38. Will the Minister of flood Control be pleased to state :

(a) Whether it is a fact that Gai River at Dhemaji Constituency and Dikrong River at Bihpuria Constituency are changing their course from the last flood?

(b) Whether it is a fact that some spurs were constructed near the Gai River Railway Bridge and near the Bihpuria Town?

(c) What was the cost for construction of such spurs in both the cases ?

* Speech not corrected

(d) When such spurs were constructed ?

(e) How many death occured in last flood? (Please submit the names with address of deceased persons)

Sri Promode Gogoi (Flood Control Minister) replied :

(a) No, River Gai and river Dikrong have not changed their courses during the last flood.

(b) No, it is not a fact.

(c) Does not arise.

(d) Does not arise.

(e) One death occured in Dhemaji District, while two death occured in Lakhimpur District.

The names are :-

(i) Dhemaji - Chenilata Pegu

D/O - Abhinandan Pegu

Vill - Meehaki Tangani.

(ii) Lakhimpur - (i) Deep Rajbanshi

S/0 - Sri Maniram Rajbanshi

Vill - Jamuguri

Mouza - Dholpur.

(ii) Lakhi Bora (Begai)

Husband of Smt. - Labanya Bora

Vill - Borpukhuri.

Mouza Nakari.

---

* Speech not corrected

**বিষয় ঃ হাতীঘুলিৰ বান্ধ ।**

শ্ৰীজগদীশ ভূএগুাই সুধিছে ঃ

* ৩৯। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শদিয়া সমষ্টিৰ অন্তৰ্গত হাতীঘুলিত থকা বান্ধৰ বৰ্তমান অৱস্থাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) হাতীঘুলিৰ বান্ধটো নিৰ্মাণৰ ব্যৱস্থা নকৰিলে অনন্ত নলাৰ পানীয়ে তিনিচুকীয়া জিলাৰ তিনিচুকীয়া নগৰকে ধৰি চাৰিটা সমষ্টিৰ বিস্তৰ ক্ষতি হোৱাৰ সম্ভাৱনাৰ বিষয়ে চৰকাৰ জ্ঞাতনে ?

(গ) যদি জ্ঞাত, প্ৰতিৰোধৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(ঘ) কেতিয়াৰ পৰা কাৰ্য্যকৰী হ'ব?

(ঙ) শদিয়াৰ কুণ্ডিলৰ গড়াখহনীয়াই ক্ৰমে চপাখোৱা নগৰৰ ফালে অগ্ৰসৰ হোৱাৰ বিষয়ে চৰকাৰ জ্ঞাতনে ?

(চ) যদি জ্ঞাত প্ৰতিৰোধৰ বাবে কেনে ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

(ছ) কেতিয়াৰ পৰা কাৰ্যকৰী হ'ব?

শ্ৰী প্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) জ্ঞাত ।

(খ) জ্ঞাত।

(গ) ৭১.৪৪ লাখ টকাৰ এখন আঁচনি গত ত্ৰয়োদশ Assam State Brahmaputra Valley Flood Control Board ৰ অনুমোদন কৰাই ৰখা হৈছে।

(ঘ) বিত্তীয় সচ্চলতা তথা প্ৰশাসনিক অনুমোদনৰ ওপৰত ভিত্তি কৰি আঁচনিখনৰ কাৰ্যকৰণ সম্পৰ্কে বিবেচনা কৰা হ'ব।

(ঙ) জ্ঞাত ।

(চ) গত ২৫তম্ কাৰিকৰী উপদেষ্টা কমিটিৰ অনুমোদন সাপেক্ষে ৮১.২৫ লাখ টকাৰ এখন গড়াখহনীয়া প্ৰতিৰোধ মূলক আঁচনি প্ৰস্তুত কৰি ৰখা হৈছে।

(ছ) বিত্তীয় সচ্চলতা তথা প্ৰশাসনিক অনুমোদনৰ ওপৰত ভিত্তি কৰি আঁচনিখন কাৰ্যকৰী কৰাৰ বিষয়ে চিন্তা কৰা হ'ব।

**বিষয় ঃ ভঙা মথাউৰি ।**

আবু বক্কৰ ছিদ্দিক জোড়্দাৰে সুধিছে ঃ

---

* Speech not corrected

* ৪০। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ ফ্যাটাঙাপাৰা, হাগ্ৰীপাৰা, ভাওবাৰ তলত ৰাজ্যৰ প্ৰথমটো বানে মথাউৰি ভঙাটো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে মথাউৰি বন্ধাৰ বাবে চৰকাৰে কিবা আঁচনি হাতত লৈছে নে?

(গ) তৎকালীনভাৱে তাত ৰিং বান্ধ দিয়াৰ ব্যৱস্থা হাতত ল'বনে?

শ্ৰীপ্ৰমোদ গগৈ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত ।

(খ) হয়, লোৱা হৈছে ।

(গ) চলিত বাৰিষা কালত তৎকালীন ভাৱে ৰিং বান্ধ দিয়া সম্ভৱপৰ নহ'ব।

## Un starred Questions and Answer

**Re: Institute of Hotel Management.**

Shri Hitendra Nath Goswami asked :

50. Will the Minister of Tourism be pleased to State :

(a) When the Institute of Hotel Management, Catering Technology and Applied Nutrition has been established and whether the Institute has its own complex ?

(b) How many seats are there in the Institute and how they are filled up ? Is there exist a quota system for N.E.C. and others ? If so, how many seats are reserved and for and whom these are reserved?

(c) What steps the Department has taken on D.O. letter dated 31.7.96 in which the Hon'ble Chief Minister, i/c. Tourism has been requested to increase the quota of Assam Students in the Institute separately as done in case of Tripura and Sikkim?

Shri Prafulla Kr. Mahanta (Chief Minister) replied :

(a) The erstwhile Food Craft Institute, Guwahati which was established in the year 1984 has been upgraded into a Institute of Hotel Management on 6th April, 1995.

At present the Institute does not have its own Complex and is functioning from a rented building.

* Speech not corrected

(b) There are 90 seats in the Institute and the seats are filled up through Joint Entrance Examination contructed by the National Council for Hotel Management, New Delhi and quota system through North Eastern Council.

Out of the total 90 seats, 34 seats are reserved for N.E.C. and other States, the break up of which are given below :

**N.E.C.**

| | | |
|---|---|---|
| 1. | Assam | - 3 |
| | Meghalaya | - 2 |
| | Mizoram | - 2 |
| | Manipur | - 2 |
| | Nagaland | - 2 |
| | Tripura | - 3 |
| | Arunachal Pradesh. | - 3 |
| 2. | Sikkim | - 5 |
| 3. | Tripura (Apart from NEC) | - 5 |
| 4. | Assam (Apart form NEC) | - 7 |
| | | -34 Seats |
| | Joint Entrance | - 5 |
| | Examination | - 56 |
| | All India basis. | |
| | Total. | - 90 Seats. |

(c) Govt. of India has alloted 7 more seats by raising the quota from 3 to 10 on the request of the Govt. of Assam.

**বিষয় ঃ কালদিয়া নদীৰ গড়াখহনীয়া ।**

শ্ৰীমোহন দাসে সুধিছে ঃ

৫১। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বজালী মহকুমাত প্ৰতিবছৰে কালদিয়া নদীয়ে সৃষ্টি কৰা গড়াখহনীয়া আৰু বানপানীয়ে ঘৰ দুৱাৰ আৰু বিস্তৰ খেতি পথাৰৰ ক্ষতি সাধন কৰি আহিছে। এই সম্পৰ্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেনেহ'লে গড়াহনীয়া আৰু বানপানীৰ সমস্যা প্ৰতিৰোধ কৰাৰ বাবে চৰকাৰৰ হাতত আঁচনি আছেনে?

(গ) যদি আঁচনি আছে, কেতিয়া কাৰ্য্যকৰী কৰিব অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰী প্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত ।

(খ) হয়, আঁচনি প্ৰস্তুত কৰা হৈছে ।

(গ) বিত্তীয় সচ্চলতা তথা প্ৰশাসনিক অনুমোদনৰ ওপৰত উক্ত আঁচনি সমূহ কাৰ্য্যকৰীকৰণ নিৰ্ভৰশীল।

**বিষয় ঃ কুৰুৱাবাহী ই, এণ্ড দিব মতাউৰী নিৰ্মাণ ।**

শ্ৰীভূপেন্দ্ৰ নাথ ভূঞাই সুধিছে ঃ

৫২। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বোকাখাট সমষ্টিৰ অন্তৰ্গত কুৰুৱাবাহী মথাউৰি মেৰামতিৰ বাবে D.R.D.A.ৰ পৰা কিমান টকা মঞ্জুৰ কৰা হৈছিল ?

(খ) উক্ত মঞ্জুৰী ধন D.R.D.A. ৰ হাতৰ পৰা বান নিয়ন্ত্ৰণ বিভাগলৈ কেতিয়া হস্তান্তৰ কৰা হৈছিল?

(গ) বান নিয়ন্ত্ৰণ বিভাগে মথাউৰি মেৰামতিৰ কাম কেতিয়াৰ পৰা হাতত লৈছিল?

(ঘ) কাৰ অৱহেলাৰ বাবে মেৰামতি কাম অসম্পূৰ্ণ হৈ ৰ'ল ?

(ঙ) এই সম্পৰ্কত তদন্ত লোৱাৰ ব্যৱস্থা মাননীয় মন্ত্ৰী মহোদয়ে ল'বনে?

শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কুৰুৱাবাহী মথাউৰী মেৰামতিৰ বাবে D.R.D.A. ৰ পৰা নিয়ন্ত্ৰণ বিভাগে কোনো মঞ্জুৰী পোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) চলিত বছৰৰ এপ্ৰিল মাহৰ তৃতীয় স্তাহৰ পৰা মেৰামতিৰ কাম হাতত লোৱা হয়।

(ঘ) প্ৰতিকুল বতৰৰ তথা সংশ্লিষ্ট শিতানত বিত্তীয় নাটনিয়েই কামটো সম্পূৰ্ণ নোহোৱাৰ মুল কাৰণ।

(ঙ) 'ঘ' প্ৰশ্নৰ প্ৰশ্নোত্তৰৰ পৰিপ্ৰেক্ষিতত তদন্ত কৰাৰ আৱশ্যকতা অনুভৱ কৰা নাই ।

**Re: Villages covered and left out.**

Shri Bimalangshu Roy asked :

53. Will the Minister of power be pleased to state :

(a) How many villages in Silchar Constituency have been covered by electrification and how many are left out ?

(b) How many schemes have been taken up for 1997-98 ?

Shri Prafulla Kr. Mahanta (Chief Minister) replied :

(a) 35 Nos. of Villages in the Silchar Constituency have been covered by Electrification and no village has been left out.

(b) No schemes have been taken up for Silchar Constituency during 1997-98.

**Re: Election in all GPSS.**

Shri Sheikh Abdul Hamid asked :

54. Will the Minister of Co-operation be pleased to state ?

(a) Is it a fact that Govt. have issued order for holding election in all GPSS Ltd ?

(b) If so, whether election was held (as per order on Monibari GPSS Ltd. were A.R.C. Barpeta ?

(c) It not the reasons thereof ?

Shri Prafulla Kr. Mahanta (Chief Minister) replied :

(a) The election of all Co-operative Societies including GPSS are to be held annually as provided under the Statute. The State Govt. also issued instruction for ensuring the holding of AGM/Election of all Co-operative Societies including GPSS.

(b) Not held.

(c) The Ad-hoc Managing Committee of Moinbari GPSS Ltd. decided not to hold the AGM/Election of the Society for the year 1997-98 within the stipulated period i.e. 29.6.97 for the following reasons :-

1) General member were busy in cultivation of crops.

2) Lack of adequate fund in the society.

3) Dislocation of road communication in the society's area due to rain and erosion caused by river Brahmaputra.

**Re: Circle Office damaged by storm.**

Shri Sarat Barkataky, asked :

55. Will the Minister of Revenue be pleased to State :

(a) Whether it is within the knowledge of the Government that the Circle Office at Sonari was damaged due to storm.

(b) If so, when the Governement is taking intiative for repairing of the same.

Dr. Zoii Nath Sarmah (Minister of Revenue) replied :

(a) Yes.

(b) Steps have already been taken for repairs of the buildings.

**বিষয়ঃ গোৱালপাৰা চহৰৰ গড়াখহনীয়া প্ৰতিৰোধ ।**

শ্ৰীজ্যোতিষ দাসে সুধিছে ঃ

৫৬। মাননীয় বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা চহৰখন গড়াখহনীয়াৰ কৱলত পৰিছে। এই বিষয়ে মন্ত্ৰী মহোদয়ে অৱগতনে?

(খ) গড়াখহনীয়াৰ প্ৰতিৰোধৰ কিবা কাৰ্য্যকৰী ব্যৱস্থা হৈছেনে ?

(গ) গোৱালপাৰা চহৰৰ পৰা ত্ৰিশ (৩০) কিলোমিটাৰ পূৱত অৱস্থিত অনুসূচিত জাতি অধ্যুষিত বুদুৰে জয়ন্তিপুৰ গাওঁখন যে ব্ৰহ্মপুত্ৰ নদীৰ দ্বাৰা ভীষণ খহনীয়াৰ কবলত পৰিছে এই বিষয়ে মন্ত্ৰী মহোদয় অৱগতনে?

(ঘ) যদি অৱগত চৰকাৰে কিবা ব্যৱস্থা লৈছে নে ?

শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত ।

(খ) হয়, ব্যৱস্থা লোৱা হৈছে ।

(গ) হয়, অৱগত ।

(ঘ) হয় ব্যৱস্থা লৈ থকা হৈছে ।

**বিষয় ঃ গড়াখহনীয়াত ক্ষতিগ্ৰস্ত ।**

শ্ৰীপদ্ম হাজৰিকাই সুধিছে ঃ

৫৭। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চতিয়া সমষ্টিৰ অন্তৰ্গত একমাত্ৰ ডাঙৰ নদী জিয়াভৰলী নদীৰ গড়াখহনীয়াই সমষ্টিটোৰ প্ৰায় ২০/২৫ খন গাওঁৰ লোকৰ মাটি, বাৰী, ঘৰ-দুৱাৰকে ধৰি সকলোখিনি বছৰি বছৰি নষ্ট কৰি আহিছে। চৰকাৰ অৱগতনে?

(খ) এই গড়াখহনীয়াৰ প্ৰতিৰোধ ব্যৱস্থাৰ বাবে চৰকাৰে সদনত কেবাবাৰো আশ্বাস দিছিল। সেই মতে কাৰ্য্যকৰী ব্যৱস্থা এইটো বিত্তীয় বছৰত ল'বনে?

শ্ৰীপ্ৰমোদ গগৈ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) প্ৰয়োজনীয় ব্যৱস্থা হাতত লোৱা হৈছে।

**বিষয় ঃ মাটি আবণ্টন।**

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ

৫৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ক্ষুদ্ৰ চাহ খেতিৰ বাবে মাটি আৱণ্টন দিয়াৰ ক্ষেত্ৰত চৰকাৰৰ ভূমি নীতি আছেনে?

(খ) যদি আছে, কি কি চৰ্ত্তত ক্ষুদ্ৰ চাহ খেতিৰ বাবে মাটি আৱণ্টন দিয়া হয়?

ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) আছে।

(খ) চৰকাৰৰ ভূমিনীতি ১৯৮১ চনৰ ৫.২ ধাৰাত চৰ্ত্তসমূহ সন্নিৱিষ্ট কৰা আছে।

**বিষয় ঃ আশ্ৰয় শিবিৰত মৃত্যু।**

শ্ৰীশুকুৰ আলীয়ে সুধিছে ঃ

৫৯। মাননীয় সাহাৰ্য্য আৰু পুনঃ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কোকৰাঝাৰ আৰু বঙ্গাইগাওঁ জিলাত আশ্ৰয় শিবিৰত কিমান মানুহ আছে?

(খ) আশ্ৰয় শিবিৰত থকা কিমানজন মানুহৰ এতিয়ালৈকে মৃত্যু হৈছে? (তালিকা দাখিল কৰিব)।

(গ) আশ্ৰয় শিবিৰত কি কাৰণত মানুহৰ মৃত্যু হৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কোকৰাঝাৰ জিলাত ৯৮,৫৫৫ জন আৰু বঙ্গাইগাওঁ জিলাত ৪,৬৩৮ জন মানুহ আছে।

(খ) আশ্ৰয় শিবিৰত থকা কোকৰাঝাৰ জিলাত ৪৬৮ জন আৰু বঙ্গাইগাওঁ জিলাত ১৫জন মানুহৰ মৃত্যু হৈছে। (তালিকা ইয়াৰ লগত অনুচ্ছেদ 'ক'ত দিয়া হ'ল)।

(See the Annexure - III)

(গ) মৃত্যু প্ৰধানতঃ ডায়েৰীয়া (পেটচলা) জ্বৰ আৰু বাৰ্দ্ধক্য জনিত কাৰণত হৈছে।

**বিষয় ঃ চোৰাং কাঠৰ যোগান ।**

শ্ৰীসুধাংশু কুমাৰ দে চিৰকাৰে সুধিছে ঃ

৬০। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ পৰা চোৰাংভাৱে বাহিৰলৈ কাঠৰ যোগান চলি থকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) চোৰাং ভাৱে কাঠ বাহিৰলৈ নিয়াৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা হাতত ল'ব বা লৈছে?

শ্ৰীনগেন শৰ্মা (বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত ।

(খ) চোৰাংভাৱে কাঠ যাতে বাহিৰলৈ নিব নোৱাৰে তাৰ বাবে চৰকাৰে তহলদাৰী ব্যৱস্থা কটকটীয়া কৰিছে আৰু লগতে সীমান্তৰ তালাচী চকীবোৰত অহৰহ নিৰীক্ষণৰ ব্যৱস্থা ৰাখিছে।

**Re: Erosion of Brahmaputra.**

Dr. Nazrul Islam asked :

61. Will the Minister of Flood Control be pleased to State:

(a) Whether Government is aware of the fact that heavy erosion of river Brahmaputra is continuing at Bhuragaon which is in Marigaon District?

(b) If Government is aware of the fact that measure is taken to protect the area?

Shri Promode Gogoi (Minister of Flood Control) replied :

(a) Yes.

(b) Temporary preventive measures taken up during flood time to arrest erosion for protecting the area.

**Re: Implementation of Major Scheme.**

Shri Misbahul Islam Lasker asked :

62. Will the Minister of Flood Control be pleased to state :

(a) What are the major schemes to be implemented by the Flood Control Department for flood control in Assam.

(b) What is the total amount released by the Central Government for these scheme?

Shri Promode Gogoi (Minister of Flood Control) replied :

(a) The list of major schemes to be implemented by the F.C. Deptt. is enclosed. (Annexure -I) (See the Annexure - IV)

(b) Not yet released.

**Re : Relief to the flood affected people.**

Shri Sambhusing Mallah asked :

63. Will the Minister of Revenue be pleased to state:

---

* Speech not corrected

(a) What measures have been taken by the Government for relief of recent flood affected people of Assam?

(b) In Barak Valley what steps were taken by Government for relief and rehabilitation? (Give details district wise).

Dr. Zoii Nath Sarma (Minister, Revenue) replied :

(a & b ) During the year 1997-98 an amount of Rs. 1,24,30,000 (Rupees One crore Twenty four lakhs thirty thousand) has been sanctioned and 200 MT of flood account rice has been allotted to Deputy Commissioners/ Sub-Divisional Officers (c) for providing Gratuitous Relief to the flood affected people of Assam including Barak Valley.

A District wise list showing the quantum of relief provided among the flood affected people is enclosed herewith. (See Annexure - VI)

**বিষয় ঃ ভূমি সংৰক্ষণ বিভাগৰ আঁচনি ।**

শ্ৰী হেমন্ত কলিতাই সুধিছে ঃ

৬৪। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ভূমি সংৰক্ষণ বিভাগে তিতাবৰ সমষ্টিত কেনে আঁচনি গ্ৰহণ কৰিছে জনাবনে ?

(খ) অসম নাগালেণ্ড সীমান্তৰ বেকাজান আৰু ৰাইদাং জুৰি অঞ্চলত উক্ত বিভাগে আঁচনি গ্ৰহণ কৰিব পাৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) তিতাবৰ সমষ্টিত ভূমি সংৰক্ষণ বিভাগে ১৯৮৫ চনৰ পৰা নানান ধৰণৰ ভূমি উন্নয়ন আঁচনি ৰূপায়ণ কৰি আহিছে। উন্নয়ন আঁচনি সমূহ তলত উল্লেখ কৰা হ'ল ।

| | | | |
|---|---|---|---|
| (১) | টিপমিয়া ভূমি উন্নয়ন আঁচনি | - | ১৯৮৫-৮৬ |
| (২) | চেবেলিজান ভূমি উন্নয়ন আঁচনি | - | ১৯৮৬-৮৭ |
| (৩) | বেকাজান কৃষি বান্ধ ভূমি উন্নয়ন আঁচনি | - | ১৯৮৭-৮৮ |
| (৪) | বেকাজান নলা বান্ধ ভূমি উন্নয়ন আঁচনি | - | ১০৯০-৯১ |

(৫) বৰপাটি টিপমিয়া ভূমি উন্নয়ন আঁচনি - ১৯৯২-৯৩

(৬) পানজান ভূমি উন্নয়ন আঁচনি - ১৯৯৪-৯৫

ইয়াৰ উপৰিও ১৯৯৩-৯৪ চনত সংসদ উন্নয়ন পুঁজিৰ অধীনত বৰহোলা ইকৰাণী ভূমি উন্নয়ন আঁচনি ৰূপায়ণ কৰা হয়।

(খ) হয়। পুঁজি সাপেক্ষে বিবেচনা কৰিব পাৰি।

**Re: Ceiling Surplus Land.**

**Sri Sukhendu Shekhar Dutta asked :**

65. Will the Minister of Revenue be pleased to state:

(a) Which category/class of people are entitled to get C.S./Khas land?

(b) How much such land is allotted to an individual?

(c) Who is the competent authority to certify a person as landless?

(d) Who recommends the allotment of C/S/Khas land?

(e) Have the Government found any deviation of the rules in the proposals submitted by Circle officer of Patharkandi in the district of Karimganj in his last/recent proposals?

Dr. Zoii Nath Sarma (Revenue Minister) replied :

(a) In rural areas cultivator family who has no land either as tenant or as owner or a cultivator family who has upto 3 (three) bighas of land as tenant or owner or both and has no means of livelihood other than cultivation is entitled to get allotment/settlement of ceiling surplus or Govt. Khas land.

In Municipal and Revenue towns an indigenous person, who has no land in his name or in the name of any member of his family either in town or in rural areas or have land in rural areas but not in towns and who has been staying in Urban areas with his families for last 15 years with or without occupation of Govt. Khas or ceiling surplus and is entitled to get settlement of ceiling surplus or khas land.

(b) In all, 8 bighas of land in rural areas, i.e. 7 bighas for agricultural

---

* Speech not corrected

purposes and one bigha for homestead purposes. A person who holds land less that 8 bighas in his name or in the name of his family, shall be eligible to get only so much of land as shall together with his existing holding shall not exceed 8 bighas.

In Municipal or revenue towns, 2 kathas (5.50 are) and in greater Guwahati, 1K-10Ls.(4.00 are) of ceiling surplus or Govt. khas land can be settled. No land is settled for agricultural purposes in Municipal towns.

(c) Deputy Commissioner of a district.

(d) Deputy Commissioner with the aid and advice of Sub-Divisional Land Advisory Committees and Special Land Advisory Committee in case of land under greater Guwahati.

(e) No proposals for allotment/settlement have been received recently from Karimganj district. As such finding of any deviation of the rules does not arise.

**বিষয় ঃ পানবাৰী ছাগলী আৰু ভেৰা ফাৰ্ম।**

শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ

৬৬। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ পানবাৰী ছাগলী আৰু ভেৰা ফাৰ্মত চলি থকা নানা দুৰ্নীতিৰ বিষয়ে চৰকাৰ অৱগত বুলি বিধান সভাৰ মজিয়াত ৮-৪-৯৭ ইংত জনাইছিল নেকি আৰু বিষয়টো তদন্তাধীন বুলি কোৱা সঁচা নে?

(খ) যদি সঁচা, তেন্তে উক্ত তদন্তৰ কাম শেষ হ'বনে? নাইবা এই তদন্তৰ বাবে আৰু কিমান দিন লাগিব?

(গ) তদন্তৰ কাম যদি শেষ হৈছে কি বিহীত ব্যৱস্থা লোৱা হৈছে? নাইবা কি বিহীত ব্যৱস্থা লোৱা হ'ব?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (পশুপালন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়। অনুসন্ধান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জনোৱা হৈছিল।

(খ) তদন্তৰ কাম ইতিমধ্যে শেষ হৈছে।

(গ) এই সন্দৰ্ভত দোষী সাব্যস্ত হ'লে বিধি অনুসৰি ফাৰ্ম পৰিচালকজনৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা শীঘ্ৰে লোৱা হ'ব।

* Speech not corrected

**Re: Scheme for protection of Dainigaon.**

Shri Hitendra Nath Goswami asked :

67. Will the Minister of Flood Control be pleased to state :

(a) Is it a fact that Secretary, Planning Commission vide letter No. 12 (1)/3/95-I & CAD dated 7.2.96 has directed State Government to execute the scheme namely protection of Dainigaon & its adjoining areas (Hatisal & Neemati) against the erosion of River Brahmaputra costing Rs. 31.89 crores under State Plan within March, 1988. If it is so, how much progress has been made (Perecentage wise), what is total amount so far allotted and actual amount released out of this allotment?

(b) Since the State Plan allocation is limited whether the State Govt. has requested the Centre to include the scheme under C.L.A. for the remaining amount. If so, please furnish a copy of the letter?

(c) What happens to the promise visit of the Minister incharge to the aforesaid area alongwith the local M.L.A. which the former has committed during April, 1997.

Sri Promode Gogoi (Minister, Flood Control) replied :

(a) Yes.

The percentage of progress is furnished in Annexure-I. Rs.1.00 crore was granted as additional Central Assistance for 1995-96 by the Planning Commission. But the same amount was kept under Revenue deposit by the State Govt. in March, 1996.

Out of this an amount of Rs. 45.00 Lakh has so far been released.

**(See the Annexure - VI)**

(b) Inclusion of the scheme in C.L.A. (Now Grant-in-Aid) depends on release and full utilisation of fund under State Plan, now lying under Revenue Deposit.

(c) The promise stands.

বিষয় ঃ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ গড়াখহনীয়া ।

শ্ৰীভূপেন্দ্ৰ নাথ ভূঞাই সুধিছে ঃ

৬৮। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ গড়াখহনীয়াৰ স্থায়ী প্ৰতিৰোধৰ বাবে কিবা আঁচনি প্ৰস্তুত কৰা হৈছে নে?

(খ) যদি কৰা হৈছে, তেন্তে প্ৰতিৰোধৰ কাম কেতিয়াৰ পৰা আৰম্ভ কৰিব জনাবনে?

শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ গড়াখহনীয়াৰ স্থায়ী প্ৰতিৰোধৰ বাবে সদ্যহতে কোনো আঁচনি প্ৰস্তুত কৰা হোৱা নাই।

(খ) 'ক' প্ৰশ্নৰ উত্তৰ সাপেক্ষে প্ৰশ্ন নুঠে।

**Re: Construction works.**

Shri Abu Saleh Najmuddin, asked:

69. Will the Cheif Minister be pleased to State :

(a) Is it a fact that Government have approved the Estimate etc. of the District Judge Court Building of Karimganj District?

(b) When the construction works of District Judge Courts will be started?

Shri Prafulla Kumar Mahanta (Chief Minister) replied:

(a) No.

(b) Does not arise.

বিষয় ঃ কাৰাগাৰৰ সংখ্যা।

শ্ৰী ওৱাজেদ আলি চৌধুৰীয়ে সুধিছে ঃ

৭০। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মহকুমা ভিত্তিত ৰাজ্যখনত মুঠ কিমান কাৰাগাৰ আছে?

(খ) নতুনকৈ স্থাপন কৰা কিমানটো মহকুমাত কাৰাগাৰ নিৰ্মাণ কৰা হৈছে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনৰ মুঠ ৪৮ টা মহকুমাৰ ভিতৰত ২৪ টা মহকুমাত মুঠ ২৬ খন কাৰগাৰ আছে। (তালিকা 'ক' সংলগ্ন) (See the Annexure - VII)

(খ) নতুনকৈ স্থাপন কৰা মুঠ ২৯ টা মহকুমাৰ ভিতৰত ৫টা মহকুমাত কাৰাগাৰ নির্মিত তথা স্থাপিত হৈছে, আৰু আন ৬টা মহকুমাত নির্মীয়মান অৱস্থাত আছে। (তালিকা 'খ' সংলগ্ন)

**(See the Annexure - VIII)**

**বিষয় ঃ বান নিয়ন্ত্ৰণ বিভাগলৈ দিয়া টকা।**

শ্ৰীগুকুৰ আলিয়ে সুধিছে ঃ

৭১। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰা ৫০০ কোটি টকাৰ মুঠ কিমান কোটি টকা বান নিয়ন্ত্ৰণ বিভাগক এতিয়ালৈকে মোকলাই দিছে?

(খ) মোকলাই দিয়া টকাখিনি কি কি আঁচনিৰ বিপৰীতে আৱণ্টন দিয়া হৈছে?

শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) এতিয়ালৈকে কোনো টকা মোকলাই দিয়া নাই।

(খ) প্ৰশ্ন নুঠে।

**বিষয় ঃ জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্ম্মাণ ।**

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ

৭২। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ আঁচনিৰ নিৰ্ম্মাণ বৰ্তমান কি পৰ্য্যায়ত আছে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণ কাৰ্য্য ১৯৯৫ চনৰ মে' মাহৰ পৰা বন্ধ হৈ আছে। নিৰ্ম্মাণ কাৰ্য্য বন্ধ হৈ থকাৰ মূল কাৰণ লাংপি জলবিদ্যুৎ প্ৰকল্পটো ইং ২৫-৩-৯৩ তাৰিখে অসম চৰকাৰ, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আৰু সুভাষ প্ৰজেক্ট এণ্ড মাৰ্কেটিং লিমিটেডৰ মাজত হোৱা বুজা বুজিৰ চুক্তি (MoU) মৰ্মে ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰা হৈছিল যদিও উক্ত প্ৰকল্পৰ কাম সন্তোষজনক নোহোৱাৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰে ৩০-১১-৯৬ তাৰিখে ভাৰত হাইড্ৰ পাৱাৰ কৰ্পোৰেশ্বন লিমিটেড (সুভাষ প্ৰজেক্ট এণ্ড মাৰ্কেটিং লিমিটেড প্ৰকল্প নিৰ্মাণৰ বাবে খুলি লোৱা কোম্পানী) অধিগ্ৰহণ আৰু হস্তান্তৰ (Acquisition and Transfer of Undertaking) অধিসূচনা বলবৎ কৰে। উক্ত অধিসূচনাৰ জৰিয়তে উক্ত প্ৰকল্প অধিগ্ৰহণ কৰি বিদ্যুৎ পৰিষদক ১-১২-৯৬ তাৰিখে হস্তান্তৰ কৰে। Assam Act. No. 1 of 1997 যোগে উক্ত অধিসূচনা বিধিত (Act.) পৰিণত কৰা হয়।

উক্ত ব্যক্তিগত কোম্পানীয়ে উপৰোক্ত অধিসূচনা আৰু বিধিৰ সাংবিধানিক বৈধতাৰ প্ৰত্যাহ্বান জনাই মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰীট আবেদন (Writ petition) দাখিল কৰে। উক্ত আবেদনৰ শুনানীৰ শেষত যোৱা ইং ১৯-৭-৯৭ তাৰিখে মাননীয় উচ্চ ন্যায়ালয়ৰ একক ন্যায়ালয়ে (Single Judge) উক্ত বিধিৰ নাকচ ক্ৰমে উক্ত ৰীট আবেদন মঞ্জুৰ কৰে।

উক্ত একক ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে অসম চৰকাৰ তথা বিদ্যুৎ পৰিষদে পৃথক পৃথক ৰীট আপীল খণ্ড ন্যায়ালয়ত (Division Bench) ইতিমধ্যে দাখিল কৰিছে। মাননীয় খণ্ড ন্যায়ালয়ে উক্ত ৰীট আপীল উভয় পক্ষৰ পৰা শুনাৰ পিছত ইং ১৪-৮-৯৭ তাৰিখে গ্ৰহণ কৰে আৰু চূড়ান্ত সিদ্ধান্ত নোহোৱালৈকে একক ন্যায়ালয়ৰ ইং ১৯-৭-৯৭ তাৰিখৰ হুকুমৰ কাৰ্য্যকাৰিতা, স্থগিত ৰখাৰ আদেশ দিয়ে।

## Re : Stone Spur of Dhubri

Shri Nazibul Umar asked :

73. Will the Minister of Flood Control be pleased to state:

(a) Are Government aware that stone spur No.3 and 7 of Dhubri Town Protection structure are in extremely vulnerable condition?

(b) What steps Flood Control Department has taken to recoupe the damaged spurs?

(c) Please furnish the total allocation of F.D.R. for the year 1997-98.

Shri Promode Gogoi (Minister, Flood Control) replied :

(a) Yes.

(b) For recoupment of damages, Govt. has formulated schemes under different heads of account as detailed below :-

For stone spur No. 3 :
(i) Estimate for Rs. 78.69 Lakhs under 4711 State Plan.
(ii) Estimate for Rs. 22.62 Lakhs under 2245- Relief

For stonespur No. 7
(i) Memo for Rs. 60.00 lakhs under 4711 State Plan.
(ii) Estimate for Rs. 12.22 Lakhs under 2245-Relief.

(c) No fund has yet been allocated under 2245-Relief head of Account for the year 1997-98.

বিষয় ঃ গড়াখহনীয়া প্ৰতিৰোধ ।

শ্ৰীমতী প্ৰণতী ফুকনে সুধিছে ঃ

৭৪। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাচনী মৌজাৰ বুঢ়ী দিহিং নদীৰ উৰিয়ামগুৰি গড়াখহনীয়া প্ৰতিৰোধ আঁচনিৰ বাবে মুঠ কিমান টকা আৱন্টন দিয়া হৈছে?

(খ) উক্ত আঁচনিৰ মুঠ কিমান ভাগ কাম এতিয়ালৈকে সম্পূৰ্ণ হৈছে?

শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) চাচনী মৌজাৰ বুঢ়ী দিহিং নদীৰ উৰিয়ামগুৰি গড়াখহনীয়া প্ৰতিৰোধৰ বাবে বৰ্তমানলৈকে ১,৬৩,০০,০০০·০০ (এক কোটি তেষষ্ঠি লাখ) টকা মোকলাই দিয়া হৈছে।

(খ) উক্ত আঁচনিৰ ৮০ শতাংশ (আশী শতাংশ) কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে।

**Re : Reorganisation of Mauza System.**

Shri Silvius Condpan asked :

75. Will the Minister of Revenue be pleased to state :

(a) Whether Government is proposing to re-organise the present Mauza System?

Dr. Joii Nath Sarma (Minister of Revenue) replied :

(a) Yes.

বিষয় ঃ বিদ্যুৎৰ যোগান ব্যাহত।

শ্ৰীমোহন দাসে সুধিছে ঃ

৭৬। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পাটাছাৰকুছি বিধান সভা সমষ্টিৰ অন্তৰ্গত পাঠশালা আৰু টিহু চহৰত সঘনে বিদ্যুৎ যোগান ব্যাহত হৈ থকা সম্পৰ্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, এই বছৰটোত পাঠশালা আৰু টিহু চহৰত কিমানবাৰ বিদ্যুৎ যোগান ব্যাহত হ'ল আৰু ইয়াৰ পৰিমাণ কিমান ঘণ্টাৰ লোড শ্বেডিং চৰকাৰে জনাবনে?

(গ) বিদ্যুৎ যোগান নিয়াৰিকৈ চলাই থাকিবৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে বিশদ ভাবে জনাবনে ?

শ্ৰীপ্ৰফুল্ল মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত ।

(খ) চলিত বছৰৰ ১-১-৯৭ তাৰিখৰ পৰা ৩১-৭-৯৭ তাৰিখলৈকে পাঠশালা আৰু টিহু চহৰত বিদ্যুৎ ব্যাহত হোৱাৰ পৰিমাণ আৰু সময় এনে ধৰণৰ ঃ-

| | | পাঠশালা চহৰত | সময় | টিহুচহৰত | সময় |
|---|---|---|---|---|---|
| ১) | লাইনৰ বিজুতি আৰু মেৰামতিৰ বাবে | ৬২ বাৰ | ১১৮ঘঃ ৫৩মিঃ | ৪১৯ বাৰ | ৪১৯ঘঃ ২৩মিঃ |
| ২) | লোড শ্বেডিঙৰ বাবে | ১০৪ বাৰ | ১০১ঘঃ ৫৬মিঃ | ৩০৪ বাৰ | ৪০৫ঘঃ৩৪ মিঃ |
| | মুঠ | ১৬৬ বাৰ | ২২০ঘঃ৪৯মিঃ | ৮০০ বাৰ | ৮২৪ঘঃ৫৭মিঃ |

(গ) টিহু অঞ্চলত বিদ্যুৎ যোগান উন্নতিকৰণৰ বাবে পাঠশালাৰ পৰা নাথকুছিলৈ ৩৩ কিঃভঃ লাইনৰ সম্প্ৰসাৰণ ব্যৱস্থা কৰা হৈছে। এই লাইনটো সম্পূৰ্ণ হ'লে বিদ্যুৎ বিজুতিৰ পৰিমাণ যথেষ্ট পৰিমাণে হ্ৰাস পাব।

**বিষয়ঃ পানপুৰ বনাঞ্চল।**

শ্ৰীপদ্ম হাজৰিকাই সুধিছে ঃ

৭৭। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বন আইন ১৮৯১ অনুসৰি শোণিতপুৰ জিলাৰ পানপুৰ বনাঞ্চলক কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান হিচাপে অন্তৰ্ভূক্ত কৰা হৈছে নেকি?

(খ) পানপুৰ বনাঞ্চলৰ আশে পাশে বাস কৰি থকা স্থায়ী বাসিন্দা সকলৰ নিৰাপত্তাৰ কিবা ব্যৱস্থা ল'বনে?

শ্ৰীনগেন শৰ্মা (বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) পানপুৰ বনাঞ্চলক কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ লগত সংযোজন কৰাৰ উদ্দেশ্যে প্ৰাথমিক অধিসূচনাহে জাৰি কৰা হৈছে।

(খ) হয়, লোৱা হ'ব।

Re: Veterinary Dispensary at Pin Nagar.

Shri Abdul Muqtadir Choudhury, asked :

78. Will the Minister of Veterinary be pleased to state :

(a) Whether Veterinary Dispensary at Pin Nagar within Karimganj District was sanctioned in the year 1987-88 and the construction work of the Dispensary building and other staff quarters were completed in the year 1990-91?

(b) If so, whether any post of V.A.S., V.F.A. and Grade-IV have been sanctioned as yet to run the dispensary ?

(c) Is it also a fact that by this time a part of the building has already been damaged by cyclone and need immediate repair ?

Shri Surendra Nath Medhi (Minister of Animal husbandry and Veterinary) replied :

(a) Yes. Construction was completed only in 1994-95.

(b) No.

(c) The building was damaged by flood and not by cyclone. Repairing work will be taken up immediately on receipt of fund for flood damage repair.

বিষয় ঃ ধুমুহা আৰু অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত।

শ্ৰীমুনিন মহন্তই সুধিছে ঃ

৭৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা সময় ছোৱাত মৰিগাওঁ জিলাত ধুমুহাত কেইবাখনো স্কুল আৰু মানুহৰ ঘৰ-দুৱাৰ ভঙা সম্পৰ্কে আৰু মৰিগাওঁ দৈনিক বজাৰত (২) বজাৰ আৰু স্কুল অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত হোৱা সম্পৰ্কে চৰকাৰ অৱগত নে ?

(খ) যদি অৱগত কিমানখন স্কুল ক্ষতিগ্ৰস্ত হৈছে, দৈনিক বজাৰৰ অগ্নিকাণ্ড আৰু স্কুল আৰু সংলগ্ন দোকান ভস্মীভূত হৈ ক্ষতিগ্ৰস্ত হৈছে, তাৰ হিচাব জনাবনে? (সকলো ধুমুহাত আৰু অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত হোৱা স্কুল, নামঘৰ, বজাৰৰ দোকানী সমূহৰ নাম, ক্ষতিগ্ৰস্ত হোৱা সম্পত্তিৰ মুঠ পৰিমাণ সদনৰ মেজত দিব)

(গ) বৰ্তমান ক্ষতিগ্ৰস্ত হোৱা লোক সকলক ক্ষতিপূৰণ সহ সাহাৰ্য্য দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

(ঘ) যোৱা বিধান সভাত উত্থাপিত ধুমুহাত ক্ষতিগ্ৰস্ত লোক সকলক সাহাৰ্য্য দিয়াৰ বাবে সদনত দিয়া প্ৰতিশ্ৰুতি মতে বৰ্তমানেও আদায় নিদিয়া, সাহাৰ্য্য দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১। যোৱা ১৯৯৬ চনত মৰিগাওঁ জিলাত কোনো স্কুল আৰু মানুহৰ ঘৰ ক্ষতি হোৱা নাই। কিন্তু ১৯৯৭ চনত কেইবাখনো স্কুল আৰু মানুহৰ ঘৰ ধুমুহাত ক্ষতি হয়।

২। মৰিগাওঁ জিলাৰ দৈনিক বজাৰখন অগ্নিকাণ্ডত আংশিক ভাবে ক্ষতিগ্ৰস্ত হোৱা সম্পৰ্কে চৰকাৰ জ্ঞাত । কিন্তু কোনো স্কুল ঘৰ ক্ষতিগ্ৰস্ত হোৱাৰ বাতৰি এতিয়ালৈকে পোৱা নাই।

(খ) হয়। ১৯৯৭ চনত মৰিগাওঁ জিলাত ধুমুহা আৰু অগ্নিকাণ্ডত ক্ষতি হোৱা বিতং তথ্য সংলগ্ন কৰা হ'ল। (See the Annexure IX)

(গ) ক্ষতিপূৰণ বা সাহাৰ্য্য দিয়াৰ দিয়াৰ প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(ঘ) ক্ষতিগ্ৰস্ত লোক সকলক সাহাৰ্য্য দিয়াৰ প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে।

**Re : Ban of Wood, Sand etc.**

Shri Sambhusing Mallah asked :

80. Will the Minister of Forest be pleased to state :-

(a) Is the Government aware about the fact that the rural developmental works through Development Blocks are fully hampered due to non avilability of wood, sand cheaps etc. by the Departmental ban ?

(b) Will the Government consider this matter to lift the ban for the greater interest of rural people ?

Shri Nagen Sarma (Minister, Forest) replied :

(a) Yes, the ban has been imposed as per the Hon'le Supreme Court's order dated 12.12.96 in WP(C) No. 202/95 and WP (C) No. 171/96.

(b) The ban will be lifted as and when the Hon'ble Supreme Court lifts it.

**Re : Supply of Timbers, Sands etc.**

Shri Abu Saleh Najmuddin asked :

81. Will the Minister of Forest be pleased to State :

(a) Wether Government have taken steps to supply the timbers, Gravels, Sands etc. for Government construction?

(b) If yes, then how the Timbers will be supplied to different Public Works Department of Government in each district ?

Shri Nagen Sarma (Minister, Forest) replied;

(a) No.

(b) Does not arise.

**Re : Budgetary Provision For Flood Control Situation.**

Shri Silvius Condpan asked :

82. Will the Minister of Flood Control be pleased to State :

(a) What is the total Budgetary Provision for meeting the flood situation during 1997-98.

(b) What are the schemes the department has taken to meet the flood situation ? (District wise break-up may kindly be submitted).

Shri Promode Gogoi (Minister, Flood Control) replied :

(a) Rs. 591.02 Lakhs.

(b) Maintenance of Embankment, Sluice, Drainage Channel including flood fighting works to the extent possible within Budgetary provision.

Divisionwise allocation of fund enclosed as per Annexure -I.

(See the Annexure - X )

**Re : Electriflcation of Villages.**

Shri Sambhu Sing Mallah asked.

83. Will the Minister of power be pleased to state :

(a) Which villages are under Karimganj district taken up for Electrification in this year ?

(b) Under Dullavcherra Electric Sub-Division how many villages Electrified ? (Name the Villages).

(c) Will the Government propose for Electrification of the following Villages :

1. Singlacherra.
2. Bobali.
3. Kalamagura.
4. Srirampur.
5. Sakalpur.
6. Rongkhal.

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

(a) The following 10 (ten) villages are selected for electrification during 1997-98. Work will be taken up subject to availability of fund.

1) Tikorpara
2) Neherpur
3) Jumbasti -VII
4) Alakalipur
5) Borbari
6) Singlachera
7) Aurangabad
8) Singeri Pt-II
9) Maizgram Pt-III
10) Chipacherra.

(b) 158 nos. of villages have been electrified under Dullavchera Electrical Sub-Division. List enclosed. (Annex- 'A').

(See the Annexure - XI)

(c) Singlachera and Borbari have taken for intensification during 1997-98.

Kalamagura and Rongkhal are non-census villages, Sri Rampur, though electrified, needs intensification. Sakalpur is not yet proposed for electrification.

Mr. Speaker : I have received only two Zero Hour Notices today from the Hon' Members :

(1) 1. Shri Bharat Chandra Narah
2. Shri Bhimananda Tanti
3. Shri Ismail Hussain

4. Shri Dr. Nazrul Islam

(2) 5. Shri Hitendra Nath Goswami.

As per rules, I have selected both the notices for raising before the House today.

I now, call upon the Hon'ble Members Shri Bharat Chandra Narah and 5 others to raise their Zero Hour motion regarding "সাংবাদিক প্ৰকাশ মহন্তক গ্ৰেপ্তাৰ"।

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আজি শূন্যকাল চোৱাত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো । অসম গণ পৰিষদ নেতৃত্বাধীন এই মৰ্চা চৰকাৰখন ক্ষমতালৈ অহাৰ পিছৰে পৰা আমি লক্ষ্য কৰিছো যে সাংবাদিক সকলে বাতৰি কাকতত বাতৰি পৰিৱেশন কৰাৰ কাৰণে তেওঁলোকৰ এটা বাক স্বাধীনতা আছে আৰু সেইটো অধিকাৰ সংবিধানে তেওঁলোকক দিছে। বাতৰি কাকতত যেতিয়া এজন মন্ত্ৰী বা এই চৰকাৰক সমালোচনা কৰি বাতৰি পৰিৱেশন কৰে তেতিয়া মাননীয় মুখ্যমন্ত্ৰী আৰু অন্যান্য মন্ত্ৰী সকল উত্তেজিত হৈ পৰে। আমি বিশেষকৈ লক্ষ্য কৰিছো যে নগাওঁ জিলাত যি সকল সাংবাদিক আছে সেই সকলৰ বিৰুদ্ধে কঠোৰ দৃষ্টিভংগী গ্ৰহণ কৰিছে। উদাহৰণ স্বৰূপে নগাওঁৰ পৰা প্ৰকাশ মহন্তই চৰকাৰক সমালোচনা কৰি বাতৰি প্ৰকাশ কৰাৰ কাৰণে মিছা আৰু ভিত্তিহীন অভিযোগত গ্ৰেপ্তাৰ কৰি তেওঁলোকৰ বাক-স্বাধীনতা ৰুদ্ধ কৰিছে। তাৰ বাহিৰেও সাংবাদিক আৰু 'মাছৰ' নেতা লাচিত বৰদলৈক ভিত্তিহীন অভিযোগত গ্ৰেপ্তাৰ কৰিছে। মই আগতেও কৈছো যে আমাৰ দেশখন হৈছে এখন গণতান্ত্ৰিক দেশ। ইয়াত গণতান্ত্ৰিক বাক স্বাধীনতা অসম চৰকাৰে মানিব লাগিব। আপোনালোকে মানুহৰ পৰা প্ৰশংসাও পাব লাগিব আৰু গৰিহণাও পাব লাগিব। সকলো সাংবাদিকেই প্ৰশংসা কৰি লিখিব সেইটো আশা কৰাটো উচিত নহয়। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিহেতু নগাওঁ জিলাৰ পৰাই বিধায়ক হিচাপে আহি গোটেই অসমক প্ৰতিনিধিত্ব কৰিছে গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদেয়ে কি কাৰণে সাংবাদিক প্ৰকাশ মহন্তক গ্ৰেপ্তাৰ কৰিছে সেইটো জনাব লাগে। সমালোচনা কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰিলে নে চৰকাৰে ৰাইজৰ পৰা সমৰ্থন আদায় কৰিব নোৱাৰাৰ কাৰণে কৰিলে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টীকৰণ বিচাৰিছো। ইয়াৰ আগতেও চৰকাৰে দৈনিক অগ্ৰদূতৰ এজন সাংবাদিকক গ্ৰেপ্তাৰ কৰিছিল। গ্ৰেপ্তাৰ কৰাৰ সময়ত এইটো কোৱা হৈছিল যে পিস্তল পাইছিল। কিন্তু পিস্তলৰ গুলি নাপাই এ.কে ৰাইফল্‌চৰ গুলি পাইছিল বুলি কৈছিল। পুলিছে সেই বিলাক অভিযোগ আনিছিল। কিন্তু সেইসকলো বিলাক অভিযোগ অনাৰ পিছতো সেই অভিযোগৰ কোনো গুৰুত্ব নথকাৰ কাৰণে কোৰ্টে তেওঁক মুক্তি দিলে। অগ্ৰদূত কাকতৰ সম্পাদক কনকসেন ডেকাকো গ্ৰেপ্তাৰ কৰা চেষ্টা চলোৱা হৈছিল। কিন্তু তেওঁ আদালতত গৈ জামিন লবলগীয়া হ'ল। মাননীয় মুখ্যমন্ত্ৰী শ্ৰীমহন্ত ডাঙৰীয়াইও এটা সময়ত ছবছৰীয়া অসম আন্দোলনৰ

* Speech not corrected

নেতা আছিল। তেখেতে তেতিয়া ইয়াতকৈও ১০ গুণ বেছি চৰকাৰক সমালোচনা কৰিছিল। সেই কাৰণে আছু, বিৰোধী দলৰ নেতা বা সাংবাদিক হ'লেও সমালোচনা কৰিবই। সমালোচনা নকৰিলে গণতন্ত্ৰই নেথাকে আৰু ভুল-ত্ৰুটি বিলাক ধৰা নপৰে। সমালোচনা কৰিলে শাসক দলৰ লাভ হয় কাৰণ তেতিয়া ভুল-ত্ৰুটি বিলাক ধৰা পৰে । আগতে ইয়াত গ্ৰেপ্তাৰ কৰিছিল। এতিয়া ইয়াৰ পৰা নগাওঁলৈ চিফ্‌ট কৰা হৈছে। আমি আশংকা কৰিছো যে সাংবাদিক সকলক আকৌ গ্ৰেপ্তাৰ কৰিব। গতিকে প্ৰকাশ মহন্ত আৰু লাচিত বৰদলৈক কি কাৰণে গ্ৰেপ্তাৰ কৰিলে সেইটো জনাব লাগে আৰু গ্ৰেপ্তাৰ কৰাটো অতি শীঘ্ৰে বন্ধ কৰিব লাগে।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি প্ৰশ্নৰ উত্থাপন কৰিছে সেই সম্পৰ্কত মই এটা কথাই ক'ব বিচাৰিছো যে চৰকাৰে বিনা দোষত বা বিনা কাৰণত সাংবাদিকেই হওঁক অন্য কোনোবা মানুহেই হওঁক কোনো মানুহৰ ওপৰতেই ব্যৱস্থা নলয়। কিন্তু আমি সকলোৱে এই কথাটো জনা উচিত যে কোনো লোকেই আইনৰ উৰ্দ্ধত হ'ব নোৱাৰে। আজি মই এই ক্ষেত্ৰত এটা কথা ক'ব বিচাৰিছো যে মই সদনলৈ অহাৰ পিছতহে শূন্য ঘণ্টাত এনেকুৱা নটিচ আছে বুলি গম পাইছো। ইতিমধ্যে মই এই বিষয়ে খবৰ লৈছো। শ্ৰীপ্ৰকাশ মহন্ত আৰু লাচিত বৰদলৈক যোৱা ১৪।৮।৯৭ আৰু ১৮।৮।৯৭ তাৰিখে গ্ৰেপ্তাৰ কৰা হৈছে। এই দুয়োজন লোকেই বিচ্ছিন্নতাবাদী শক্তিৰ লগত জড়িত হৈ পৰাৰ প্ৰমাণ পোৱা হৈছে। গতিকে এই ক্ষেত্ৰত মাননীয় সদস্য গৰাকীয়ে ভিত্তিহীন আৰু মিছা অভিযোগ বুলি কিয় ক'লে সেইটো চাবলগীয়া বিষয়। তেওঁলোকে এখন লিফ্‌ট লেট যোগে স্বৰ্ণজয়ন্তী বৰ্ষৰ স্বাধীনতাৰ উৎসৱ পালন কৰাৰ কাৰ্যক সুবিধাবাদী সকলৰ দ্বাৰাহে পালন কৰা বুলি প্ৰচাৰ কৰিছে। লাচিত বৰদলৈ আৰু প্ৰকাশ মহন্ত দুয়োজনকে আনলফুল এক্টিভিটিজ প্ৰিভেনচন এক্টত' গ্ৰেপ্তাৰ কৰা হৈছে। আগৰ চৰকাৰৰ দিনতো বাতৰি কাকতৰ সাংবাদিকক গ্ৰেপ্তাৰ কৰিছিল। তেওঁলোকক আৰ্মি কেম্পত নি পেলাই গ্ৰেপ্তাৰ কৰিছিল। বাতৰি কাকতৰ সম্পাদককো আগৰ চৰকাৰৰ দিনত গ্ৰেপ্তাৰ কৰা হৈছিল। তেতিয়া এই সদনতেই মাননীয় সদস্য গৰাকীয়ে চুপে-চুপে বহি আছিল। লাচিত বৰদলৈৰ বিৰুদ্ধে ইতিমধ্যে টাডা গোচৰত চাৰ্জশ্বিট দাখিল কৰা হৈছে। নগাওঁত আলফা সদস্য সকলৰ পৰা পোৱা তথ্যত এই দুয়োজন লোক উগ্ৰপন্থী সংগঠনৰ লগত জড়িত বুলি প্ৰমাণ পোৱা গৈছে। অধ্যক্ষ মহোদয়, আমাৰ এজন বিধায়কৰ ভাতৃক অপহৰণ কৰিছিল। এই ভাতৃক অপহৰণ কৰা যি সকল আলফাৰ নাম কোৱা হৈছে তাৰ পৰা তেওঁলোক বাদ পৰি নাযায়। তেখেতে যদি তেওঁলোকক চেফগাৰ্ড দিবলৈ গৈছে তেতিয়াহ'লে তেখেতে এইটো ভুল কাম কৰিছে।

---

* Speech not corrected

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্যসকল, এই সম্পৰ্কত এটা যোগ দিব বিচাৰিছো। মই অন্য ধৰণে কাৰ্য্য ব্যৱস্থাত এইটো আনিব পাৰিলোহেঁতেন কিন্তু আজি সাংবাদিক বন্ধুসকলৰ দৃষ্টি লৈ বিষয়টো আনিব খুজিছো। যোৱাকালি এখন বিশেষ বাতৰি কাকতত ১৮ তাৰিখৰ এই বিধানসভাৰ মজিয়াত ভাৰতৰ স্বৰ্ণ জয়ন্তী উপলক্ষে আয়োজিত অনুষ্ঠানত উপস্থিত থকা মুক্তি যুঁজাৰুসকলৰ সম্পৰ্কত বিকৃতভাৱে এটা বাতৰি প্ৰকাশ পোৱাৰ কাৰণে মই বিধানসভাৰ অধ্যক্ষ হিচাপে মই দুখ প্ৰকাশ কৰিছো। সেইসকল আমাৰ মুক্তি যুঁজাৰু সৈনিক আছিল। কিন্তু তেখেতসকলক আমি মুক্তি যুঁজাৰু হিচাপে আমি আক্ৰমণ কৰা নাই। তেখেতসকলক প্ৰাক্তন বিধায়ক হিচাপেহে আমি তেখেতসকলক নিজৰ আসনত আনি বহুৱাই দিয়া হৈছিল। মুক্তি যুঁজাৰু সন্মিলনৰ সভাপতি, সম্পাদকক আমি যথেষ্ট সন্মান দিছো। তেওঁলোকক প্ৰতিনিধি হিচাপে বহুৱাইছো। আৰু অন্যান্য সন্মানীয় গুণী-জ্ঞানীসকল, আমন্ত্ৰিত অতিথিসকলক যথেষ্ট সন্মান জনাইছো। তাম্ৰপত্ৰ পুৰস্কাৰপ্ৰাপ্ত আমাৰ মুক্তি যুঁজাৰু শ্ৰীসতীশ চন্দ্ৰ কাকতিক সন্মুখৰ শাৰীত বহুৱাইছো। সেই বাতৰি কাকতৰ সাংবাদিক গৰাকীয়ে মন নকৰিলে। আমি নিজেই বিধানসভাৰ কাৰ্য্য পৰিচালনাৰ বহু নীতি শিথিল কৰি সেইদিনা ফটোগ্ৰাফাৰক ফটো তুলিবলৈ সুবিধা দিছো। সাংবাদিক গৰাকীয়ে সেই সুবিধাখিনিক বিকৃতভাৱে অধিকাৰ চৰ্চা কৰিছিল। আগশাৰীত বহা প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু স্বাধীন ভাৰতৰ অসমৰ প্ৰথম গৰাকী প্ৰধানমন্ত্ৰী লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়াৰ সুযোগ্য সহধৰ্মিনী গৰাকী অধ্যক্ষ গেলেৰিত বহুৱাই ৰখাৰ ফটো নতুলিলে আৰু আমাৰ সদনক বিকৃত কৰা হৈছে। কাৰণ জনসাধাৰণৰ ওচৰত হেয় প্ৰতিপন্ন কৰিব কাৰণে প্ৰাক্তন বিধায়ক কেইগৰাকীৰ বহাতো বিকৃতভাৱে প্ৰকাশ কৰিছে। মই আমাৰ আইনৰ যিখিনি নিয়মাৱলীৰ পৰিচালনা সেই অধীনত মই ব্যৱস্থা ল'ব খোজা নাই। মই এটা অনুৰোধ জনাইছো যে তেনে মনোভাৱ এটাৰে আমাৰ প্ৰতি বায়াছ ধাৰণা লৈ যাতে সাংবাদিক বন্ধু গৰাকী তেনে কামৰ পৰা বিৰত থাকে। আমি যাতে আমাৰ হাতত থকা যিটো ক্ষমতা ব্যৱহাৰ কৰিব দিয়া নহয়।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, এটা কথা হ'ল আমাৰ গভৰ্ণৰে কৈছিল কনকসেন ডেকাক সাংবাদিক হিচাপে কৰা নাই। কোৰ্টৰ নিৰ্দেশ আছিল। ননবেইলেবুল ওৱাৰেণ্ট আছিল। কোৰ্টত হাজিৰ হ'ব লাগে। লাচিত বৰদলৈ সম্পৰ্কত মই পিছত তথ্য পাইছো। যিজনে ভুৱা পাছ পোৰ্টলৈ ভাৰতৰ বাহিৰলৈ গৈছিল। এজন এ ডি চিক ভাবুকি দি পাছপোৰ্ট আদায় কৰি বাহিৰলৈ গৈছিল। ভাৰত চৰকাৰৰ নিৰ্দেশ আছে। কোনো সাংবাদিককে অসম চৰকাৰে কোনো হাৰাছমেণ্ট নিদিয়ে কিন্তু য'ত আইন ভংগ কৰিব তাত শাস্তি পাব।

Mr. Speaker : I now call upon the Hon'ble Member Shri Hitendra Nath Goswami to rasie his Zero Hour Motion which was published in

* Speech not corrected

" Ajir Asom" under the caption "AMAR DHAN ANOK DILE".

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ আজি অসমৰ বাতৰি কাকতত অসমৰ বান নিয়ন্ত্ৰণ বিভাগৰ সম্পৰ্কত বাতৰি প্ৰকাশ পাইছে। এই বিষয়টো মই বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। সেই কাৰণে মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ক অসমৰ স্বাৰ্থ সুৰক্ষিত কৰিবৰ কাৰণে বিহিত ব্যৱস্থা ল'বলৈ অনুৰোধ কৰিছো। মাননীয় প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্ৰীএইচ ডি দেৱগোড়াই ছয় হেজাৰ একশ কোটি টকাৰ এন ই ষ্টেটৰ কাৰণে স্পেচিয়েল পেকেজ ঘোষণা কৰিছিল। ৫শ কোটি টকা নিৰ্দিষ্টভাৱে ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণৰ কাৰণে ধাৰ্য্য কৰি ৰাখিছিল। ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়া প্ৰথাউৰি আদি নিৰ্মাণ কৰিবলগীয়া আছে। সেই ক্ষেত্ৰত ব্যৱহাৰ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ টকা লাভ কৰিছে। কেন্দ্ৰীয় চৰকাৰে পৰ্য্যায় ক্ৰমে সেই টকা মুকলি কৰি দিয়ে। কেন্দ্ৰটো সংসদী সদস্য আছে।

পাঁচশ কোটি টকাৰ শতকৰা ১৫ ভাগ এন ই ষ্টেটৰ কাৰণে ধাৰ্য্য কৰিব বিচৰাত সন্মত হোৱা বুলি বাতৰি ওলাইছে। আৰু ২২৫ কোটি টকা পাগলদিয়া বান্ধৰ কাৰণে দিয়াৰ বাতৰি ওলাইছে। তেনেহ'লে পাঁচশ কোটি টকাৰ পৰা তিনিশ কোটি টকা গুচি যাব। ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণৰ কাৰণে ২শ কোটি টকাহে থাকিব। ৭৫ কোটি টকা এন ই ষ্টেটৰ কাৰণে মুকলি কৰি দিয়াৰ কাৰণে সন্মত হৈছে। বান নিয়ন্ত্ৰণৰ ৫শ কোটি টকা ছয় হেজাৰ একশ কোটি টকাৰ মাজতে আছে। এইখিনি টকা বান নিয়ন্ত্ৰণ বিভাগৰ কাৰণে আছে। অসমৰ পৰিস্থিতিৰ স্বাৰ্থত কম্প্ৰমাইজ কৰিব নালাগে। পাগলদিয়া বান্ধৰ কাৰণে বেলেগে কেন্দ্ৰৰ পৰা টকা অনাৰ ব্যৱস্থা কৰিব লাগে। এই টকাটো নৱম পৰিকল্পনাৰ পৰা আনিব লাগে।

মাজুলী, মানকাছাৰ, লাহৰিঘাট, দক্ষিণ শালমৰা আদি অঞ্চলত গড়াখহনীয়াই ব্যাপক ৰূপ ধাৰণ কৰিছে। চাৰি/পাঁচ মাহৰ ভিতৰত কোনো ব্যৱস্থা ল'ব নোৱাৰিলে ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াত এই অঞ্চল বিলাক নদীয়ে লৈ যাব। জনসাধাৰণ কষ্ট বেছি হ'ব। ইতিমধ্যে এই সম্পৰ্কত বাতৰিৰ কথা ওলাইছে। মাননীয় বান নিয়ন্ত্ৰণ ডাঙৰীয়াই কোনো কম্প্ৰমাইজ কৰিব নালাগে। পাঁচশ কোটি টকা ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণত দিছে, পইচা ল'ব লাগে। আমি এই শতকৰা ১৫ ভাগ টকা কিয় এৰি দিম। প্ৰয়োজন হ'লে আমি তাৰ প্ৰতিবাদ কৰিব লাগে। মাননীয় মুখ্যমন্ত্ৰী আৰু বান নিয়ন্ত্ৰণ মন্ত্ৰী ডাঙৰীয়াৰ এই কথাটো দৃষ্টি আকৰ্ষণ কৰিলো।

*শ্ৰীপ্ৰমোদ গগৈ (মন্ত্ৰী) ঃ মাননীয় সদস্য শ্ৰীগোস্বামী ডাঙৰীয়াই আজি অসমৰ কাকতত অসমৰ ধন আনক দিবলৈ সিদ্ধান্ত কৰা বুলি বাতৰিৰ বিষয়ে তেখেতে দৃষ্টি আকৰ্ষণ কৰিছে। এই কথা মই পঢ়ি চাইছো। ডঃ অৰুণ শৰ্মাই জনাই দিয়া মতে ৫শ কোটি টকা ১৫ শতাংশ

* Speech not corrected

ধন উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যত খৰচ কৰিব লাগে বুলি পাৰ্লিয়ামেণ্টত বিবৃতি দিয়া বুলি কৈছে। গোটেই কথাখিনি সদনত জনালে ভাল হয় যাতে ভুল ধাৰণা নহয়। এই বিষয়ে ভাৰত চৰকাৰে এটা হাই লেভেল কমিটি কৰি দিছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰাইম মিনিষ্টাৰ পেকেজ ঘোষণা কৰাৰ পিছত ভাৰত চৰকাৰে হাই লেভেল কমিটি এখন গঠন কৰি দিছে। সেই কমিটিখনৰ চেয়াৰমেন হৈছে শ্ৰীএচ পি শুক্লা। কমিটিখন হৈছে ঃ —

Shri S.P. Shukla, Chairman,
Planning Commission

Shri B.G. Verghese, Member,
Planning Commission.

Shri Sainghaka, Member,
Planning Commission.

Shri Jayanta Madhav, Member,
Planning Commission.

Shri Darshan Kumar, Adviser,
Planning Commission.

সেই হাই পাৱাৰ কমিটিখনে গভৰ্ণমেণ্টৰ ওচৰত ৰিৰ্পোট দাখিল কৰিছে। ৭ মাৰ্চত তেওঁলোকে এই ৰিপোৰ্ট দিছে। ৫০০ কোটি টকা অসমৰ কাৰণে আৰু ৪৫ কোটি মণিপুৰৰ কাৰণে ধাৰ্য্য কৰিছে। ডিটেইলচ্ ৰিৰ্পোটটো মই পঢ়ি দিছো —

Floods - **Recommendation No. 33**

The Assam Government, Brahmaputra Board and CWC should consult on inter-se-priorities as between Assam's short term flood proposals for the 9th Plan and the Pagladiya project for first claim on the PM's flood package. The Commissions' own inclination is to support Assam's short term priority plan of around Rs. 500 crores for the period 1997-2002 for new embankments, anti-erosion works, drainage channels and construction of sluices and raised platforms.

---

* Speech not corrected

**Recommendation No. 34**

Manipur's nine flood control schemes proposed to be completed during the 9th Plan at a cost of Rs. 45 crores should be funded.

**Recommendation No. 35**

Early action should be taken on the Northeast flood task force report which, apart from the Pagladiya project, should determine priorities for other flood management and drainage works.

**Recommendation No. 36**

Priority funding must go to the maintenance and strengthening of existing flood management works.

(Executive Summary)

(Transforming The Northeast)
(High Level Commission Report to the
Prime Minister, Government of
India, Planning Commission,
New Delhi, March 7, 1997)

এইটোৱে হৈছে আমাৰ হাই পাৱাৰ কমিটিৰ ৰিপ'ৰ্টটি। এই পাঁচ কোটিৰ টকাৰে এটা পাগলাদিয়া প্ৰজেক্ট আৰু আনটো টিপাইমুখ বৰাকভেলি প্ৰজেক্টৰ কাম কৰিব পৰা যাব। এই কমিটিখনে তিনিখন ৰাজ্যক সামৰি লৈছে। অসম মিজোৰাম আৰু মণিপুৰ। অসম আৰু মিজোৰাম ইতিমধ্যে একমত হৈছে। মণিপুৰ গভৰ্ণমেণ্ট এতিয়ালৈকে একমত হোৱা নাই। আমি ভাৰত চৰকাৰক কেইবাবাৰো অনুৰোধ কৰিছো মণিপুৰ চৰকাৰৰ লগত আলোচনা কৰিব লাগে। এই মাহৰ ১৩ তাৰিখে তিনিখন ৰাজ্যৰ তিনিজন মুখ্যমন্ত্ৰীক মাতি আলোচনা কৰা হৈছিল। পিছত মণিপুৰ চৰকাৰে তেওঁলোকৰ লগত অংশগ্ৰহণ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰে। মণিপুৰ চৰকাৰে মিটিং পাতি এটা সিদ্ধান্ত গ্ৰহণ কৰিছিল, সেই সিদ্ধান্ত যদি সংশোধন নকৰে তেন্তে টিপাইমুখ প্ৰজেক্ট কৰাত অসুবিধা হ'ব। টিপাইমুখত প্ৰজেক্ট নকৰিলে বৰাকভেলীৰ বান নিয়ন্ত্ৰণ কৰিবলৈ অসুবিধা হ'ব। এই পাঁচ শ কোটি টকাৰ ভিতৰত দিহিং আৰু সোৱণশিৰী প্ৰজেক্টও আছে। জুলাই মাহত মন্ত্ৰী ডাঙৰীয়াই আমালৈ চিঠি লিখিছিল যে দিহিং আৰু সোৱণশিৰীত দুটা প্ৰজেক্ট নৱম পঞ্চ বাৰ্ষিক পৰিকল্পনাত দিটেইলচ প্ৰস্তুত কৰিব আৰু কাম আৰম্ভ, কৰাৰ কাৰণে চেষ্টা চলাব বুলি আমি ভাৰত চৰকাৰৰ পৰা আশ্বাস পাইছো।

---

* Speech not corrected

এতিয়া প্ৰশ্ন আহিছে যে আমি কেন্দ্ৰীয় চৰকাৰৰ লগত আপোচ কৰিছো। তেখেতে হয়তো এটা ভুল দৃষ্টিভঙ্গীলৈ গৈছে। হয়তো যিটো তথ্য পাইছে সেইটোৰ মতেও ভুল ধাৰণা হ'ব পাৰে। মই আশা ৰাখিছো তেনে ভুল ধাৰণা মই হ'বলৈ নিদিওঁ।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে স্পেচিফিক তথ্য দিলে ভাল হয়।

* শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আমাৰ প্লেনিং কমিশ্যনাৰৰ সিদ্ধান্ত ক্ৰমে চেণ্টেল কমিশ্যনাৰ আৰু ব্ৰহ্মপুত্ৰ বোৰ্ডৰ মিটিং ১৬-৭-৯৭ তাৰিখে হৈ গৈছে। তাত চেণ্ট্ৰেল ওৱাটাৰ ৰিচাৰ্চ কমিশ্যনাৰ, অসমৰ পৰা এডিশ্যনেল চীফ্ চেক্ৰেটাৰী, ফ্লাড কণ্ট্ৰল অৱ আসাম আৰু ফ্লাড কণ্ট্ৰল চীফ্ ইঞ্জিনিয়াৰ আছিল। সেই মিটিঙত কথা ওলোৱাত চেণ্ট্ৰেল ওৱাটাৰ ৰিচাৰ্চ কমিশ্যনে তেওঁলোকক কৈছিল প্ৰাইম মিনিষ্টাৰৰ পেকেজৰ ভিতৰত ১০-১৫ শতাংশ অন্যান্য ষ্টেটৰ কাৰণেও ৰাখিব লাগে। তেতিয়া আমাৰ চৰকাৰে তেখেতসকলক কি ক'লে — মই মাইনুটচ্খন পঢ়ি দিছো —

"Assam officials have expressed that they are not in the know of the views of the Home Minister regarding the need for reserving 10 to 15 percent of the package for other North Eastern States. According to them the full residual money should be allocable to their short-term measures. This issue amy have to be resolved between Government of India and Government of Assam." গতিকে আমাৰ যিসকল বিষয়া অসম চৰকাৰৰ হৈ মিটিঙত উপস্থিত আছিল ..................

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো বৰ চিৰিয়াচ কথা।

* শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ বিভাগৰ, মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো প্ৰশ্ন আহিছে — তাৰ পৰিপ্ৰেক্ষিতত আমি ইতিমধ্যে কৈছো যে ৫০০ কোটি টকা অসমৰ কাৰণেহে দিছে। ইয়াৰ পৰা ১০ বা ১৫ শতাংশ ষ্টেটক দিয়াৰ প্ৰশ্ন আহিব। মণিপুৰৰ কাৰণে বেলেগ টকা ধাৰ্য কৰিলে আমি টিপাইমুখ প্ৰকল্পৰ কাৰণে ধাৰ্য কৰিব পাৰো। আমাৰ যি কেইটা প্ৰকল্প আছে সেইকেইটাৰ কাৰণে কাম-কাজ কৰিলেহে ৰাজ্য কেইখন উপকৃত হ'ব পাৰিব।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এতিয়া যিবোৰ কথা কৈছে সেইবোৰ মিটিঙত ৰেকৰ্ড হৈ আছিল নেকি? আমাৰ অফিচাৰসকলে কি ক'লে? আমাৰ অসমৰ কাৰণে দিলে ভাল হ'ব। যিখিনি ৰেকৰ্ড কৰা আছিল সেইখিনি চাই দিলে ভাল হয়।

* Shri Promode Gogoi (Minister, Flood Control) ঃ মাননীয় অধ্যক্ষ মহোদয়,

---

* Speech not corrected

ৰেকৰ্ডটো মই পঢ়ি দিছো। Assam officials have expressed that they are not in the know of the views of the Home Ministry regarding the need for reserving 10 to 15 percent of the package for other North Eastern States. According to them the full residual money should be allocable to their short-term measures. This issue may have to be resolved between Government of India and Government of Assam. এইটোৱেই হৈছে আমাৰ ৰেকৰ্ড।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে যিটোকে কৈছে তাকে আমি শুনি লৈছো। পেকেজত পাঁচশ কোটি টকা আমাৰ কাৰণে আছে। পাইপ লাইন দিয়াৰ কাৰণেও চেষ্টা কৰা হ'ব।

মাননীয় অধ্যক্ষ ঃ Now the Question is - প্ৰশ্নটো মিটিঙত উপস্থাপন কৰা হৈছে চেণ্ট্ৰেল ৱাটাৰ অৱ ৰিচাৰ্চ কমিশ্যনত আমাৰ অসমৰ হৈ যিসকল প্ৰতিনিধি উপস্থিত আছিল সেইসকল হৈছে — এডিশ্যনেল চীফ্ চেক্ৰেটাৰী, চেক্ৰেটাৰী অব ফ্লাড কণ্ট্ৰল আৰু ফ্ল্যাড কণ্ট্ৰলৰ চীফ্ ইঞ্জিনিয়াৰ। তেখেতসকল সন্মত হোৱা নাই বুলি আমি জানিব পাৰিছো। সেই কাৰণে এইটো ঠিক হ'ল। Whether it is a fact.আৰু সেইটো কাৰণে এইটো ঠিক হ'লে যে — This issue may have to be resolved between Government of india and Government of Assam. This is what you are. মাননীয় মন্ত্ৰী গগৈ ডাঙৰীয়াই যিটো কথাৰ উদ্ধৃতি দিছে সেইটো ইনচাউড দি পাৰ্লিয়ামেণ্ট।

* শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ বিভাগৰ, মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, পাৰ্লিয়ামেণ্টত মন্ত্ৰীয়ে কি উত্তৰ দিছে সেইটো মই ক'ব নোৱাৰো। আৰু সেই বিষয়টোলৈ যিটো আলোচনা হৈছিল, সেই আলোচনাত আমাৰ ৰাজ্যিক চৰকাৰৰ বিষয়াসকল উপস্তিত আছিল সেই বিষয়ে মই এতিয়া পঢ়ি দিব বিচাৰিছো।

Mr. Speaker : I now request the Minister, Flood Control to place the statement on the floor of the House tomorrow.

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো মই কৈছো, এই বিষয়াটোলৈ কেবাবাৰো আলোচনা হৈছে, আমাৰ ৰাজ্যই যেতিয়া বিশেষ সুবিধা পায় তেতিয়া আন আন উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যৰ পৰা প্ৰেচাৰ পৰে। অসমৰ কাৰণে যিটো ৫০০ কোটি টকা দিয়া হৈছে আৰু পাগলদিয়াৰ কাৰণে ১০ পাৰ্চেণ্ট দিয়া হৈছে। কিন্তু পিছত যদি কিবা ডেভেলপমেণ্ট হৈছে সেই বিষয়ে মই ক'ব নোৱাৰো। এই ক্ষেত্ৰত আমি যোগাযোগ কৰিম।

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ আমাৰ মাইনুটচ বিলাক বৰ দুৰ্বল হয়, এইটো আমি অপোচ কৰিব লাগে।

* শ্ৰীবৃন্দাবন গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো গুৰুত্বপূৰ্ণ বিষয় কিন্তু জিৰো

---

* Speech not corrected

আৱাৰচত এই বিষয়টো দিটেইলচ আলোচনা কৰিবলৈ সময় নাই, এই বিষয়টোৰ ওপৰত আলোচনা কৰিবলৈ যথেষ্ট সময় লাগিব। গতিকে আধা ঘণ্টা সময় আলোচনাৰ কাৰণে দিলে আমি আলোচনা কৰিবলৈ সুবিধা পাম। কিয়নো ইয়াত যিটো ৫০০ কোটি টকাৰ কথা কোৱা হৈছে আৰু পাগলদিয়া প্ৰজেক্টৰ কথা উঠিছে এই বিষয়টো বিতৰ্কৰ ব্যৱস্থা হ'ব লাগে, গতিকে দিটেইলচ দিচকাশ্যনৰ কাৰণে সুকীয়াকৈ সময় দিব লাগে।

## Report of the business advisory committee.

Mr. Speaker : এই বিষয়টোৰ ওপৰত মই মাননীয় মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰিম। Now item No. 2 Under Rule 230 of the Rules of Procedure and Conduct of Business in Legislative Assembly, I called a meeting of the BusinessAdvisory Committee at 10.00 p.m. yesterday, the 19th August, 1997 in my office chamber at Dispur to discuss about the fixation of date and time for the Censure Motion.

After a good deal of discussion, the Committee has decided that the Censure Motion would be taken up on 20th August, 1997. The Committee has has accordingly, decided that there would be two sittings on 20th August, 1997. The first sitting would start from 9.00 a.m. to 1.30 p.m. and the second sitting would start from 6.00 p.m. to 9.00 p.m. The Censure Motion would be taken up in the afternoon sitting from 6.00 p.m. to 9.00 p.m.

The Committee also consider the allocation of time for discussion on Censure Motion. The total time that would be made available for discussion of the Censure Motion would be three hours and each Member would get one and half minute time approximately for taking part in the said discussion.

The Party/Group as well as Independent Members would get time approximately as shown below.

| | | | |
|---|---|---|---|
| 1. | A.G.P. and Associate Member | - 86 | minutes including the reply of the Hon. Cheif Minister. |
| 2. | Indian National Congress(I) | - 56 | minutes. |
| 3. | A.S.D.C. | - 7 | minutes. |
| 4. | C.P.I. | - 4 | minutes. |

* Speech not corrected

| | | | |
|---|---|---|---|
| 5. | C.P.M. | - | 3 minutes. |
| 6. | P.D.F. | - | 9 minutes. |
| 7. | B.J.P. | - | 6 minutes. |
| 8. | U.M.F. | - | 3 minutes. |
| 9. | Independents | - | 6 minutes. |

Further, the Committee had also consider the priority of discussion of moving the Supplementary Demands for Grants. In consideration of the importance and urgency, the Committeee had decided that of the Supplementery Demands for Grants, 1997 would be taken up by the House on 21st August, 1997 on priority basis as follws :

| | | | |
|---|---|---|---|
| 1. | 14 | - | Police |
| 2. | 49 | - | Irrigation. |
| 3. | 29 | - | Medical and Public health. |
| 4. | 71 | - | Education (Elementary) |
| 5. | 64 | - | Roads and Bridges. |
| 6. | 6 | - | Land Revenue and Land Ceilling. |

Other Supplementary Demands for Grants would come up for discussion serially.

I hope this the approval of the House.

(approved)

Now, item No. 3. Shri Hitendra Nath Goswami.

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, ইংৰাজী ২ আগষ্ট ১৯৯৭ *দৈনিক অসম* কাকতত প্ৰকাশিত 'অসমত নিজৰ লটাৰী নিষিদ্ধ, অন্য ৰাজ্যই কিন্তু লুটি আছে' শীৰ্ষক বাতৰিটোৰ প্ৰতি মই মাননীয় বিত্তমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ এই কাৰণেই কৰিব বিচাৰিছো যে ভাৰত চৰকাৰ কেন্দ্ৰীয় সংসদীয় কমিটীয়ে ৰাজ্য চৰকাৰৰ মতামত বিচাৰিছে।

সেই আইন মতে সমগ্ৰ ভাৰতবৰ্ষতে লটাৰী নিষিদ্ধকৰণ কৰিব বিচাৰিছে আৰু এই সম্পৰ্কত

* Speech not corrected

সকলো ৰাজ্যৰ পৰা মতামত বিচাৰিছে, গতিকে এই সম্পৰ্কত অসম চৰকাৰেও নিজৰ মতামত সেই কমিটিলৈ পঠাব লাগে। কিয়নো আজি যদিয়ো আমাৰ ৰাজ্যত লটাৰী বন্ধ বা নিষিদ্ধ হৈ আছে কিন্তু আমাৰ ৰাজ্যতে অন্যান্য ৰাজ্যৰ লটাৰী এতিয়াও চলি আছে। এই বিষয়ে মই যোৱা ৩ এপ্ৰিলত সদনত উত্থাপন কৰিছিলো আৰু উত্থাপন কৰাৰ কাৰণেই ৰাজ্য চৰকাৰে চেষ্টা চলাইছিল। মধ্যপ্ৰদেশত এই লটাৰী নিষিদ্ধকৰণ কৰা হৈছিল মতে কিন্তু তাতো আন আন ৰাজ্যৰ লটাৰী চলি আছে, তাত চৰকাৰে এই নিষিদ্ধকৰণ আইন লাগু কৰিব পৰা নাই। মধ্যপ্ৰদেশত তাত লটাৰী এজেণ্ট সকলে কোৰ্টত আপীল কৰিছে। আপোনালোকে জানে যে এই লটাৰীয়ে কেনেকৈ মহামাৰী ৰূপে আমাৰ দুখীয়া শ্ৰেণীৰ জনসাধাৰণক জুৰুলা কৰিছে। মধ্যপ্ৰদেশত লটাৰী বন্ধ কৰা হৈছে যদিও অন্যান্য ৰাজ্যৰ যিবিলাক লটাৰী তাত চলি আছে সেইবিলাক বন্ধ কৰিব পৰা নাই। গতিকে সমগ্ৰ ভাৰতবৰ্ষতে লটাৰী বন্ধ কৰাৰ কাৰণে হোম ডিপাৰ্টমেণ্টৰ অন্তৰ্গত পাৰ্লিয়ামেণ্ট কমিটিত এই বিষয়ত এখন আইন প্ৰণয়ন কৰাৰ কাৰণে বিভিন্ন ৰাজ্যৰ পৰা পৰামৰ্শ বিচাৰিছে। গতিকে আমাৰ ৰাজ্য চৰকাৰেও এইক্ষেত্ৰত পৰামৰ্শ দিবলৈ ব্যৱস্থা কৰিব লাগে আৰু ইতিমধ্যে এইক্ষেত্ৰত কিবা ব্যৱস্থা লৈছে নেকি সেই বিষয়ে জনাব লাগে।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত লটাৰী নিষিদ্ধকৰণৰ কাৰণে আইন প্ৰণয়ন কৰিবলৈ যি ব্যৱস্থা লৈছে সেইটো ভাল হৈছে কিয়নো মাৰ্চৰ শেষৰ ফালে আৰু এপ্ৰিলৰ আগৰ ফালে অসমৰ লটাৰীৰ ওপৰত তদন্ত হৈছিল, এই তদন্তৰ দায়িত্বত আছিল প্ৰাক্তন বিত্ত সচিব কামিল্লা ডাঙৰীয়াক। তেখেতে দিয়া প্ৰতিবেদন মতে, সেই লটাৰীত প্ৰায় ২০০ কোটি টকাৰ খেলিমেলি হৈছিল, চৰকাৰক যিটো টেক্স দিব লাগে সেই টেক্স দিয়া হোৱা নাছিল আৰু এই সম্পৰ্কত বিভিন্ন ৰাইজৰ পৰা আবেদন-নিবেদন কৰা হৈছিল আৰু এই বিষয়ে মন্ত্ৰী ডাঙৰীয়া চিফ চেক্ৰেটাৰীক এই বিষয়টোৰ ওপৰত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছিল।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শ্ৰীহিতেন্দ্ৰনাথ গোস্বামী ডাঙৰীয়াই লটাৰীৰ বিষয়ে যিটো কথা উত্থাপন কৰিছে সেইটো মই সমৰ্থন কৰিছো। লটাৰী সম্পৰ্কে অসমত আইন প্ৰণয়ন কৰিলে ভাল হয়। অসমৰ লটাৰী সম্পৰ্কে যি তদন্ত কৰা হৈছিল সেই তদন্তৰ দায়িত্বত আছিল তেতিয়াৰ বিত্ত সচিব বৰ্তমান প্ৰাক্তন মুখ্যসচিব শ্ৰীকামিল্লা ডাঙৰীয়া। প্ৰতিবেদনত প্ৰায় দুই শ কোটিৰ টকাৰ খেলিমেলি পোৱা হৈছিল। অসম চৰকাৰক টেক্স দিয়া হোৱা নাছিল। এই সংক্ৰান্তত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৰাইজৰ আবেদন-নিবেদন গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াক ইয়াৰ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছিল। আমি জনা মতে, এই বিষয়ৰ ফাইলটো দাখিল কৰা হোৱা নাই। এইক্ষেত্ৰত আমাৰ সন্দেহ হৈছে, এই ফাইলটো বিত্ত বিভাগৰ পৰা হেৰাইছে বুলি আমি গম পাইছো। এই বিষয়ত এটা সিদ্ধান্ত ল'ব লাগে। আমাৰ চৰকাৰৰ বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই বিষয়ত সদনৰ মজিয়াত বক্তব্য ৰাখিব বুলি আশা কৰিলো।

---

* Speech not corrected

অধ্যক্ষ মহোদয়, সেই সময়ৰ দিল্লীত থকা ও এচ ডি মিঃ বৰা এই সম্পৰ্কে জড়িত আছে বুলি বিভিন্ন সময়ত অভিযোগ উত্থাপন কৰা হৈছে। এই বিষয়ে তদন্ত কৰা ভাল হ'ব। নাগালেণ্ডতো তেনেকুৱা ঘটনা ঘটিছে। লটাৰীৰ ক্ষেত্ৰত বহুতো খেলিমেলি হৈছে। লটাৰীত মেকিং কৰা হয়, শুনা মতে জাজক আগদিনা গৈ আগধন দিয়া হয়। এই ক্ষেত্ৰত চাৰেগুাৰ কৰা কিছুমান জড়িত আছিল, তেওঁলোকে কৰ ফাঁকী দি আহিছিল। এই সকলোবোৰ কথা বাতৰি কাকতত প্ৰকাশ হৈছে। এই ক্ষেত্ৰত মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক বিহিত ব্যৱস্থা ল'বলৈ অনুৰোধ জনাইছো।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২/৮/৯৭ তাৰিখে দৈনিক অসমত প্ৰকাশিত 'অসমত নিজৰ লটাৰী নিষিদ্ধ, অন্য ৰাজ্যই কিন্তু লুটি আছে' শীৰ্ষক বাতৰিটোৰ প্ৰতি মোৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে। এই সম্পৰ্কত মাননীয় সদস্যসকলৰ জ্ঞাতাৰ্থে জনাও যে, শেষ নম্বৰ লটাৰীয়ে ((Last Digit) এটা সামাজিক ব্যাধি ৰূপে বিবেচিত হৈছে। অসমৰ বিভিন্ন সামাজিক তথা ৰাজনৈতিক সংগঠনসমূহে লটাৰীয়ে সৃষ্টি কৰা ভয়ানক পৰিস্থিতিৰ বিষয়ে চৰকাৰক বিভিন্ন সময়ত সকীয়াই অহাৰ উপৰিও এই লটাৰী যাতে শীঘ্ৰে বন্ধ কৰা হয় তাৰ বাবে চৰকাৰৰ ওচৰত বিভিন্ন মাধ্যমেৰে দাবী জনাই আহিছে। এই গোটেই বিষয়টো অসম বিধানসভাৰ ১৯৯৫ চনৰ বাজেট অধিবেশনতো উত্থাপিত হৈছিল আৰু মাননীয় সদস্যসকলে লটাৰী বন্ধ কৰাৰ আগ্ৰহ প্ৰকাশ কৰি চৰকাৰক যথোচিত ব্যৱস্থা ল'বলৈ আহ্বান জনাইছিল।

চৰকাৰে এই গোটেই বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰি অসম মন্ত্ৰীসভাৰ সিদ্ধান্ত ক্ৰমে অসম ৰাজ্যিক লটাৰী ১০/২/৯৬ তাৰিখৰ পৰা বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু উক্ত সিদ্ধান্ত মৰ্মে অসম ৰাজ্যিক লটাৰীৰ খেলসমূহৰ প্ৰচলন ১০/২/৯৬ তাৰিখৰ পৰা স্থগিত ৰখা হয়।

অসম ৰাজ্যিক লটাৰী খেলসমূহৰ প্ৰচলন স্থগিত কৰা হয় যদিও অন্য ৰাজ্যৰ চৰকাৰৰ দ্বাৰা পৰিচালিত ৰাজ্যিক লটাৰী খেলসমূহ বন্ধ কৰাৰ কোনো আইনগত ব্যৱস্থা এই ৰাজ্য চৰকাৰৰ নাই।

উচ্চতম ন্যায়ালয়ৰ ৰায় অনুসৰি এখন চৰকাৰে প্ৰচলন কৰি থকা লটাৰী অন্য ৰাজ্য চৰকাৰে তেওঁলোকৰ ৰাজ্যত প্ৰচলন বন্ধ কৰাৰ বিধিগত ব্যৱস্থা নাই। এই ক্ষেত্ৰত অন্য ৰাজ্যই চলাই থকা লটাৰী খেলসমূহ যাতে আমাৰ ৰাজ্যত প্ৰচলন হ'ব নোৱাৰে তাৰ আইনগত ব্যৱস্থা উদ্ভাৱন কৰাৰ বাবে ভাৰতীয় দণ্ডবিধি আইনৰ (IPC) ২৯৪-ক ধাৰাটোৰ, অসমৰ ক্ষেত্ৰত বিশেষ ভাবে প্ৰযোজ্য হোৱাটো সংশোধন কৰাৰ ব্যৱস্থা কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আবেদন জনোৱা হৈছে। এই ক্ষেত্ৰত অসম মন্ত্ৰীসভাৰ বৈঠকৰ সিদ্ধান্ত লোৱা হৈছে।

* Speech not corrected

অসম চৰকাৰৰ লটাৰী প্ৰচলন ১০/২/৯৬ তাৰিখৰ পৰা স্থগিতকৰণৰ সিদ্ধান্তৰ বিপৰীতে পৰিৱেশক (Distributor) তৰা গোচৰৰ মৰ্মে গুৱাহাটী উচ্চ ন্যায়ালয়ে ১০/১০/৯৬ তাৰিখৰ ৰায় মৰ্মে অসম চৰকাৰৰ লটাৰী প্ৰচলন স্থগিতকৰণৰ আদেশটো বাতিল কৰি লটাৰী খেলসমূহ পুনৰ প্ৰচলন কৰাৰ নিৰ্দেশ দিয়ে।

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উক্ত ৰায় স্থগিতকৰণৰ বাবে অসম চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড আদালতত Revision Petition দিয়ে যদিও মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড আদালতে এই আবেদন নাকচ কৰে। সেয়ে লটাৰীৰ পুনৰ প্ৰচলনৰ বিষয়টো বৰ্তমানে ৰাজ্য চৰকাৰৰ বিবেচনাধীন অৱস্থাত আছে।

মাননীয় অধ্যক্ষ মহোদয়, টি কে, কানিল্লাৰ ৰিপোৰ্ট চৰকাৰৰ হাতত আছে। মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই কোৱাৰ দৰে নহয়, এই সম্পৰ্কৰ ফাইল হেৰোৱা নাই, বিত্ত বিভাগতে আছে। ইয়াৰ ব্যৱস্থা লোৱা হ'ব। ন' শ কোটি টকা দাবী কৰি কেচ কৰা হৈছিল, ন্যায়ালয়ৰ সিদ্ধান্ত অনুসৰি কৰা হ'ব, জাষ্টিচ খান্না চাহেব, আমি চাও এই ক্ষেত্ৰত কি ৰয় দিয়ে।

## MATTER UNDER RULE 301.

Mr. Speaker : Now item No. 4, Hon'ble memeber Mustafa Sahidul Islam to drow the attention of the Chief Minister under Rule 301 to the news item published in the 'Sadin' dated 18th July, 1997 relating to “চৰে চৰে ব্যাপক প্ৰস্তুতি, মুছলিম উগ্ৰপন্থীৰ জেহাদ”।

* মোস্তাফা শ্বহিদুল ইছলাম ঃ মাননীয় অধ্যক্ষ মহোদয় মই অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নম্বৰ নিয়মৰ অধীনত ১৯৯৭ চনৰ ১৮ জুলাই তাৰিখৰ ‘সাদিন’ কাকতত প্ৰকাশিত “চৰে চৰে ব্যাপক প্ৰস্তুতি, মুছলিম উগ্ৰপন্থীৰ জেহাদ’। এই সম্পৰ্কে বিষয় এটি উত্থাপনৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

অধ্যক্ষ মহোদয়, ‘সাদিন’ বাতৰি বাতৰি কাকতৰ ফ্ৰণ্ট পেজৰ পৰা লাষ্ট পেজলৈকে উপৰোক্ত বিষয় সম্পৰ্কে লিখিছে। এইটো আমাৰ দৃষ্টিগোচৰ হৈছে। মৈৰাবাৰী অঞ্চলত পৰিয়াল সকলে খেতি-বাতি কৰিব নোৱাৰা হৈছে, কোনো মতে জীৱিকা নিৰ্বাহ কৰিব লগা হৈছে। তেওঁলোকে তাতে কাম কৰি আছে। সেই অঞ্চলত উগ্ৰপন্থী সংগঠন আছে বুলি বাতৰি কাকতত ওলাইছে। প্ৰাক্তন বিধায়কৰ এজন সম্পৰ্কীয়ই হকে-বিহকে কিছুমান বাতৰি পৰিবেশ কৰে। সেই সাংবাদিকজনক আমাৰ এই অঞ্চলত ডেৰ ফুটীয়া সাংবাদিক বুলি জনাজাত। এই ডেৰফুটীয়া সাংবাদিকে সঁচাই মিছাই কিছুমান বাতৰি পৰিবেশন কৰি এচ, পি, ডি চি-

* Speech not corrected

ক জনায়, সেই মতে প্ৰায় দুশজন মানুহ ধ'ৰি থানালৈ নিছে৷ পিছত অনুসন্ধান কৰি দেখা গ'ল যে সেইবোৰ মিছা। এই সম্পৰ্কে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

অধ্যক্ষ মহোদয়, আমি ৰ'াইজৰ প্ৰতিনিধি। সৰ্বসাধাৰণ মানুহক উগ্ৰপন্থী বুলি নানা অত্যাচাৰ কৰা হৈছে, আনকি বাতৰি কাকতত কিছুমান বাতৰি পৰিবেশন কৰি হত্যা পৰ্যন্ত কৰা হৈছে। আমি আশা কৰিছো, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অতি শীঘ্ৰে সেইজন সাংবাদিকক গ্ৰেপ্তাৰ কৰাৰ ব্যৱস্থা কৰিব। ডঃ হোমেন বৰগোহাঁই ডাঙৰীয়াই সাংবাদিকতা কৰে, কিন্তু তেখেতে এনেকুৱা অসত্য বাতৰি পৰিবেশন নকৰে। আমি সাংবাদিকতাক শ্ৰদ্ধা কৰো, সাংবাদিকতা গণতান্ত্ৰিক স্তম্ভ। আজি অন্যায়ভাৱে নিৰীহ মানুহখিনিক অত্যাচাৰ কৰা হৈছে। আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো, এইটো তদন্ত হ'ব লাগে।

গতিকে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ যাতেদ এই বিষয়ে এটা উচিত তদন্তৰ ব্যৱস্থা কৰা হয়।

(ভইচ্ ঃ - ডেৰফুটীয়া সাংবাদিকৰ কথাটো কি হ'ব?) - এই ডেৰফুটীয়া সাংবাদিকজনৰ কথাটো অৱশ্যে আমাৰ সমষ্টিৰ ৰাইজে জানে। কিন্তু গোটেই অসমৰ ৰাইজে নেজানে। গতিকেই ইয়াৰ বিৰুদ্ধে এটা বিহিত ব্যৱস্থা ল'ব লাগে। প্ৰকৃততে এইটো কথা কেনেকৈ, কেতিয়া সংঘটিত হৈছে তাৰ প্ৰকৃত তথ্য উদ্‌ঘাটন কৰিব লাগে। আজি শিৱসাগৰ, যোৰহাট, ধুবুৰীলৈকে বিয়পি পৰিছে যে 'মুছলমান উগ্ৰপন্থীয়ে জেহাদ ঘোষণা কৰিছে।' এইবোৰ কথা কিমানদূৰ সত্য তাক পৰীক্ষা কৰি ব্যৱস্থা ল'ব লাগে। মই কৈছো, বাতৰি কাকতে সজাই-পৰাই এইবিলাক অপপ্ৰচাৰ কৰিছে। এই বিষয়ে দুটা কেচ্ তৰা হৈছিল, কিন্তু আদালতলৈ গ'লেই বহু সময় লয়। টকা-পইচাও যথেষ্ট খৰচ হয়। শেষত ইয়াৰ কোনো প্ৰতিকাৰ নহয়গৈ। যাতে এইবোৰৰ সু-মীমাংসা হয় তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে উত্থাপন কৰা বাতৰিৰ সম্পৰ্কে মোৰ দৃষ্টিগোচৰ হৈছে। বৰ্তমান অসমত বহুতো ধৰণৰ উগ্ৰপন্থীৰ কাৰ্যকলাপ চলি আছে। এইবোৰ বহু সময়ত বাতৰি কাকতত প্ৰকাশ হয়। আজি অসমত বহুতো লোকে সাংবাদিকতা কামটো এটা উপৰঞ্চি কাম হিচাপে লয় আৰু হকে-বিহকে কিছুমান বাতৰি প্ৰকাশ কৰি থাকে। অলপতে এখন বাতৰি কাকতত প্ৰকাশ পাইছে যে চৰকাৰৰ বিৰুদ্ধে আক্ৰমণাত্মক বাতৰি পৰিবেশন কৰাৰ বাবে আলফাই কাকত গোষ্ঠীবোৰক গোপন নিৰ্দেশ দিছে। অলপতে এখন বাতৰি কাকতৰ সম্পাদকে আলফাৰ মুখ্যসেনাধ্যক্ষৰ নামত বাতৰি কাকতসমূহলৈ টেলিফোন কৰিছে। এই সম্পৰ্কত তথ্য উদ্ধাৰ কৰা হৈছে। আজি আলফাৰ কেদাৰ বাতৰি কাকতত সোমোৱাৰ কাৰণেও কৌশল গ্ৰহণ কৰা হৈছে। কেতবোৰ কাকত

---

* Speech not corrected

এতিয়া দেশৰ সাৰ্বভৌমত্বৰ প্ৰতি এক প্ৰত্যাহ্বান হৈ পৰিছে। বহুতো বাতৰি কাকতে বাতৰি প্ৰকাশ নকৰে, কাহিনীহে প্ৰকাশ কৰে। গতিকে পুৱাই উঠি বাতৰি কাকত নপঢ়িব, ভাত-পানী খাই উঠিহে পঢ়িব। নহ'লে দিনটো অথলে যাব। মূৰ গৰম হ'ব। আমি সাংবাদিক সকলক সন্মান নকৰা নহয়, যথেষ্ট মৰ্যাদা দিওঁ। প্ৰায়ে বাতৰি কাকতত প্ৰকাশ হৈ থাকে যে সাংবাদিকক অত্যাচাৰ কৰা হৈছে বুলি। আচলতে সেইটো নহয়। অসমৰ ৰাজধানী যেতিয়া শ্বিলঙত আছিল তেতিয়া বাতৰি কাকতৰ সংখ্যাও বেছি নাছিল আৰু সাংবাদিকৰ সংখ্যাও কম আছিল। বাতৰিবিলাকো সত্যৰ ওপৰত প্ৰতিষ্ঠিত আছিল। আজি অসমত বাতৰি কাকতৰ সংখ্যা দিল্লীতকৈও বেছি। সংবাদিকো অনেক, বাতৰিবিলাকো সম্পূৰ্ণ সঁচা নহয়। মাননীয় সদস্য জনৰ দৰে বহুতো সদস্যই এনেকুৱা অভিযোগ উত্থাপন কৰিছে। কিন্তু যিটো সত্যৰ ওপৰত অপ্ৰতিষ্ঠিত নিশ্চয় তাৰ ওপৰত ব্যৱস্থা লোৱা হ'ব।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীমোস্তাফা ডাঙৰীয়াৰ প্ৰশ্নৰ প্ৰকৃত উত্তৰটো আনি নেপালোঁ। গতিকে বাতৰিৰ সম্পৰ্কত কেনেদৰে ব্যৱস্থা গ্ৰহণ কৰিব তাৰ উত্তৰটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে হাউচক দিবলৈ অনুৰোধ জনালোঁ।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে নিজেই কৈছে যে কিছুমান সাংবাদিকে নিজেই সজাই পৰাই বাতৰি কাকতত কিছুমান বাতৰি তুলি দিয়া বুলি কৈছে। গতিকে কিমানদূৰ সত্য তাক তদন্ত কৰি ব্যৱস্থা লোৱা হ'ব।

## CONSIDERATION AND PASSING OF THE GOVT. BILLS

Mr. Speaker : Now, there is a Message from the Governor.

Raj Bhavan
Guwahati
August 11, 997.

Under the provision of Article 207 (3) of the Constituition of India, I, Loknath Misra, Governor of Assam, recommend that the Assam General Sales Tax (Second Amendment) Bill, 1997' be taken into condiseration by the Assam Legislative Assembly.

Sd/-
Loknath Misra
Governor of Assam

Now, Hon'ble Chief Minister to move.

---

* Speech not corrected

**Shri Prafulla Kumar Mahanta (Chief Minister)** : Sir, I beg to that "the Assam General Sales Tax (Second Amendment) Bill, 1997" be taken into consideration.

* **শ্ৰীভৰত চন্দ্ৰ নৰহ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমৰ ৰাম, বিয়েৰ আৰু ডিফেন্সৰ নাম আৰু পেৰা মিলিটেৰিৰ ৰাম, বীয়েৰ আদিৰ চেলচ টেক্স আগতে বেলেগ বেলেগকৈ কালক্সেন কৰা হৈছিল। কিন্তু যোৱা এপ্ৰিলৰ পৰা এই সকলোখিনি একেলগে কৰি দিয়াৰ কাৰণে চেলচ্ টেক্স কালেক্সন হোৱা নাই। যাৰ বাবে অসমৰ ৰেভিনিউত এফেক্ট হৈছে। গতিকে এই বিষয়ত এই মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিলোঁ।

মাননীয় অধ্যক্ষ মহোদয়, আজি অসমত ডিফেন্স আৰু পেৰা মিলিটেৰিক বিয়েৰ আদি যোগান ধৰাৰ কাৰণে চি এছ দি আছে। এই চি এছ দি মিছামাৰি, নাৰেঙ্গী আৰু শিলচৰত আছে। এই ৩টা চি এছ দিয়ে আৰ্মি আৰু পেৰা মিলিটেৰিক যোগান দিয়াৰ কাৰণে প্ৰতি বছৰতে ১০ লাখ ৪৬ হাজাৰ ৬৬৪ টকাৰ চিভিলক যোগান দিয়া ১৯৮১ চনৰ পৰা অসম চৰকাৰে সংশোধন কৰিছে। কিন্তু ডিফেন্স আৰু পেৰা মিলিটেৰিৰ ক্ষেত্ৰত ১৯৮১ চনৰ পৰা এমেণ্ডমেণ্ট কৰা নাই। এইটো নকৰাৰ কাৰণে এইটোৱেই হৈছে যে আজি গোটেই ভাৰতবৰ্ষতে আৰ্মি পেৰা মিলিটেৰিক যোগান ধৰা হৈছে। অসমত এক্সাইজৰ ৰেট আটাইতকৈ কম। অসমৰ ক্ষেত্ৰত এক্সাইজৰ ৰেট ৪ টকা। কিন্তু ডিফেন্স আৰু পেৰা মিলিটেৰিৰ ক্ষেত্ৰত ৰেট কম। মেঘালয়ত ২২ টকা। কথা হৈছে, পেৰামিলিটেৰিৰ আৰু ডিফেন্সৰ ৰেট অৱ এক্সাইজ ডিউটি ইনক্ৰিজ কৰিলে প্ৰতি মাহে চৰকাৰৰ হাতলৈ ৪৯ লাখ ২৩ হাজাৰ টকা আহিব। গতিকে, মই মুখ্যমন্ত্ৰী মহোদয়ক জেনেৰেল চেল টেক্সৰ চেকেন্দ এমেণ্ডমেণ্টৰ ক্ষেত্ৰত অনুৰোধ কৰিছো পেৰা মিলিটাৰী আৰু ডিফেন্সৰ ক্ষেত্ৰত এই টেক্স ইনক্ৰীজ কৰিব লাগে।

* **ডঃ অৰ্ধেন্দু কুমাৰ দে** ঃ মাননীয় অধ্যক্ষ মহোদয়, চেল টেক্স এমেণ্ডমেণ্ট বিল আনিবলৈ চৰকাৰে বিচাৰিছে আৰু বিত্তীয় সংকটৰ পৰা কেনেকৈ উদ্ধাৰ কৰিব পাৰি তাৰ কাৰণে চিন্তা কৰিছে। কিন্তু আমি আলোচনা কৰাৰ আগতে চাব লাগে যে আমাৰ যিবিলাক নিবনুৱা যুৱক-যুৱতী আছে সেইবিলাকক যাতে ভালকৈ সংস্থাপন দিব পৰা হয়। আজি যি চেলচ্ টেক্স এমেণ্ডমেণ্ট বিল অনা হৈছে তাৰ দ্বাৰা নিবনুৱা যুৱক-যুৱতীক চেল টেক্সৰ পৰা ৰেহাই দিয়া হোৱা নাই। দেখা গৈছে, কিছুমান সৰু সুৱা কাম-কাজ কৰিলেও নিবনুৱা যুৱক-যুৱতীসকলে চেলচ্ টেক্স দিব লগা হৈছে। এইটো আমি ওৱেষ্ট বেঙ্গলটো দেখিছো। তাত কমিটীৰ শিল্পৰ ওপৰত জোৰ দিছে আৰু চেলটেক্স বঢ়োৱা নাই। কিন্তু অসমত কটেজ ইণ্ডাষ্ট্ৰীৰ ওপৰত ইলেক্ট্ৰিচিটিৰ কাৰণে চেলটেক্স বঢ়োৱা হৈছে। প্ৰিণ্টিং আৰু বুল মেকিংৰ ক্ষেত্ৰত কিছুমান যুৱকে সৰুসুৱাকৈ কাম কৰি আছে। চেলটেক্স বঢ়াই দিয়ে হৈছে। ইয়াত

---

* Speech not corrected

কি কি ইনক্লুড কৰা হৈছে। গতিকে এইটো অলপ স্পেচিফিক হ'লে ভাল হয়। সেই কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এই বিষয়ত অলপ ব্যাখ্যা পালে সুখী হ'ম।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়াই আজি কেইটামান পৰামৰ্শ আগবঢ়াইছে। এক্সাইজ ডিউটি, চেলচ্‌টেক্স আদি সম্পৰ্কত মাননীয় সদস্য গৰাকীয়ে যি কেইটা বিষয়া উত্থাপন কৰিছে সেই কেইটা আমি নিশ্চয় বিবেচনা কৰি চাম। আমি কটেজ ইণ্ডাষ্ট্ৰিৰ ক্ষেত্ৰত ৮শতাংশ চেলচ্‌টেক্স লগোৱাৰ কাৰণে ব্যৱস্থা কৰিছো। কিন্তু পশ্চিমবঙ্গ ত এই টেক্স ১২ শতাংশ কৰা হৈছে। গতিকে সেই ফালৰ পৰা বেছি হোৱা নাই আৰু ইয়াৰ ফলত সাধাৰণ জনসাধাৰণ কেতিয়াও হাৰাশাস্তিত নপৰে বুলি আমাৰ ধাৰণা। তাৰোপৰি টায়াৰ ৰেথ্ৰেডিঙৰ ক্ষেত্ৰতো যিটো টেক্স লগোৱাৰ ব্যৱস্থা কৰা হৈছে তাৰ দ্বাৰা টায়াৰ ৰিথ্ৰেডিং কৰা ব্যৱসায়ী সকলৰ ওপৰত কোনো ধৰণৰ হেঁচা নপৰে। এই টেক্স তেওঁলোকে গাড়ীৰ মালিক সকলৰ পৰাই উলিয়াই ল'ব পাৰিব আৰু মালিকসকলেও সেইটো দিব পাৰিব। গতিকে এই এমেণ্ডমেন্টটো সদনে গ্ৰহণ কৰিব বুলি আশা কৰিলো।

(Mr. Speaker vacated the chair and Mr. Speaker occupied it)

Mr. Dy Speaker : I now put the motion before the House -

The motion is that - The Assam General Sales Tax (Second Amendment ( Bill, 1997 be taken into consideration.

Those who are in favour, say, 'Ayes'

Those whoe are against, say, 'Noes'

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The motion is passed.

There is no amendment on caluses 2 and 3 of the Bill

I no put clauses 2 and 3 before the House for approval.

The question is that - Clauses 2 and 3 do stand part of the Bill.

Those who are in favour, say, 'Ayes'

Those who are against, say, 'Noes'

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clauses 2 and 3 do form part of the Bill.

Now I put clauses 1, Preamble, Enacting Formula and Short Title of the Bill before the House for approval.

---

* Speech not corrected

The quesiton is that- Clause 1, Preamble, Enacting Formula and Short Title do stand part of the Bill.

Those who are in favour, say, 'Ayes'

Those who are against, say, 'Noes'

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clauses 1, Preamble, Enacting Formula and Short Title form part of the Bill.

Now item No. 5 (c). Hon'ble Chief Minister to move -

Shri Prafulla Kumar Mahanta (Chief Minister) : Sir, I beg to move that 'The Assam General Sales Tax (Second Amendment) Bill, 1997 be passed.

Mr. Dy. Speaker : I now put the motion before the House -

The motion is that - The Assam General Sales Tax (Second Amendment) Bill, 1997 be passed.

Those who are in favour, say, 'Ayes'

Those who are against, say, 'Noes'

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The motion is passed. The Bill is passed.

Now item No. 6 (a), I request the Minister, Panchayat & Rural Development to move the Bill.

Shri S. A. Choudhury (Minister, P & RD) : Sir, I beg to move that 'The Assam Panchayat (Second Amendment) bill, 1997 be taken into consideration.

* ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো এমেণ্ডমেণ্ট আনিছে তাত লিখা হৈছে যে "Provided further more that the Legislative Assembly Constituency which has urban population, included in a Municipality or a Municipal Corporation. Town Committee ward must be added here".

ইয়াত টাউন কমিটীৰ কথা লিখা হোৱা নাই। আমি এটা কথা দেখিবলৈ পাইছো যে

---

* Speech not corrected

জিলা পৰিষদ সমূহ ডিমাৰ্কেচন কৰা হৈছে যদিও সেই বিলাক সকলো ৰাজনৈতিক দলৰ লগত আলোচনা কৰি কৰা হোৱা নাই। এইটো গণতন্ত্র-বিৰোধী কথা। গতিকে সকলো ৰাজনৈতিক দলৰ লগত আলোচনা কৰি জিলা পৰিষদ বিলাক নতুনকৈ গঠন কৰিব লাগে আৰু ওৱাৰ্ড বিলাকৰ ক্ষেত্ৰতো যদি কোনো ওৱাৰ্ড পঞ্চায়তৰ অধীনত আছে তেনেহ'লে সেইবোৰ ডিমাৰ্কেচন কৰোতে সকলো ৰাজনৈতিক দলৰ লগত আলোচনা কৰিহে কৰিব লাগে। মই আৰু এটা কথা মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে যোৱা অধিবেশনত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ওপৰত আলোচনা হওঁতে গ্ৰামোন্নয়ন বিভাগৰ দুৰ্নীতিৰ ওপৰত এটা ইনকুৱেৰী কৰিম বুলি মুখ্যমন্ত্ৰী মহোদয়ে সদনত এচুৰেঞ্চ দিছিল। কিন্তু আজিলৈকে সেই সম্পৰ্কত কোনো ধৰণৰ ব্যৱস্থা লোৱা হোৱা নাই। গতিকে এই ক্ষেত্ৰত যিহেতু মুখ্যমন্ত্ৰী মহোদয়ে সদনত এচুৰেঞ্চ দিয়াৰ পিছত এই এচুৰেঞ্চ নাৰাখে আৰু ইতিমধ্যে যদি এই ক্ষেত্ৰত কোনো ব্যৱস্থা লোৱা নহয় তেনেহ'লে আমি অহা বিধানসভাত তেখেতৰ বিৰুদ্ধে ব্ৰিচ অৱ প্ৰিভিলেজ আনিম।

* শ্ৰীভৰত চন্দ্ৰ নৰহঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীঅৰ্দ্ধেন্দু দে ডাঙৰীয়াই যিকেইটা কথা ক'লে তাত মই সমৰ্থন জনাইছো আৰু এই ক্ষেত্ৰত ক'ব খুজিছো যে লক্ষীমপুৰ জিলা পৰিষদখন ডিমাৰ্কেচন কৰোতে আমাৰ দলৰ সদ্যসসকলক বিশ্বাসত লোৱা হোৱা নাই যেন লাগে। প্ৰথমতে আমাক দুবাৰমান মাতিছিল যদিও চূড়ান্ত তালিকা প্ৰস্তুত কৰা সময়ত আমাক মতা নাই। গতিকে এই ক্ষেত্ৰত ৰুৰেল ডেভেলপমেণ্ট মিনিষ্টাৰে জিলা কৰ্তৃপক্ষ সমূহক এটা নিৰ্দেশ দিয়া উচিত। আমি স্থানীয় বিধায়কসকলে সমষ্টিসমূহৰ কথা যিমান জানো বেলেগে সিমান কেতিয়াও নাজানে কিন্তু স্থানীয় বিধায়ক হিচাবে এই কথাবিলাক আমাক জনোৱা নাই। আন এটা কথা, গণ পৰিষদ চৰকাৰে কৰা আজি প্ৰায় ডেৰ বছৰ হ'ল। এই চৰকাৰে ৰাইজক প্ৰতিশ্ৰুতি দিছিল যে আমি গণতন্ত্র মানি চলিম। যদি আপোনালোকে গণতন্ত্ৰ মানিয়েই চলে তেনেহ'লে আজি ডেৰ বছৰে পঞ্চায়তৰ নিৰ্বাচন কিয় পতা নাই? এই নিৰ্বাচন আপোনালোকে পাতিম পাতিম বুলি পিছুৱাই নি আছে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰেও বাৰে বাৰে সতৰ্ক কৰি দিছে যে জিলা পৰিষদ সমূহৰ নিৰ্বাচন নাপাতিলে। কেন্দ্ৰীয় চৰকাৰৰ পৰা পাবলগীয়া টকা বন্ধ কৰি দিয়া হ'ব। আজি ভাৰতবৰ্ষৰ ভিতৰত কেৱল অসমতে জিলা পৰিষদসমূহৰ নিৰ্বাচন অনুষ্ঠিত কৰা হোৱা নাই। গতিকে আজিয়ে সদনক জনাব লাগে যে জিলা পৰিষদ আৰু পঞ্চায়তসমূহৰ নিৰ্বাচন কেতিয়া পতা হ'ব।

Mr. Deputy Speaker : Minister, Panchayat & Rural Development is to reply.

* শ্ৰীছহিদুল আলম চৌধুৰী (পঞ্চায়ত মন্ত্ৰী)ঃ উপাধ্যক্ষ মহোদয়, জিলা পৰিষদ নিৰ্বাচন সম্পৰ্কত সীমা নিৰ্ধাৰণৰ প্ৰক্ৰিয়া চলি আছে। আলোচনা কৰি এই বিলাক সমষ্টিৰ নিৰ্ধাৰণ কৰা নিৰ্দেশ দিয়া হৈছে আৰু ব্যৱস্থা লম। পঞ্চায়ত নিৰ্বাচনৰ কাৰণে সকলো প্ৰকাৰৰ প্ৰস্তুতি লৈছো। আৰু অহা অক্টোবৰ মাহত এই নিৰ্বাচনটো পতাৰ কাৰণেৰ ব্যৱস্থা লৈছো।

---

* Speech not corrected

Mr. Deputy Speaker : I now put the motion before the House to take into consideration. The motion is that - 'The Assam Panchayat (Second Amendment) Bill, 1997 be taken into consideration. Those who are in favour, say, 'Ayes'. Those who are against, say, 'Noes'.'Ayes' have it, 'Ayes' have it, Aayes' have it. The motion is passed.

Now item No. 6(b) : There is no amendment in clause 2 of the Bill. I now put clause 2 of the Bill before the House. The question is that -

"Clause 2 do stand part of the Bill"

Those who are in favour, say, 'Ayes'

Those who are against, say, 'Noes'

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clauses 2 do form part of the Bill.

I now put clause 1, Preamble, Enacting Formula and Short Title of the Bill before the House. The question is that - Clause 1, Preamble, Enacting Formula and Short Title do stand part of the Bill."

Those who are in favour, say, 'Ayes'. Those who are against, say, 'Noes'. 'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clause 1, Preamble, Enacting Formula and Short Title do stand part of the Bill.

Now item No. 6(c) : I request the Minister, Panchayat & Rural Development to move the Bill.

Shri Shaahidul Alam Choudhury (Minister, P & RD): Sir, I beg to move that 'The Assam Panchayat (Second Amendment) Bill, 1997' be passed.

Mr. Dy Speaker : I now put the motion before the House.

The motion is that - "The Assam Panchayat (Second Amendment) Bill, 1997 be passed".

Those who are in favour, say, 'Ayes'. Those who are against, say, 'Noes'. 'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The motion is passed. The Bill is passed.

Now Item No. 7(a) : Hon'ble Minister, Municipal Administration to move.

Shri Biraj Kumar Sarma (Minister, Municipal Administration) : Sir, I beg to move that the Assam Municipal (Amendment) Bill, 1997 be taken into consideration.

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ উপাধ্যক্ষ মহোদয়, পৌৰ প্ৰশাসন মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে, অসমৰ বহু অঞ্চল নতুনকৈ টাউন হৈছে। পৌৰ প্ৰশাসন বিভাগে টাউন কমিটি আৰু মিনিউচিপাল কমিটিৰ কাৰণে উপযুক্ত হৈছে নে নাই ডি চি এচ ডি ওৰ পৰা ৰিপোৰ্ট ল'ব লাগে। এই বিষয়ত আলোচনা কৰি টাউন কমিটি পাতিব লাগে। এই বিষয়ত পৌৰ প্ৰশাসন বিভাগে ৰাইজৰ আবেদনলৈ বৈ থাকিব নালাগে। এই কমিটি বিলাক কৰিলে আমাৰ ৰাজহো বাঢ়িব। গতিকে অতি শীঘ্ৰে এই ব্যৱস্থা হাতত ল'ব লাগে। ঢকুৱাখানা অসমৰ আটাইতকৈ পুৰণা টাউন। চিপাহী বিদ্ৰোহৰ সময়ত অসমত যি দুই এখন থানা আছিল তাৰ ভিতৰত ১৮৫৮ চনত ঢকুৱাখানা থানা প্ৰতিষ্ঠা কৰা হৈছিল কিন্তু এতিয়াও তাত টাউন কমিটি নাই। ঢকুৱাখানাত খেতিয়ক ৰাইজে চাৰি পাঁচদিনৰ বাবে গুৱাহাটীলৈ আহিবলৈ সমৰ্থন নাই। গতিকে নতুকৈ টাউন আৰু মিউনিচিপাল কমিটি কৰা ব্যৱস্থা ল'ব লাগে।

* শ্ৰীবিৰাজ কুমাৰ শৰ্মা (মন্ত্ৰী)ঃ শ্ৰীনৰহ ডাঙৰীয়াই যিটো প্ৰস্তাৱ দিছে সেই ক্ষেত্ৰত কিছুমান ঠাইৰ পৰা টাউন কমিটিৰ কৰিব নালাগে বুলি আপত্তি আহিছে। তেওঁলোকক যিটো টকা দিয়া যায় সেইটো অতি নগণ্য। বহুত টাউন কমিটিয়ে দৰমহাই দিব পৰা নাই। তেওঁলোকৰ আয় কম। ডি আৰ ডি এৰ পৰা তেওঁলোকে যথেষ্ট টকা পইচা পায়। টাউন কমিটিয়ে কৰিলে টেক্স দিব লাগিব আৰু ডি আৰ ডি এৰ পৰা একো নোপোৱা হ'ব। ঢকুৱাখানাৰ কথাটোত বিধায়কে লিখিতভাৱে দিলে টাউন কমিটি কৰা ব্যৱস্থা ল'ম। তাৰ উপৰি ডি চি এ ভালকৈ ৰিপোৰ্ট দিব লাগিব।

Mr. Dy. Speaker : I now put the motion before the House.

The motion is that 'The Assam Municipal (Amendment) Bill, 1997' be taken into consideration.

Those who are in favour, say, 'Ayes'

Those who are against, say, 'Noes'

'Ayes' have it, 'Ayes' have it, Ayes' have it.

---

* Speech not corrected

The motion is passed.

Now, item No. 7(b) :

There is no amendment in clauses 2 and 3 of the Bill. I now put clauses 2 and 3 of the Bill before the House.

The question is that -

"Clauses 2 and 3 do stand part of the Bill"

Those who are in favour, say, 'Ayes'

Those who are against, say, 'Noes'

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clauses 2 and 3 do form part of the Bill.

I now put clause 1, Preamble, Enacting Formula and Short Title of the Bill before the House.

The question is that -

"Clause 1, Preamble, Enacting Formula and Short Title do stand part of the Bill."

Those who are in favour, say, 'Ayes'

Those who are against, say, 'Noes'

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clause 1, Preamble, Enacting Formula and Short Title do stand part of the Bill.

Now, item No. 7(c) : Hon'ble Minister, Municipal Administration to move.

Shri Biraj Kumar Sarma (Minister Municipal Administration) : Sir, I beg to move that the Assam Municipal (Amendment) Bill, 1997 be passed,

Mr. Deputy Speaker : I now put the motion before the House.

The motion is that - 'The Assam Municipal (Amendment) Bill, 1997 be passed.

Those who are in favour, say, 'Ayes'

Those who are against, say, 'Noes'

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The motion is passed, The Bill is passed.

The House adjourned till 6.00 pm in the evening.

The House stood adjourned at 11.30 pm. till 6 pm today the 20th August, 1997)

(The Assembly reassembled at 6.00 p.m. with Hon'ble Speaker in the Chair)

মাননীয় অধ্যক্ষ ঃ মই এই পবিত্ৰ সদনত জনাবলৈ ওলাইছো যে যোৱা ১৯ আগষ্ট তাৰিখে সদনৰ অনুমোদন ক্ৰমে বিধানসভাৰ এটা সৰ্বদলীয় প্ৰতিনিধি দলে বিধানসভাৰ অধ্যক্ষৰ দলপতিত্বত দুস্কৃতিকাৰী অধ্যুষিত নলবাৰী জিলা খৈৰাবাৰী, মেচগুৰী আৰু নবীন নগৰ এলেকা ভ্ৰমণ কৰি অৱস্থাৰ বুজ লৈ এটা প্ৰতিবেদন যুগুত কৰে আৰু এই প্ৰতিবেদনটো বিধানসভাৰ সৰ্বদলীয় প্ৰতিনিধি দলৰ সৰ্বসন্মতি ক্ৰমে পবিত্ৰ সদনত মাননীয় বিধায়কৰ জ্ঞাতাৰ্থে দাখিল কৰা হৈছে।

Now, item No. 8 discussion on Censure Motion. To start the discussion, I would request the Hon. members participating in the discussion from both the sides of the House to remain within the time limit as announced in the meeting of the Business Advisory Committee. There are four Hon. members including the leader of the Opposition. I would now request the Hon. Member, Shri Silvius Condpan to move the Motion and Speak.

শ্ৰীচিলভিয়াচ কন্দপান ঃ আমি আজি এই চেনচৰ মোচন ইয়াত আনিছো। কিয়নো অসম ৰাজ্যৰ পৰিস্থিতি আৰু বিভিন্ন প্ৰচাৰ মাধ্যমৰ যোগেদি এই পৰিস্থিতিবিলাক অসমৰ ৰাইজৰ জ্ঞাতাৰ্থে দাঙি ধৰা হৈছে। সেই কাৰণেই আজি এই প্ৰস্তাৱটো অনা হৈছে। আমি চৰকাৰক কি ক'ব খুজিছো, ক'ব খুজিছো যে অসম ৰাজ্যৰ আইন-শৃংখলা ৰক্ষা কৰাত চৰকাৰ সম্পূৰ্ণ ব্যৰ্থ হৈছে। সমালোচনাৰ বাবে ব্যৰ্থ হোৱা বুলি কোৱা কথা নহয়। যোৱা কালি এই সদনৰ কাৰ্যসূচী আৰম্ভ হোৱাৰ লগে লগে - শাসক দলৰ কেইবাটাও গোষ্ঠী আছে সেই গোষ্ঠীৰ ভিতৰত জ্যেষ্ঠ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই ঠিয় হৈ এই প্ৰশ্নটো উত্থাপন কৰিছিল যে আজি আমি সদনৰ কাম-কাজ বাদ দিব লাগিব এই কাৰণেই বাদ দিব লাগিব যে ভ্ৰাতৃঘাতী আন্দোলন আৰম্ভ হৈছে। সেইবিলাক যদি আমি সাধাৰণভাৱে এৰি দিও

তেনেহ'লে গোষ্ঠীগত সংঘাত হ'ব। তেতিয়া অসমৰ বাবে ভৱিষ্যত অতি দুৰ্ভাগ্যজনক হ'ব। এইটো অকল আমাৰ কথাই নহয়, শাসক দলত কেইবাটাও দল আছে তাৰে এটা দলৰ এজন জ্যেষ্ঠ মাননীয় সদস্যই কৈছে। একেটা বাক্যতে কৈছে অসমৰ পৰিস্থিতি আজিৰ দিনত কি? সেই কাৰণে আমি পলম নকৰাকৈ আমিও সেই কথাখিনিত সঁহাৰি দিছো। অসমৰ অৱস্থা অতি বেয়া আৰু আজিৰ পৰিস্থিতি অতি বেয়া। আৰু আমি ইয়াত মেল মিটিং কৰি আলোচনা-বিলোচনা কৰি সময় কটোৱাতকৈ সেই বিলাক ঠাইলৈ যাব লাগে। সেই কথাত কাৰো দ্বিমত নহয়। সদনৰ যি কাৰ্যসূচী সেইখিনি সময়মতে পালন কৰাৰ পাছত ততাতয়াকৈ আপুনি এই মাননীয় সদস্যসকলক লৈ সেই ঘটনাস্থলী বিলাক চাই আহিব লাগে। সেইখিনি প্ৰচেষ্টাৰ কাৰণে আমি আমাৰ দলৰ ফালৰ পৰা ধন্যবাদ দিছো। আজি অসমৰ পৰিস্থিতি অসমৰ আইন-শৃংখলাৰ পৰিস্থিতি বিষয়ে মাননীয় সদস্যসকলে বিশেষকৈ শাসক দলৰ ফালৰ পৰা উত্থাপন কৰিছে। ইয়াত কোনো কাৰণত দলীয় কথা নানি ইয়াত সেই পৰিস্থিতি সম্পৰ্কে গুৰুত্ব দি আমি একে বাক্যতে কম যে আৰু সম্পূৰ্ণভাৱে স্বীকাৰ কৰিছো যে অসমৰ আইন-শৃংখলা ৰক্ষা কৰাত সম্পূৰ্ণ ব্যৰ্থ হৈছে। যোৱা ১৫ মাহে এই চৰকাৰে শাসন ভাৰ চলাই আহিছে। আমি আমাৰ কংগ্ৰেছ দলৰ ফালৰ পৰা ক'ব বিচাৰো যে ৰাজ্যখনৰ পৰিস্থিতি বহুত দিনৰ পৰা ঘূণ লাগি আহিছে। সেই অৱস্থাটো ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈকে যেতিয়া কংগ্ৰেছ দলে শাসনভাৰ লৈছিল তেতিয়া বেয়াৰ পৰা ভাললৈ যথেষ্ট আনিছিল সেই পাঁচ বছৰত একেলেঠাৰিয়ে গোষ্ঠীগত সংঘৰ্ষ, একেলেঠাৰিয়ে হত্যা, একেলেঠাৰিয়ে লুণ্ঠন, ধৰ্ষণ খবৰ কাগজত ওলোৱা নাছিল। কিন্তু আজিৰ দিনত কি হৈছে? অসমৰ ৰাইজে যেতিয়া খবৰ কাগজ মেলি লয় তেতিয়া ধৰ্ষণ, লুণ্ঠন, হত্যা, অপহৰণৰ বাহিৰে অন্য খবৰ নাই। আজি অগপ দলৰ চৰকাৰ আমাৰ ৰাজ্যত ভাগ্যবান দল। কিয়নো আজি স্বাধীনতাৰ ৫০ বছৰ পূৰ্ণ কৰা সোণালী জয়ন্তী উৎসৱ পালন কৰাৰ সৌভাগ্য আমাৰ ঘটিছে। এই উৎসৱ পালন কৰাৰ কাৰণে সৰ্বদলীয় সভা হৈছিল আৰু সেই সভাত আমিও কৈছিলো যে আমাৰ চৰকাৰেও আমাক প্ৰতিশ্ৰুতি দিছিল যে এই উৎসৱ যথেষ্ট উলহ-মালহেৰে পালন কৰিম। কিন্তু আইন-শৃংখলাৰ পৰিস্থিতি ইমান বেয়া হৈছে যে নিৰাপত্তা বোধ নকৰা বাবে গুৱাহাটী চহৰত সৌ সিদিনা জজ ফিল্ড পথাৰত মানুহ নগ'ল।

মাননীয় অধ্যক্ষ মহোদয়, আজি আইন-শৃংখলাৰ পৰিস্থিতি এনেকুৱা পৰ্যায়ত পাইছেগৈ যে কোনো মানুহে নিৰাপত্তা বোধ নকৰা হৈছে। অধ্যক্ষ মহোদয়, যাৰ ফলত সোণালী জয়ন্তী উৎসৱৰ লেখীয়া মাহন অনুষ্ঠানলৈও মানুহ নগ'ল, যাব পৰা নাই। ঘৰতে বহি থাকিল। জজ ফিল্ডলৈ উপস্থিত নহ'ল। তাত উপস্থিত থাকিল বিষয়া-কৰ্মচাৰীসকলেহে কেৱল। মই নিজেই গৈছিলে তালৈ। সেই আজি ক'ব খোজো চৰকাৰে মানুহক অভয় দিব পৰা নাই, তেওঁলোকে নিৰাপত্তা দিব পৰা নাই। আমিও স্বাধীনতা দিসৱ পালন কৰিছিলো। তাত আমিও ৰাইজৰ সহযোগিতা বিচাৰিছিলো আৰু আমি সঁহাৰি পাইছিলো। আমি ১০ হেজাৰ মানুহেৰে ৰাষ্ট্ৰীয় দিসৱ পালন কৰিছিলো। অধ্যক্ষ মহোদয়ে, আজি এই

অৱস্থাটোৱে কি বুজায়। এইটোৱে বুজায় যে চৰকাৰে আমাক নিৰাপত্তা দিব পৰা নাই। আজি আমাৰ মানুহে সাধাৰণভাৱে ভাবিছে যে আমাৰ সা-সম্পত্তিৰ নিৰাপত্তা নাই, জীৱনৰ নিৰাপত্তা নাই, কোনোৱে চিকিউৰ ফিল নকৰা হৈছে। গতিকে আজিৰ অৱস্থা দেখি আমাৰ কংগ্ৰেছ দলে দায়িত্ব পালন কৰিছো। আমি এই সদনত চৰকাৰৰ বিভিন্ন দিশত ব্যৰ্থ হোৱা কথাবিলাক ক'ব বিচাৰিছো। ৰাইজক সা-সম্পত্তি ৰক্ষাত ব্যৰ্থ হোৱা বুলি আৰু মানুহে শান্তিৰে থকাৰ অৱস্থা ঘূৰাই অনাই কাৰণে ব্যৰ্থ হোৱা বুলি আমি চৰকাৰক সমালোচনা কৰিছো এই বিলাক দিশত গৃহমন্ত্ৰী তথা মুখ্যমন্ত্ৰী ব্যৰ্থ হোৱা বুলি অনুভৱ কৰিছো। এই চৰকাৰে মানুহক ৰক্ষণাবেক্ষণ দিবলৈ সমৰ্থ হোৱা নাই। সেই কাৰণে আমাৰ দলৰ ফালৰ পৰা ভৰ্ৎসনা প্ৰস্তাৱ এই কাৰণে আনিছো। এই ভৰ্ৎসনা প্ৰস্তাৱটো ৰাজনৈতিক দিশত নানি বাস্তৱৰ কথা স্বীকাৰ কৰি গ্ৰহণ কৰিব বুলি আশা কৰিলো।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো বৰ দুৰ্ভাগ্যজনক কথা, আজি আমাৰ গৃহ দপ্তৰৰ দায়িত্বত থকা মন্ত্ৰী তথা মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে এটা ভৰ্ৎসনা প্ৰস্তাৱ আনিবলগীয়া হৈছে। এই প্ৰস্তাৱ আমি আনিবলৈ বাধ্য হৈছো এই কাৰণে যে আজি অসমৰ অৱস্থা দিনক দিনে বেয়াৰ ফাললৈ গৈছে। ইয়াৰ পৰা অসমক ৰক্ষা কৰা প্ৰয়োজন হৈছে। আজি অসমৰ এদিনো বাদ নাযায় য'ত নিৰীহ জনসাধাৰণৰ তেজৰে ৰক্তাক্ত নহয়। এনে এটা দিন নাযায় য'ত জনসাধাৰণৰ পৰা জোৰ জবৰদস্তি কৰি সন্ত্ৰাসবাদীয় লাখ লাখ টকা আদায় নকৰে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী তথা গৃহমন্ত্ৰীৰ সংবাদপত্ৰৰ ওপৰত এটা অভিযান আছে। পত্ৰকাৰ সকলো ষ্টোৰী লিখে। এইটো সঁচা যে এতিয়া যেনে ধৰণে দিনে দিনে অপহৰণ, হত্যা, আদি হৈ আছে, আনকি ধৰ্ষণৰ নিচিনা কামো হৈছে — এই বিলাক পৰিস্থিতিৰ কাৰণে কোন জগৰীয়া? তাৰ কাৰণে আমি জগৰীয়া কৰিম বৰ্তমান চৰকাৰৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী গৰাকীক। যোৱা নিৰ্বাচনৰ সময়ত এই চৰকাৰৰ এ জি পি দলে নিৰ্বাচনৰ প্ৰতিশ্ৰুতি দিছিল যে জনসাধাৰণৰ সম্পত্তি, জীৱন ৰক্ষা কৰিব। বৰ্তমানৰ মুখ্যমন্ত্ৰীগৰাকীয়ে জজ ফিল্ডত কৈছিল যে তেখেতৰ চৰকাৰ আহিলে বন্দুকৰ গুলীত ৰাতি নুপুৱাই, কুলিৰ শুৱলা শব্দতহে ৰাতি পুৱাব। কিন্তু আজি আমি দেখিছো প্ৰতিটো দিনত শ শ মানুহ, এ কে-৪৭ৰ শব্দত সাৰ পায়। মুখ্যমন্ত্ৰী তথা গৃহ বিভাগৰ মন্ত্ৰীয়ে উত্তৰত ষ্টেটিষ্টিক দি ক'ব। তেখেতে কয় যে কংগ্ৰেছৰ দিনত যিমান ঘটনা হৈছিল আমাৰ দিনত সিমান হোৱা নাই। তুলনামূলকভাৱে আমাৰ অৱস্থা ভাল। কিন্তু আজি এনে ধৰণৰ উত্তৰে সমস্যা সমাধান নকৰে। যোৱা কংগ্ৰেছৰ দিনত কি কি হৈছিল তাৰ লগত তুলনা কৰিলেই এই চৰকাৰৰ এফিচিয়েঞ্চি নুবুজায়। ১৯৯১ চনত ৭৬ জন সন্ত্ৰাসবাদী নিহত হৈছিল। ১৯৯৬ চনৰ জুন মানৰ পৰা ১৯৯৭ চনৰ জুনলৈ অসমত ৩৬৭ জন মানুহক মাৰিলে। ১৯৯২ চনত ৭৩ জন, '৯৩ চনত ৯৭ জন। তাৰ বিপৰীতে ১ বছৰৰ ভিতৰত মৰিছে ৩৬৭ জন। '৯১ চনত ১৯, '৯২ চনত ২৩ জন, তাৰ বিপৰীতে বৰ্তমান অসমত ১ বছৰত মৰিছে ৫৮ জন।

* Speech not corrected

আজি অসমৰ অৱস্থা এনেকুৱা হৈছে যে বোমাত ৰেল লাইন উৰাই দিছে। ৰাজধানী এক্সপ্ৰেছত ৫০০ মানুহ কথমপি ৰক্ষা পৰিছে। লক্ষীমপুৰত ৰেলৰ বোমাত ৭ জন মৰিছে। গোঁসাইগাওঁত ৰেল বাগৰিছে, বোমা বিস্ফোৰণ ঘটিছে। যাৰ ফলত ৰাজধানী এক্সপ্ৰেছ বন্ধ কৰি দিয়া হৈছে। কেতিয়া চলাব পাৰিব সেইটো এটা প্ৰশ্ন হৈছে। ৰেলাৱে কৈছে ৰাজধানী এক্সপ্ৰেছ চলাব পৰা নহ'ব। বোমাৰে ব্ৰীজ উঠাই দিয়া হৈছে, যাৰ ফলত খাদ্যসামগ্ৰীৰ দাম বাৰিষাৰ বানপানীৰ নিচিনাকৈ বাঢ়ি গৈ আছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি আমি বৰ্তমান গৃহমন্ত্ৰী তথা মুখ্যমন্ত্ৰী যিজন আছে তেখেতক নিশ্চয় দোষাৰোপ কৰিম কিয়নো তেখেতে এটা দলৰ সভাপতি আছিল। তেখেতে নিৰ্বাচনৰ আগতে প্ৰতিশ্ৰুতি দিছিল যে তেখেতৰ দল জিকি আহিলে সৈন্য বাহিনীক বেৰেকলৈ পঠাব। তেখেতে ক'লা আইন বুলি কোৱা আইনখন আজিকালি বগা আইন হ'ল। তেখেতে আত্মনিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব বুলি কৈছিল। এতিয়া সেই আত্মনিয়ন্ত্ৰণ আৰু স্বাধীনতাৰ পাৰ্থক্য কি। তেখেতে এটা সংগঠনক আকৰ্ষণ কৰিছিল। এইটো সত্য যে তেখেতসকলক আলফাৰ সদস্যসকলে সহায় কৰিছিল। এই তিনিচুকীয়াত সৰ্বদলীয় সভা অৰ্থাৎ মিত্ৰ দলীয় সভাত এই কথাটো কৈছে। পি ডি এফৰ সদস্য শ্ৰীৰবিৰাম ব্ৰহ্মাই এইকথা কৈছিল। এই এ জি পি চৰকাৰ বাঘৰ পিঠিত উঠি আহিছে, আহিব লাগিছিল হাতীৰ পিঠিত উঠি। কিন্তু এতিয়া বাঘৰ পিঠিৰ পৰা কেনেকৈ নামিব লাগে তেওঁলোকে জানিব।

মাননীয় অধ্যক্ষ মহোদয়, ভাৰতৰ পাকিস্থানৰ লগত কেইখন যুদ্ধ হৈ গ'ল। এই যুদ্ধত কেইজন ব্ৰিগেডিয়াৰ বা কৰ্ণেল মৰিছিল, এজনো মৰা নাছিল। কিন্তু এ জি পিৰ শাসন কালত এজন ব্ৰিগেডিয়াৰ, ৪ জন কৰ্ণেল মৰিলে আৰু এজন আই জি পি আৰু এজন এচ পি মৰিলে। তাৰ পিছতো ক'ব পাৰিব নেকি এই চৰকাৰৰ দিনত ভাল কাম কৰিলে। এই চৰকাৰৰ দিনতে সঞ্জয় ঘোষৰ মৃত্যু হ'ল। মাজুলী এখন ভিতৰুৱা পিছ পৰা ঠাই। সেই ঠাই উন্নতিৰ কাৰণে টকা পইচাৰ সৈতে এন জি ও আগবাঢ়ি আহিছিলে। তাৰ পৰা সঞ্জয় ঘোষক অপহৰণ কৰা হ'ল, তাৰ পিছত তেওঁৰ মৃত্যু হ'ল। এই চৰকাৰে তেওঁক ৰক্ষণাবেক্ষণ দিব নোৱাৰিলে। সঞ্জয় ঘোষ আৰু আলফাৰ মাজত মনোমালিন্য হৈছিল সেই কথা চৰকাৰে জানে। তেওঁক চিকিউৰিতি দিব লাগিছিল তেওঁ নিবিচৰা কাৰণে সেইটো দিয়া নহ'ল। কিন্তু তেওঁক ক'ব লাগিছিল যদি তেওঁ চিকিউৰিতি নলয় তেন্তে ইয়াৰ পৰা গুচি যাব লাগিব। সঞ্জয় ঘোষৰ মৃত্যুত ৰাজ্যসভাৰ উপাধ্যক্ষ নেজমা হেপতোল্লাই এইটো অতি দুৰ্ভাগ্যজনক বুলি কৈছে। আইন-শৃংখলাৰ পৰিস্থিতি এই চৰকাৰে চম্ভালিব পৰা নাই — এইটো আমাৰ কথা নহয়। এই বিলাক কাৰণতে আজি আমি কংগ্ৰেছ দলে অসমত ৰাষ্ট্ৰপতি শাসন বিচাৰিছো। কংগ্ৰেছৰ দিনতে নগেন নেওগৰ মৃত্যু হৈছিল। কি পৰিস্থিতিত তেওঁৰ মৃত্যু হৈছিল সেইটো মুখ্যমন্ত্ৰীয়ে নেজানে। নগেন নেওগৰ মৃত্যুৰ বিষয়টো আমি চি বি আইৰ তদন্ত বিচাৰিছো। সেইটো চি বি আইক তদন্তৰ কৰিবলৈ দিয়াৰ সৎ সাহস চৰকাৰৰ নাই। কিয়নো কেচু খান্দোতে সাপ বাহিৰ হ'ব পাৰে। বৰ্তমান

* Speech not corrected

চৰকাৰ এই বিলাক চম্ভালিব পৰা নাই — যাৰ কাৰণে পুলিচৰ আগতে ব্ৰিগেডিয়াৰ নিহত হ'ল কৰ্ণেল নিহত হ'ল, আই জি পি নিহত হ'ল, গণেশগুৰি চাৰিআলিত আলফাৰ সদস্য মানুহ হত্যা কৰিছে। ২০ মিনিট সময় ব্ৰিগেডিয়াৰ এজন ৰাস্তাত পৰি থাকিল। আমি অসমৰ মানুহে এইটোত লাজ পাইছো। গৃহমন্ত্ৰীয়ে এই কথাটো 'ভেৰিফাই' কৰিব নেকি? দৰং জিলাৰ কলাইগাঁও পুলিচ থানাৰ অন্তৰ্গত ডিৰুপাৰ গাঁৱত ১০/৮/৯৭ তাৰিখে আৰ্মিয়ে ৰেড কৰিবলৈ যোগাযোগ কৰিছিল।

(সদনত হুলস্থূল)

১০-৮-৯৭ তাৰিখে পুলিচে কলিয়াবৰ থানাৰ অন্তৰ্গত গাঁও এখন ৰেইড কৰিবলৈ গৈছিল কিন্তু আৰ্মি গৈ পোৱাৰ আগতে পুলিচে তাত খবৰ দিয়াৰ কাৰণে উগ্ৰপন্থী সকল পলাই যাবলৈ সক্ষম হৈছিল। পুলিচে আগতীয়াকৈ জনাই দিয়া কথাটো সঁচা হয় নে নহয় মই জানিব বিচাৰিছো। ইয়াৰ কাৰণে উগ্ৰপন্থী ধৰিব পৰা নাই। মই গাঁওখনৰ নাম কোৱা নাই। আকৌ যোৱা ২১-৭-৯৭ তাৰিখে উগ্ৰপন্থীসকলে গাওঁবাসীৰ পৰা পইচা বিচাৰিছিল। আমাৰ লগত মাননীয় চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া তালৈ গৈছিল আৰু দেখিবলৈ পাইছে কিমান দুখীয়া সেই পৰিয়ালবিলাক। ইমান দুখীয়া লোকৰ পৰা টকা বিচাৰিছে। ৰাইজে গৈ নলবাৰীৰ ডি চি-ক জনাই দিলে পইচা বিচৰা বুলি। ২৭ তাৰিখ আছিল পইচা জমা দিয়াৰ শেষ তাৰিখ। কিন্তু ইয়াৰ ভিতৰত জিলা প্ৰশাসনৰ পৰা কোনো ব্যৱস্থা লোৱা নহ'ল। তাৰ ফলত গাওঁবাসীক গুলিয়াই মাৰিলে। তাৰ বিপৰীতে নবীন নগৰত বড়ো সম্প্ৰদায়ৰ লোকক গুলিয়াই মাৰিলে। খৈৰাবাৰীত ১৮ তাৰিখে ঘটনা ঘটিল। নবীন গাওঁত ছয় ঘৰ জ্বলিল। মানুহৰ নিৰাপত্তা আৰু জীৱনৰ সুৰক্ষা দিব পৰা নাই। পইচা বিচৰাৰ পিছত ডি চিক জনোৱাৰ পিচত চৰকাৰৰ দায়িত্ব আছিল সেই মানুহখিনিক নিৰাপত্তা দিয়া কিন্তু চৰকাৰ ব্যৰ্থ হ'ল। অধ্যক্ষ মহোদয়, আজি অসমত এনে এটা পৰিস্থিতি হৈছে যে যি কোনো সময়তে মাইনৰিটিৰ ওপৰত মেজৰিটিয়ে আক্ৰমণ কৰিব পাৰে। আজি চৰকাৰে এই বিলাক কামত কোনো ব্যৱস্থা ল'ব পৰা নাই। এই অৱস্থাৰ কাৰণে কোন জগৰীয়া। ইয়াৰ কাৰণে দলৰ নেতা জগৰীয়া। তেওঁৰ দক্ষতাৰ অভাৱ। সেই কাৰণে এই বিলাক পৰিস্থিতি আৰু ঘটনা ঘটিবলৈ সম্ভৱ হৈছে। ব্যৱসায়ীসকলে অসম এৰি গৈছে। শিল্পপতি সকল অসমৰ পৰা যাবলৈ ওলাইছে। অসমৰ জনগণে ৰাজ্য চৰকাৰৰ বিৰুদ্ধে যোৱা পোন্ধৰ আগষ্টৰ দিনা অনাস্থা প্ৰকাশ কৰিছে। চৰকাৰে কৈছে স্বৰ্ণ জয়ন্তী পালন কৰিবলৈ জনসাধাৰণ ওলাই আহিব লাগে। কিন্তু উগ্ৰপন্থীসকলৰ তৰফৰ পৰা জনতা কাৰফিউ দিছিল। আৰু জনসাধাৰণে উগ্ৰপন্থীৰ জনতা কাৰফিউ মানি নল'লে। বৰ্তমানৰ মুখ্যমন্ত্ৰী ছাত্ৰ সন্থাৰ নেতৃত্বত থাকোতে যি জনতা কাৰফিউ দিছিল সেইটো এতিয়া নিজৰ ওপৰতে বুমেৰাং হৈ পৰিছে। জনসাধাৰণ ওলাই অহা নাই। চৰকাৰৰ ওপৰত জনসাধাৰণৰ আস্থা হেৰাই গৈছে। উত্তৰ-পূৰ্বাঞ্চলত যিমানবিলাক উগ্ৰপন্থী সংগঠন আছিল সকলোৱে স্বাধীনতা দিৱস বৰ্জনৰ ঘোষণা কৰিছিল। ত্ৰিপুৰা, মিজোৰাম, মেঘালয়, অৰুণাচল ক'তো কোনো ঘটনা সংঘটিত নহ'ল। আনকি সদায় ঘটনা সংঘটিত হৈ থকা মণিপুৰতো কোনো ঘটনা নঘটিল।

---

* Speech not corrected

নগালেণ্ডতো দুই এটা ঘটনা ঘটিছে। ইয়াৰ পিছতো গৃহমন্ত্ৰী ভৰ্ৎসনা জনাব নালাগে বা ৰাষ্ট্ৰপতিৰ শাসন হ'ব নালাগে বুলি ক'ব লাগে? অধ্যক্ষ মহোদয়, বহুত বিলাক পৰ্টফলিঅ' লৈ মহন্ত ডাঙৰীয়াই একো কৰিব পৰা নাই। ইলেকট্ৰিচিটি, কোঅপাৰেশ্বনৰ নিচিনা পোৰ্টফলিঅ' আৰু বহুত বিভাগ লৈ আছে। ল' বিভাগ লৈ আছে। এতিয়া আপোনালোকে হাঁহি থাকিলে লাহে লাহে আপোনালোক মাটিৰ তললৈ গৈ আছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ইমানবিলাক পৰ্টফলিঅ' অলপ কমাই বাৰ্ডেন লেচ কৰিব লাগে। গৃহ দপ্তৰৰ বাবে যোগ্য লোক নাই নেকি? ভাল মানুহক গৃহ দপ্তৰ দিয়ক। কিয়নো টেক'ল কৰাত ব্যৰ্থ হৈছে। ভৃগু ফুকন আছে আপোনালোকৰ মাজত, তেওঁক দিয়ক; নহ'লে পুলকেশ বৰুৱা আছে তেওঁক দিয়ক, কিয় নোৱাৰিব। যিহেতু আপুনি ব্যৰ্থ হৈছে সেই কাৰণে ভৰ্ৎসনা জনাইছো আৰু আপোনাক আপোনাৰ বিভাগৰ দায়িত্বৰ পৰা পদত্যাগ কৰিবলৈ অনুৰোধ জনাইছো।

**Mr. Speaker: Now Hon'ble member Shri Bharat Ch. Narah.**

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি মাননীয় শ্ৰীতৰুণ গগৈ ডাঙৰীয়াই সাংবাদিক মেলত সকলো কথা কৈছে। সাংবাদিক মেলত সভাপতি গগৈ ডাঙৰীয়াই অতি বেচি গুৰুত্বপূৰ্ণ কথা কৈছে। ৰাজ্যখনত অশান্তি হোৱাৰ পৰিপ্ৰেক্ষিতত জনপ্ৰিয় চৰকাৰ এখন গঠনৰ পিচত শান্তিৰ পৰিবেশ গঢ়ি উঠিব লাগিছিল আৰু অশান্তিৰ পৰিৱেশ বিনষ্ট হ'ব লাগিছিল। পাঞ্জাবত সেইটো হৈছে। নতুন মুখ্যমন্ত্ৰী হোৱাৰ পিচত অশান্তি লাহে লাহে নোহোৱা হৈছে। জম্মু আৰু কাশ্মীৰত আগতে আটাইতকৈ বেচি অশান্তি আছিল। সন্ত্ৰাসবাদ আছিল। কিন্তু ফাৰুক আব্দুল্লা মুখ্যমন্ত্ৰী হোৱাৰ পিচত অশান্তিৰ বাতাবৰণ বিনষ্ট হৈ শান্তিৰ বাতাবৰণ ঘূৰি আহিছে। যোৱা নিৰ্বাচনৰ পিচত অসম গণ পৰিষদ দল ক্ষমতালৈ আহিল আৰু ৰাইজে বিশ্বাস কৰিছিল অসমলৈ শান্তি ঘূৰি আহিব। কিন্তু গণ পৰিষদ দলৰ চৰকাৰ হোৱাৰ পিচতো ৰাইজৰ এই বিশ্বাস আৰু আস্থা নাথাকিল। ময়ো গণ পৰিষদ দলৰ নেতা আছিলো। কিন্তু এতিয়া গণ পৰিষদ দলৰ নেতৃত্বত যি চৰকাৰ আছে এইটো কংগ্ৰেছ আই বুলিয়ে ক'ব পাৰি। মহন্ত ডাঙৰীয়াই ২য় বাৰ মুখ্যমন্ত্ৰী হোৱাৰ পিচত চি পি এমৰ নন্দেশ্বৰ তালুকদাৰ, হেমেন দাসৰ নিচিনা নেতাক লগতে পাইছে। ইউ এম এফৰ আব্দুল গোলাম ওচমানিৰ নিচিনা লোকৰ পৰামৰ্শ পাইছে। আজি এইটো মৰ্চা চৰকাৰ। চি পি আই, চি পি এম, এ এচ ডি চি, পি ডি এফ, মাইনৰিটি, এই সকলো বিলাক আছে। ৬ মাহ হৈ গ'ল। কাৰ্যভাৰৰ পিচতে এচ পিক মাৰিলে, পৰাগ দাসক মাৰিলে। সেইটো বাৰু ক্ষমা কৰিব পাৰি। কিন্তু ৬ মাহৰ পিচত গৈ গৈ এতিয়া ১৪ মাহ হ'ল। কংগ্ৰেছ চৰকাৰৰ দিনত বৰপেটাত মাত্ৰ এটা সংখ্যালঘুৰ ওপৰত আক্ৰমণ হৈছিল। কিন্তু এতিয়া ২ জুলাইৰ পৰা ৯ আগষ্ট পৰ্যন্ত অনবৰত হত্যাকাণ্ড চলিয়ে আছে। এইবিলাক দেখিলে কোনো সাধাৰণ মানুহে ভাবিব নোৱাৰে যে

* Speech not corrected

ৰাজ্যখনত এখন চৰকাৰ আছে। নিৰ্বাচনৰ আগতে প্ৰমোদ গগৈ ডাঙৰীয়াই শান্তি ঘূৰাই অনাৰ কাৰণো উগ্ৰপন্থীৰ লগত ৰাজনৈতিক আলোচনা কৰাৰ কথা কৈছিল কিন্তু এতিয়া কি কৰিছে? ১৯৯৫ চনৰ ২৪ অক্টোবৰ তাৰিখে মহন্ত ডাঙৰীয়াই প্ৰচাৰ প্ৰক্ৰিয়াত কৈছিল সামৰিক বাহিনীৰ দ্বাৰা সন্ত্ৰাসবাদ বন্ধ কৰাটো এটা আওপুৰণি কথা। উগ্ৰপন্থীসকলৰ মনত ক্ষোভ আৰু বেদনা আছে। এইবিলাক কথা কৈছিল। বেচি দিন হোৱা নাই। কিন্তু এতিয়া অসমত কাৰো নিৰাপত্তা নোহোৱা পৰিস্থিতি।

এসপ্তাহৰ ভিতৰতে দুটা তিনিটা বোমা বিস্ফোৰণ হৈছে। আগতেও ৰেলত বোমা বিস্ফোৰণ হৈছিল। কিন্তু এতিয়া এসপ্তাহৰ ভিতৰতে দুটাকৈ বোমা বিস্ফোৰণ হৈছে। তেনেকুৱা আগতে কেতিয়াও হোৱা নাছিল। আজি ৰাজধানী এক্সপ্ৰেছ নচলে। দুই এখন চলি আছে যদিও সেই কিখনো সোনকালে বন্ধ হৈ যাব। সেয়েই আজি আমি ভৰ্ৎসনা প্ৰস্তাৱ আনিব লগা হৈছে। অসম গণ পৰিষদ দলৰ চৰকাৰখনৰ আমি দেখিছোঁ, তেওঁলোকৰ নেতা বা মন্ত্ৰী বা বিধায়কসকলক যিয়েই নহওক, তেওঁলোকৰ চিন্তা-ভাৱনাবোৰ, কথা-বতৰাবোৰ পূৰঠ নহয়। এতিয়াও আগতকৈ পূৰঠ হ'ব পৰা নাই। আমি কিন্তু ভাবিছিলো ইমান দিনে তেওঁলোকৰ ভাৱ-চিন্তা আদি আগতকৈ বহু পূৰঠ হৈছে। কিন্তু কাৰ্যক্ষেত্ৰত একো দেখা নাই। যোৱা নিৰ্বাচনত মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই নিজেই কৈছিল যেতিয়া ভোট বিচাৰি ৰাইজৰ ওচৰলৈ গৈছিল — কৈছিল যে আমি ১৯৮৫ চনৰ পৰা ১৯৯০ চনত ভুল কৰিছিলো কিন্তু ৰাইজক বিশ্বাসঘাটকতা কৰা নাছিলো। গতিকে আমাক এইবাৰ ভোট দিয়ক আমি এইবাৰ ভুল নকৰো। এই মহন্ত ডাঙৰীয়া ৬ বছৰ অসম আন্দোলনৰ নেতা আছিল, পাঁচ বছৰ আছুৰ সভাপতি আছিল, গতিকে এই মানুহজনৰ একো অভিজ্ঞতা নাই বা নাজানে বুলি ক'লে আমি কিয় মানি ল'ম? ইমান দিন আন্দোলনৰ নেতা হ'ল, প্ৰথমবাৰ মুখ্যমন্ত্ৰী হ'ল আকৌ এতিয়া দ্বিতীয়বাৰ মুখ্যমন্ত্ৰী হৈছে, এতিয়াও তেওঁ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব পৰা নাই কিয়? কেন্দ্ৰত বিৰোধী দল এটাৰ চৰকাৰ থকা হ'লে মই আজি হয়তো এই কথা নক'লোহেঁতেন। কিন্তু এতিয়া মুখ্যমন্ত্ৰীৰ সকলো কথাই প্ৰধানমন্ত্ৰীয়ে শুনে কাৰণ তেওঁলোকে কেন্দ্ৰত চৰকাৰৰ অংশীদাৰ। কেন্দ্ৰৰ গৃহমন্ত্ৰীয়ে এতিয়া অসমৰ মুখ্যমন্ত্ৰীৰ কথা শুনে, প্ৰধানমন্ত্ৰীয়েও শুনে আৰু গৃহ-সচিবেও শুনে। অসম চৰকাৰৰ আমন্ত্ৰণ ক্ৰমে গৃহমন্ত্ৰী আৰু গৃহ সচিব আদি ইতিমধ্যেই অসমলৈ আহি গৈছে। কিন্তু তথাপিও আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হোৱা নাই। আজি মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰৰ পৰা যি বিচাৰিছে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে সকলো পাইছে। আৰ্মি বিচাৰিছে, আৰ্মি পাইছে, পেৰা মিলিটেৰী বিচাৰিছে, তাকো পাইছে, ইউনিফাইড কমাণ্ড বিচাৰিছে, সেয়াও দিছে, আৰু কি লাগে? পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবৰ কাৰণে আৰু কি বস্তু লাগে চৰকাৰক? আকৌ চি পি আইৰ ইন্দ্ৰজিত গুপ্তই কেন্দ্ৰত গৃহমন্ত্ৰী হৈ আছে। ইয়াতো এই দল ৰাজ্য চৰকাৰৰ অংশীদাৰ। তথাপি কিয় ৰাজনৈতিকভাৱে উগ্ৰপন্থীৰ সমস্যাটোৰ সমাধানৰ বাবে আলাপ-আলোচনা আৰম্ভ কৰিব পৰা নাই? মোৰ ভাৱিলেই

* Speech not corrected

আচৰিত লাগে যে আজিৰ পৰা ১৪ মাহ আগতে এই সদনতে আজিৰ ৰাজহ মন্ত্ৰী জয়নাথ শৰ্মা আৰু চন্দ্ৰমোহন পাটোৱাৰীও আৰ্মিৰ নাম শুনিলে জঁপিয়াই উঠিছিল। কিন্তু আজি সেই জয়নাথ শৰ্মাই মন্ত্ৰী হৈ ছিপাঝাৰত সিদিনা ভাষণ দিছে অসমত আৰ্মি লাগে বুলি। আজি আমি দেখিছোঁ চৰকাৰে এই সমস্যা সমাধানৰ কাৰণে ৰাজনৈতিকভাৱে, ৰাজনৈতিক নেতা হিচাপে আৰু দল হিচাপে যি কৌশল ল'ব লাগে আৰু আঁচনি আদি ল'ব লাগে সেইখিনি একো ল'ব পৰা নাই। অলপ আগতে আমাৰ মাননীয় সদস্য অৰ্দ্ধেন্দু দে ডাঙৰীয়াই কৈ গৈছে যে সঞ্জয় ঘোষৰ মৃত্যুৰ বাবে দায়ী আলফা নহয় মুখ্যমন্ত্ৰীহে দায়ী। উগ্ৰপন্থী সংগঠন দায়ী নহয় কাৰণে ৰাইজে ভোট দি আলফাক চৰকাৰক গঠন কৰিবলৈ পঠোৱা নাই, ৰাইজে ভোট দিছে অসম গণ পৰিষদ দলক আৰু চৰকাৰ গঠন কৰিবলৈ সুবিধা দিছে। ৰাইজে কংগ্ৰেছকো ভোট দিয়া নাই, দিছে অসম গণ পৰিষদকহে। গতিকে আমি সঞ্জয় ঘোষৰ মৃত্যুৰ কাৰণে সংবিধান-বহিৰ্ভূত সংগঠন এটাক দোষ দিবলৈ নাযাওঁ কাৰণ ৰাইজে আলফাক মুখ্যমন্ত্ৰী গৃহমন্ত্ৰীক দায়িত্ব দিয়া নাই। দিছে সাংবিধানিকভাৱে নিৰ্বাচিত চৰকাৰ এখনকহে। সঞ্জয় ঘোষক সাৱধান কৰিব কাৰণে দুমাহৰ আগতেই আলফাই প'ষ্টাৰ আদি দোকানে পোহাৰে মাৰি দিছিল আৰু তাৰ পিছতো চৰকাৰে বা প্ৰশাসনে একো নকৰিলে। কাৰণ প'ষ্টাৰ মৰাৰ পিচত এইটো চৰকাৰে চিন্তা কৰিব লাগিছিল যে এই মানুহজন অপহৰণ হ'ব পাৰে বা হত্যাও হ'ব পাৰে, গতিকে তেওঁৰ নিৰাপত্তাৰ ব্যৱস্থা কৰিব লাগিছিল। তেওঁক মাজুলী ত্যাগ কৰিবলৈ বাধ্য কৰিব লাগিছিল নহ'লে যোৰহাট চাৰ্কিট হাউচত আনি ৰখাৰ ব্যৱস্থা কৰিব লাগিছিল। গতিকে আমি এতিয়া ক'বলৈ বাধ্য যে নেতৃত্বত দুৰ্বলতা আছে। এই কথাটো শাসকীয় দলৰ সকলোৱে বিশ্লেষণ কৰি চাব লাগে। কিন্তু কোনেও বিশ্লেষণ কৰি চোৱা নাই। মন্ত্ৰী প্ৰমোদ গগৈ ডাঙৰীয়া বিৰোধী দলৰ নেতা হৈ থাকোতেই কৈছিল যে আমি উগ্ৰপন্থী সংগঠনৰ লগত আলাপ-আলোচনা কৰি এই সমস্যাটোৰ সমাধান কৰাৰ চেষ্টা কৰিম। কিন্তু মন্ত্ৰী হোৱাৰ পিচত তেওঁ আৰু এখোপ ওপৰলৈ গৈ ক'লে যে বিদেশত গৈ হ'লেও আলোচনা কৰিব পৰা যাব। কিন্তু আজিও কিয় সেই আলোচনা আৰম্ভ কৰা নাই? মুখ্যমন্ত্ৰী মহন্তই কৈছে আলফাহে দোষী কাৰণ তেওঁলোক আলোচনালৈ নাহে। আমি কওঁ নহয় চৰকাৰেহে দোষী। আছুৰ সভাপতি হৈ থকা কালত আৰু অসম আন্দোলনৰ সময়ত ইন্দিৰা গান্ধী আৰু ৰাজীৱ গান্ধী ডাঙৰীয়াই কেনেকৈ মধ্যস্থতাকাৰী নিয়োগকাৰী কেনেকৈ নিয়োজিত কৰি সমস্যা সমাধান কৰিছিল মহন্ত ডাঙৰীয়াই ভালদৰে জানিছিল। কিন্তু আজি মধ্যস্থতাকাৰী অমুকক নিয়োগ কৰা হৈছে বুলি নটিফিকেশ্বন কৰা হয়। অজি বড়ো সাহিত্য সভাৰ সভাপতি আৰু অসম সাহিত্য সভাৰ সভাপতিক নটিফিকেশ্বন কৰি মধ্যস্থতা কৰিবলৈ অনুৰোধ কৰা হৈছে। কিন্তু আচলতে এইটো কোনেও জানিব নালাগে, কেবিনেটেও জানিব নালাগে। ক'ত কেনেকৈ কোনে মধ্যস্থতা কৰিছে এই বিলাক কথা সদৰি হ'ব নালাগে। কোনোবা দুই এজনৰ বাহিৰে আনে জানিব নালাগে। ইন্দিৰা গান্ধী বা ৰাজীৱ গান্ধীয়ে যেতিয়া মধ্যস্থতাকাৰী নিয়োগ কৰি আলোচনা আৰম্ভ কৰিছিল তেতিয়া আনকি আছুৰ চাৰিজনমানৰ বাহিৰে আন কোনেও

* Speech not corrected

একো গম পোৱা নাছিল। মই ভাবিছিলো মুখ্যমন্ত্ৰী মহন্ত ডাঙৰীয়াই সেই অভিজ্ঞতাৰ কথা মনত পেলাই তাৰ পৰা সেই জ্ঞানেৰে, অভিজ্ঞতাৰে কামত লাগিব পাৰিব। কিন্তু সেইটো নহ'লগৈ। এতিয়া দেখা গ'ল মধ্যস্থতাকাৰীৰ কাৰণে বিজ্ঞাপন দিছে। সেয়েই হয়তো উগ্ৰপন্থী সংগঠনসমূহেও চৰকাৰৰ এই ক্ষেত্ৰত কোনো আন্তৰিকতা নাই বুলি ভাবিবলৈ বাধ্য হৈছে। আজি বড়োলেণ্ড অটন'মাচ এৰিয়া ঘোষণা কৰাৰ পিচতো কিমান হত্যাকাণ্ড হৈছে সকলোৱে জানে। আজি বি এল টি আৰু বি এচ এফৰ মাজত বিভাজন থকা বুলি সকলোৱে জানে। তথাপি ততাতৈয়াকৈ বড়ো অটন'মাচ কাউন্সিল ঘোষণা কৰি দিলে। গোটেই পৰিস্থিতিটো পৰ্যবেক্ষণ নকৰাকৈয়ে খৰখেদাকৈ কমিটি গঠন কৰি দিলে। গতিকে চাৰিওফালে হত্যা-ধৰ্ষণ আদিৰ নিচিনা ঘটনা বিলাক ঘটিবলৈ পালে।

আজি আপোনালোকে বিশ্লেষণ কৰিছে, চিন্তা কৰিছে কিয় এইটো হৈছে। আপোনালোকে বিশ্লেষণ কৰি মহন্ত ডাঙৰীয়াক বিভিন্ন ধৰণে পৰামৰ্শ দিছে যে আজি ৰাজ্যখনৰ পৰিস্থিতি এনে হোৱাৰ কাৰণে প্ৰধানতঃ মুখ্যসচিব দায়ী। মুখ্যসচিব, গৃহসচিবৰ কাৰণে ৰাজ্যখনৰ এনে অৱস্থা হৈছে। কিন্তু মোৰ মতে মুখ্যসচিব, গৃহসচিব, ডি জি পি কোনো দায়ী নহয়। আপোনালোকে মুখ্য সচিবক বদলি কৰিব পাৰে, গৃহসচিবক বদলি কৰিব পাৰে, ডি জি পিক বদলি কৰিব পাৰে। কিন্তু আজি গৃহমন্ত্ৰীক কোনে বদলি কৰে? মহন্তক আজি কোনে আঁতৰাই। আজি ৰাজ্যখনত বেলেগ এজন গৃহমন্ত্ৰী হোৱা হ'লে তেওঁক বদলি কৰিব পাৰিলেহেঁতেন। কিন্তু মুখ্যমন্ত্ৰীৰ দায়িত্বত থকা গৃহমন্ত্ৰীক কোনে আঁতৰাই। সেই কাৰণে আমি দাবী কৰিছো যে আপোনালোকে পদত্যাগ কৰি ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসন দিব লাগে বুলি আমি দাবী কৰিছো। আমাক অৰ্থাৎ কন্দপান ডাঙৰীয়াক, তৰুণ গগৈ ডাঙৰীয়াক ৰাইজে সোধে কিয় আপোনালোকে ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসন বিচৰা নাই? আমাক ৰাইজে চাৰিওপালে সেইটোৱেই দাবী কৰিছে। সেই কাৰণে আমি মুখ্যমন্ত্ৰীক তথা গৃহমন্ত্ৰীৰ দায়িত্বত থকা মহন্ত ডাঙৰীয়াক পদত্যাগ কৰি ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসন দিয়াব। ১৯৪২ চনত ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী আছিল চেম্বাৰলিন। তেতিয়া জাৰ্মানৰ নেতা হিটলাৰে আক্ৰমণ কৰিবলৈ সিদ্ধান্ত ল'লে। কিন্তু ৰাইজে তেতিয়া চেম্বাৰলিনক দেশৰ স্বাৰ্থৰ খাতিৰত পদত্যাগ কৰিবলৈ দাবী জনাই আৰু ৰাইজৰ সেই দাবীৰ খাতিৰত চেম্বাৰলিনে দেশৰ প্ৰতি থকা তেখেতৰ শ্ৰদ্ধা জনাই চেম্বাৰলিনে পদত্যাগ কৰিছিল। আৰু বিৰোধী পক্ষৰ দলপতি উইনষ্টন চাৰচিলক প্ৰধানমন্ত্ৰীৰ পদত অধিষ্ঠিত কৰিছিল। এয়াই আছিল প্ৰধানমন্ত্ৰী চেম্বাৰলিনৰ দেশৰ প্ৰতি থকা ভক্তিৰ নিৰ্দশন। এতিয়া আমাৰ মুখ্যমন্ত্ৰী মহন্তই সেই যুক্তিতেই পদত্যাগ কৰক। আজি যিটো ভৰ্ৎসনা প্ৰস্তাৱ আনিছে তাক মই সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr. Speaker : I now request Shri Chandra Mohan Patowary to speak.

* Dr. Ardhendu Kumar Dey : Mr. Speaker, Sir, Patowary is a Minister and,

---

* Speech not corrected

therefore, he cannot speak from the seat of a Minister. He should change his seat which is allotted for a Minister and should go to another seat which is allotted for MLA. This is the procedure of the Parliament, Sir.

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয় ............

* Dr. Ardhendu Kumar Dey : Sir, he should change his seat first.

Mr. Speaker. There is a precedent which I have seen in the last proceedings of the parliament. A Minister can take part in the discussion from his own seat and speak.

* Dr. Ardhendu Kumar Dey : It is only admissible in case of Parliament but not in the State Assambly.

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি বিৰোধী তৰফৰ পৰা যি ভৰ্ৎসনা প্ৰস্তাৱ আমাৰ গৃহমন্ত্ৰীৰ বিৰুদ্ধে আনিছে সেই সম্পৰ্কত মই কালিৰে পৰা ভাবি আছো, ভাবি ভাবি কথাটো ভাবিছো — কিন্তু আজি সেইটোৱেই হ'ল। ভৰ্ৎসনা প্ৰস্তাৱ যি আনে, আজি সেই ভৰ্ৎসনা প্ৰস্তাৱ আনিব লাগে কাৰণেই আনিছে, তেখেতসকলৰ নিম্নতম নৈতিকতাখিনি থকা দৰকাৰ। As per Rules of Procedure and Conduct of Business in Assam Legislative Assembly, there is a provision by which a censure Motion can be brought আজি ভৰ্ৎসনা প্ৰস্তাৱ অনাত ভাবিছিলো বিৰোধী পক্ষত থকা সদস্যসকলে বেচিকৈ ক'ব নেকি? কিন্তু দেখিলো ৩ জনমান সদস্যই যিখিনি কথা ক'লে ভালদৰে তেখেতসকলে উত্থাপন কৰিবই নোৱাৰিলে। এইটো বৰ দুখিত তামুলপুৰ, ৰঙিয়া, কুমাৰিকটাত যি ঘটনা সংঘটিত হ'ল তাৰ ওপৰতেই ভৰ্ৎসনা প্ৰস্তাৱ অনা হৈছে। আজি সেই বিলাক জেগাত বঙালী সম্প্ৰদায়ৰ লোক নিহত হৈছে। কন্দপান ডাঙৰীয়াই কৈছে যে এতিয়া যিবিলাক ঘটনা ঘটি আছে সেইবোৰ আগৰ চৰকাৰৰ দিনত হোৱা নাছিল। বাতৰি কাকতৰ ধাৰাবাহিকতা আগতে নাছিল কিন্তু হেণ্ডকাপ দি জেললৈ কিয় নিছিল? আজি ভৰত নৰহ ডাঙৰীয়াই বাতৰি কাকতৰ প্ৰতি 'চিমপেথি' দেখুৱাইছে। তেওঁ যেতিয়াই যি ফালে সুযোগ পাই সেই ফালেই কথা কয়। তেতিয়া মুখ্যমন্ত্ৰীৰ এই চকীখনতে বহি প্ৰয়াত হিতেশ্বৰ শইকীয়াক কৈছিল যে আমি অসম বিধানসভালৈ নিৰ্বাচিত হৈ আহিছো ৰাইজৰ অনুগ্ৰহত, বিশ্বাসত নিৰ্বাচিত হৈ আহিছো, এই ধদুৱা সাংবাদিকসকলৰ অনুগ্ৰহত নহয়, গণ্ডগোল ———————— গণ্ডগোল ———————— গণ্ডগোল ———————— শুনা নেযায়।

(in the midst of the deliberation being made by Shri Chandra Mohan

* Speech not corrected

Patoway (Minister), Sharvashree Bharat Narah. Sarat Borkakoti and Dr. Ardhendu Dey stood up and raised objections to the utterences made by the Hon. Minister, Shri Chandra Mohan Patowary from the proceedings)

* Dr. Ardhendu Kumar Dey : Mr. Speaker Sir, I request you to expundge the utterenee made by Shri Patowari, The proceedings of the House should be brought to check if such utterence was made by the previous Chief Minister.

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ আপুনি জানে নেকি?

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ বিধানসভাৰ কাৰ্য বিৱৰণী চাব।

মাননীয় অধ্যক্ষ ঃ মই বিষয়টো চাম।

* ডাঃঅৰ্ধেন্দু কুমাৰ দে ঃ এক্সপাঞ্জ কৰিব লাগিব।

(সদনত গণ্ডগোল)

মাননীয় অধ্যক্ষ ঃ এজনে কৈছে কোৱা বুলি আৰু বাকী কেইজনমানে কৈছে নাই কোৱা বুলি। বিষয়টো মই চাম।

ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ এই শব্দটো আন-পাৰ্লিয়ামেণ্টাৰী। Sir, the remark made by Hon'ble Minister is quite unparliamentary and it cannot be accepted. This should be expundged from the proceedings.

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ যদি নাই কোৱা এক্সপাঞ্জ কৰিব আৰু যদি কৈছে তেতিয়া হ'লে থাকিব। এতিয়া এই ইচুতো মই বাদ দিলো। এতিয়া এটা কথাৰ প্ৰতি মই আপোনাক বিশেষ অনুৰোধ জনাব বিচাৰিছো যে যিজন সাংবাদিকে আপোনাক মৰম কৰে সেই সাংবাদিকজনকেই আপুনি এই শব্দটো এই বিধানসভাৰ মজিয়াত কৈছিল নে নাই?

*Shri Silvius Condopan: Sir, I want to make a submission. Once this matter has been decided by the House, it Cannot be brought up again by the Hon'ble Minister.

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ কি কলে।

* শ্ৰীচিলভিয়াচ কন্দপান ঃ মাননীয় অধ্যক্ষ মহোদয়, যদি কোনোবা এজন সদস্যই এনেকুৱা শব্দ

* Speech not corrected

প্ৰয়োগ কৰে আৰু শব্দটো এক্সপাঞ্জ কৰে ..........

সেই কাৰণে আমি কৈছো যে যদি কিবা কৈছিলও তেতিয়াহ'লে এক্সপাঞ্জ কৰা হৈছিল।

(At this moment Shri Bharat Ch. Narah, Shri Sarat Borkakoti and Dr. Ardhendu Kr. Dey again stood up and raised objections)

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ কৰা নাই।

* শ্ৰীচিলভিয়াচ কন্দপান ঃ নকৰাকৈ থাকিব নোৱাৰে।

Dr. Ardhendu Kr. Dey: Sir, Hon'ble Minister cannot make any reference to the members who are sitting in the gallery.

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰুলিং দিয়াৰ পিচত আপুনি কিয় কৈ আছে?

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অলপ আগতে মাননীয় সদস্য ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই এ জি পি মন্ত্ৰীসকল মেচিওৰ্ড নহয় বুলি কৈছে। এতিয়া আমি কেইটামান পইণ্টৰ ওপৰত কম। এতিয়া ঘটনাটো হ'ল বিৰোধী দলৰ ফালৰ পৰা আমাৰ গৃহমন্ত্ৰীৰ বিৰুদ্ধে চেনশ্বৰ মোচন আনিছে। এনেকুৱা চেনশ্বৰ মোচন যোৱা ৫টা বছৰে আমি প্ৰত্যেক দিনেই আনিব পাৰিলোহেঁতেন। এখেতসকলে আজি আনিছে কিন্তু অহা কালি হ'লে নানে। আমি কিন্তু প্ৰতিদিনে চেনশ্বৰ মোচন আনিব পাৰিলোহেঁতেন কিন্তু আনিব নোৱাৰিলো। 'ৰুলছ এণ্ড প্ৰচিডিওৰ আৰু কনডাক্ট অৱ বিজনেছ মতে সময় সাপেক্ষে এই বিলাক নচলিল। গতিকে আমি এতিয়া লিবাৰেল, গণতান্ত্ৰিক।

* Shri Silvius Condpan: The office of the speaker is a continuous office. The Question of past and present does not arise.

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ তাৰ পিচত এতিয়া ঘটনালৈ আহো। তেখেতসকলে ইমানখিনি কৰাৰ পিচতো চিভিল ড্ৰেচত অসম পুলিচ বেটেলিয়নৰ মানুহ আনি টানি নিয়া নাই। বেটেলিয়ানৰ মানুহ আনি কাণ-মূৰ চিঙি নিয়া নাই। যি কি নহওক আপোনালোকে সেই সময়ৰ কথা বিলাক চাব আৰু মনত পেলাব আমি বিধানসভাৰ মজিয়াত কথা ক'লে চিভিল ড্ৰেচত বেটেলিয়ানৰ মানুহ আনি টানি নি গেটৰ বাহিৰ কৰি দিয়া হৈছিল। তেতিয়াৰ বিধায়ক শ্ৰীপানীৰাম ৰাভা, শ্ৰীযতীন মালী আদিক গেটৰ বাহিৰ কৰি দিছিল। বিধানসভা বহি থাকোতে শ্ৰীনগেন শৰ্মাক থানালৈ লৈ যোৱা হৈছিল। তেতিয়া ইয়াত পুলিচৰ কি অত্যাচাৰ। এতিয়াও আমি বিধানসভাৰ মজিয়াত শান্তিত থকিব পৰা নাই। তেখেতসকলে মাত্ৰ দুটা ঘটনাৰ কথা কৈছে।

* ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ গ্লাচ ভঙাই নহয়, সেই সময়ত মানুহ বাথৰুমত তলা লগাই সোমাই আছিল।

---

* Speech not corrected

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ) এতিয়া ঘটনাটো হ'ল এই দুটা ঘটনাৰ ওপৰত চেনশ্বৰ আনিছে। এতিয়া মই কিছু কথা ক'ম কিন্তু গোটেই কাহিনীটো ক'ব নোৱাৰিম। যিসকলে ভৰ্ৎসনা প্ৰস্তাৱটো আনিছে তেখেতসকলে এই কথাটো জানে আৰু জনাতো দৰকাৰ। সেই সময়ৰ বিধানসভা আৰু আজিৰ বিধানসভাৰ বহুত তফাদ আছে। ৭-১০-৯৩ৰ পৰা ১১।১০।৯৩ তাৰিখলৈ বিজনী থানাৰ অন্তৰ্গত মিলন বজাৰ, জনতা বজাৰৰ গোটেই এলেকাতেই বড়ো উগ্ৰপন্থীয়ে সেই অঞ্চলৰ মাইনৰিটি বিশেষকৈ মুছলমান মানুহৰ ওপৰত নানা ধৰণৰ অত্যাচাৰ চলাইছিল, তাত তেজৰ নৈ বৈ গৈছিল। সেই কথাবিলাক শুনিলে আপুনি আচৰিত মানিব। সেই বিলাক অঞ্চললৈ আমি তেতিয়াৰ মাননীয় অধ্যক্ষ মহোদয়ৰ নেতৃত্বত গৈছিলো আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াও গৈছিল। তেতিয়া তাত যিবিলাক মানুহ এফেক্ট হৈছিল আৰু এফেক্ট হোৱা মানুহৰ ওচৰৰ মানুহেও সেই করুণ ঘটনাৰ কথা কৈ মহন্তৰ ভৰিত ধৰি কান্দিছিল। এনেকুৱা এটা পৰিস্থিতি সেই চৰকাৰ খনৰ হৈছিল আৰু তাৰ ফলত ৩০ হাজাৰ মানুহ গৃহহীন হ'ল আৰু ২ হাজাৰৰো অধিক মানুহ আশ্ৰয় কেম্পত আছে। এই মানুহখিনি আশ্ৰয় কেম্পতো সন্ত্ৰাসৰ মাজতেই থাকিবলগীয়া হ'ল আৰু সেই ঘটনাত ৩৬ জন মানুহ মৰিল। ৩৬ হেজাৰ মানুহ গৃহহীন হ'ল। পাঁচ হেজাৰ মানুহ শিবিৰত থাকিল আৰু ৫৬জন মানুহৰ তাত মৃত্যু হ'ল। ৫৬ জনক হত্যা কৰা কথাটো সঁচা কথা নে? দুদিনৰ ভিতৰত তাত কি চৰকাৰ চলিছিল? সেই সময়ৰ কথাটো আজি বিচাৰ কৰিব লাগে। ৭।১০।৯৩ তাৰিখে তাৰ পিছত ১১।১০।৯৩ তাৰিখে চিৰিজ হিচাপে ঘটনা ঘটিছিল। মই আটাইবোৰ দাঙি নধৰো। ২৭।৫।৯৪ তাৰিখে সেইদিনা আকৌ ঘটনা হ'ল। চৰকাৰ এখন চলিয়ে আছে। কোকৰাঝাৰ পুলিচ থানাৰ অধীনত হেকাইপাৰা, দুৰামাৰি, মৌজাবাৰীত ঘটনা ঘটিছিল। সেইখিনি সময়ত এওঁলোকৰ সুদক্ষ চৰকাৰ চলি আছিল। আজি প্ৰেছিডেণ্ট ৰুল লাগে। আৰ্মিৰ পোচাকত উগ্ৰপন্থী আহিছিল আৰু মানুহ হত্যা কৰিছিল। ১৯৯৪ চনত সেইদিনা হত্যা কৰিছিল ২২জনক। আপোনালোকে ৭জন মানুহ মৰাৰ পিছত ভৰ্ৎসনা আনিছে। টোটেল ক্ৰিমিলিটি কিমান মুখ্যমন্ত্ৰীয়ে দিব। তাৰ পিছত ৯৭০টা পৰিয়াল গৃহহাৰা হ'ল।

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী, ৰাজহ) ঃ এজন মাননীয় সদস্যই বহি বহি এনে ধৰণে কথা কয় সেইটো হ'ব নালাগে।

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ আগৰ বছৰত ১৯৯৪ চনৰ ১৯/২০ জুলাই তাৰিখে বৰপেটা ৰোডৰ বাহবাৰী অঞ্চলত ভীষণ অত্যাচাৰ চলিছিল, যাৰ ফলত শান্তি নাইকীয়া হৈছিল। সেই মেচেকাৰত সৰ্বমুঠ ৯১ জন মানুহ মৰিছিল। অকল সেইখিনিয়ে নহয়। তেতিয়াৰ প্ৰয়াত মুখ্যমন্ত্ৰীয়ে শিবিৰ পৰিদৰ্শন কৰিছিল। শিবিৰ দৰ্শন কৰি মুখ্যমন্ত্ৰীয়ে গুৱাহাটীলৈ ঘূৰি অহাৰ পিছতে শিবিৰত গুলি কৰিছিল। ৩৭ জন মানুহ মৰিছিল। গতিকে মুখ্যমন্ত্ৰীয়ে দৰ্শন কৰি অহাৰ পিছতে তাত আকৌ গুলি হ'ল। পাকিস্তান আৰু ভাৰতৰ

---

* Speech not corrected

মাজত যুদ্ধ লাগিলেও শিবিৰত মানুহক গুলি নকৰে। শিবিৰ বিলাকত মুখ্যমন্ত্ৰী অহাৰ পিছতে গুলি কৰি তেজৰ নৈ বোৱাই দিলে। ১৪।১০।৯৫ তেখেতসকলৰ শেষ যাত্ৰা, অন্তিম দিন। ১৯৯৫ চনত বৰবৰী পুলিচ ষ্টেচনৰ এলেকাত মুছলমান মানুহ মৰা হ'ল। কেবাজনো মুছলমান মানুহক হত্যা কৰিছিল। ৯।১০।৯৫ তাৰিখত আকৌ কল্যাইগাঁও পুলিচ ষ্টেচনৰ অধীনত সেই অঞ্চলৰ উমেশ দেৱনাথ, লাবা দেৱনাথ, অদিপ দেৱনাথ, নৰেন দেৱনাথ, বিশ্বনাথ মুদক, কাঞ্চন মুদক, ইটি মুদক আৰু অহিনা বৰোক হত্যা কৰিছিল। এই গোটেইখিনি বেংগলি মানুহ। কোন সম্প্ৰদায়ত শান্তি আছিল। মুছলমান মেচেকাৰ কৰা হ'ল। কাৰ জীৱনৰ প্ৰতি শান্তি আহিছে। অসমত ক'ত শান্তি হ'ল? ১২।১।৯৪ চনৰ কথা আৰু পুনৰাবৃত্তি কৰিব খোজা নাই। এখন জনপ্ৰিয় চৰকাৰ থাকোতে আৰ্মিৰ পোচাক পিন্ধি উগ্ৰপন্থীয়ে মানুহ কিয় মাৰিছিল? ১২।১।৯৪ তাৰিখে এনেকুৱা এটা ঘটনা হ'ল যে কোকৰাঝাৰ পি এছৰ অধীনত ৰাতি ৯ বজাত উগ্ৰপন্থীৰ পোচাক পিন্ধি আহিছিল আৰু ভুৰ (ৰুনিখাটা) নদীৰ পাৰলৈ নি গুলি কৰি মাৰিছিল। তেওঁলোক হ'ল চাব দেৰ আলি, তালেব আলি, নেহাৰ শ্বেখ, মঙ্গালুদ্দিন শ্বেখ, আবুবক্কৰ চিদ্দিক, ৰূপ চান্দ আলি, নুৰ ইচলাম, অবিউল্লাহ শ্বেখ। হজৰত আলি কথমপি ৰক্ষা পৰিছিল। সেই চৰকাৰখনৰ দিনতে মানুহ মৰিছে। চৰকাৰখন কিমান জনপ্ৰিয় এই বিলাক ঘটনাই সূচায়। তেওঁলোকৰ সময়ছোৱাৰ আমি কথা কোৱাৰ সুযোগ নাপালো।

* ডঃ অৰ্দ্ধেন্দু কুমাৰ দেঃ আগৰবিলাক তুলনা কৰি এনেয়ে সময় নষ্ট কৰিব নালাগে।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ আমাৰ মুখ্যমন্ত্ৰীয়ে হাঁহি হাঁহি সমালোচনা শুনে। কিন্তু তেখেতসকলে নুশুনি উঠি যায়। আপোনালোকে যিমান পাৰে কৈ থাকক। সাধাৰণ পোচাকত পুলিচ আনি আমি আঁতৰাই নিদিও। দেশ এখনত, ৰাজ্য এখনত অশান্তিকৰ পৰিস্থিতি থাকে। ৯১ জন, ৩৭ জন, ৫৬ জন মানুহ মৰিছে। অসমত শান্তিৰ বাতাবৰণ সৃষ্টিৰ কাৰণে চৰকাৰে প্ৰচেষ্টা চলাইছে। বিৰোধী দলৰ মানুহ হিচাপে আপোনালোকে চৰকাৰক সহায় কৰিছেনে? ৰাজ্যত অশান্তিৰ পৰিস্থিতি হয়। অকল চৰকাৰৰ শান্তি প্ৰচেষ্টাৰ দায়িত্ব এনে নহয়। জনসাধাৰণৰ দায়িত্বও থাকে। ইয়াত সকলোৰে দায়িত্ব থাকে। আৰু সকলোৰে দায়িত্ব পালন কৰিব লাগিব। এজন ডি আই জি মাৰিছে। এজন এছ পি মাৰিছে, এইবিলাক নিঃসন্দেহে আপোনালোকৰ চৰকাৰৰ সময়তে এনেকুৱা ঘটনা ঘটিছে। মন্ত্ৰী এজনক আপোনালোকে ৰক্ষা কৰিব নোৱাৰিলে। নলবাৰীৰ মাত্ৰ এজনেই মন্ত্ৰী আছিল। সেইজন হ'ল শ্ৰীভূমিধৰ বৰ্মন। তেওঁক চাৰিবাৰকৈ মাৰিবলৈ চেষ্টা কৰিছিল। কিন্তু তেওঁক ভগৱানে বচাইছে।

মাননীয় অধ্যক্ষ মহোদয়, নলবাৰী জিলাৰ এজন প্ৰাক্তন মন্ত্ৰীক হত্যা কৰিবৰ কাৰণে ৩-৪ বাৰ চেষ্টা চলোৱা হৈছিল। আনকি বোমা পৰ্য্যন্ত দিয়া হৈছিল। কিন্তু মন্ত্ৰী গৰাকী মৰা নাই। ভগৱান আছে। ভগৱানে বচালে। সেই কাৰণে আমি ভগৱানক ধন্যবাদ

---

* Speech not corrected

দিছো। আপোনালোকৰ মন্ত্ৰীয়ে চৰকাৰ চলাই থকা অৱস্থাত নিজকে ৰক্ষণাবেক্ষণ দিব নোৱাৰিলে। সেই গৰাকী মন্ত্ৰী হৈছে শ্ৰীভূমিধৰ বৰ্মন। তেখেত ক্ষীণাই গ'ল। ক্ষীণোৱাৰ কাৰণ হ'ল তেখেত সদায়ে টেনচনত থাকিবলগীয়া হৈছে। আপোনালোকে মন্ত্ৰীক নিৰাপত্তা দিব নোৱাৰে, মুছলিমক দিব নোৱাৰে, বড়োক নিৰাপত্তা দিছে ৰাজ্যসভাৰ কেইজনমান সদস্যক। এতিয়া প্ৰশ্ন হৈছে, আপোনালোকে যি সকলক নিৰাপত্তা দিছিল তেখেতসকলৰ যি পৰিস্থিতি হৈছিল সেই অৱস্থাত ভূতৰ মুখত ৰাম নাম লোৱাৰ দৰে হৈছিল। (Sharvashree Abu Saleh Nazmuddin Sri Bharat Ch. Narah and Dr. Ardhendu Kr. Dey stood up and raise obejections to the utterances made by the Hon'ble Minister, Shri Patowary).

Mr. Speaker : Why you are shouting?

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ মাননীয় সদস্য ভৰত নৰহ এজন ভাল বক্তা। তেখেতে ইচ্ছা কৰিলে বহুখিনি ক'ব পাৰিলেহেঁতেন। কিন্তু নোৱাৰে এই কাৰণেই যে সেই সময়ত ক'ৰবাত ৫৭ জন, ক'ৰবাত ৫২ জন, ক'ৰবাত ৩৭ আৰু ক'ৰবাত ৫০ জন এনেকৈ মাৰিছিল। প্ৰাক্তন মন্ত্ৰীয়ে নিজৰ নিৰাপত্তাৰ কাৰণে কাৰোবাৰ কলৰ তলত লুকাই থাকিলে, সেই সময়ত কোনোবাই ক'লে যে চোৰ; তেতিয়া মন্ত্ৰীগৰাকীয়ে ক'লে মই চোৰ নহওঁ। এনেকুৱা কথা। মাননীয় সদস্য অৰ্দ্ধেন্দু ডাঙৰীয়াই কিছু কথা কৈছে। তেখেতৰ লগত মোৰ কাজিয়া থাকিলেও, তেখেত এজন মোৰ ভাল বন্ধু। এটা কথা শুনি খুব সুখ পালো যে যোৱা ৫টা বছৰত আমাৰ চৰকাৰখনে বেয়া কাম কৰিছে বুলি কৈছে। এতিয়া সদন চলি আছে। এখেতৰ কথাখিনি আমি অলপমান মানি লৈছো। আপোনালোক সকলোৱে দেখি আছে। এতিয়া আপোনালোকক এটা অনুৰোধ কৰিম আপোনালোকে দাবী কৰিছে যে অসমত ৰাষ্ট্ৰপতি শাসন হ'ব লাগে। মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তক বৰ্খাস্ত কৰিব লাগে। এই কামখিনি কৰিলে আপোনালোকৰ সমস্যা সমাধান নহয়। সমস্যা সমাধান যেতিয়া আমি সকলোৱে বিৰোধী পক্ষ আৰু চৰকাৰ পক্ষৰ সকলোৱে একলগ হৈ ৰাইজৰ মাজলৈ ওলাই যাব লাগিব। কাৰণ আমাৰ সকলোতে দায়িত্ব আছে। মোৰ কথাখিনি আপোনালোকে গুৰুত্ব দিব বুলি আশা ৰাখিলো। বিৰোধী পক্ষৰ ২-১জনক ক'বলৈ সুবিধা দিছে। কিন্তু আমি বিৰোধী পক্ষ হৈ থকা সময়ত আমাক এইকণ সুবিধাও দিয়া নাছিল। এতিয়া মূল কথা হৈছে যোৱাকালি ক্ষতিগ্ৰস্ত অঞ্চললৈ এটা প্ৰতিনিধি দল যোৱাৰ কাৰণে ৰাইজে ভাল পাইছে। নলবাৰী জিলাত এ জি পি যোৱাৰ কাৰণে ভাল হৈছে। গতিকে এই পৰিস্থিতিটো সকলোৰে কাৰণে ভয়াবহ। বিৰোধী পক্ষৰ সদস্য ভাৰত নৰহ ডাঙৰীয়াৰ কাৰণেও ভয়াবহ। এই ভয়াবহ পৰিস্থিতিৰ কাৰণে আমি সকলোৱে সংগঠন কৰি এক গোট হ'ব লাগে। ভয়াবহ পৰিস্থিতিৰ পৰা শান্ত অৱস্থালৈ কেনেকৈ নিব পাৰি সেইটো চিন্তা চৰ্চা কৰি মাননীয়

* Speech not corrected

মুখ্যমন্ত্ৰীক দিহা পৰামৰ্শ দিয়াৰ বিপৰীতে আপোনালোকে তেখেতক কৃতি চাইজহে কৰিছে। দুই এজনে চাৰেগুাৰ কৰা সলনি মাছ বা অন্যান্য সামগ্ৰী লুটাদি লুটিবহে ধৰিছে। কংগ্ৰেছ আৰু আম্মৰ চৰকাৰৰ মাজত পাৰ্থক্য আছে। সেই সময়ত হোৱা সমস্যাবোৰ সমাধান কৰিব পাৰিলেহেঁতেন। আপোনালোকে ইছুটো জীয়াই ৰাখিব পাৰিলেহেঁতেন। সেই ইছুটো জীয়াই ৰখা হ'লে আজি আমাৰ ৰাজ্যখনত শান্তি ঘূৰাই আনিব পৰা গ'লহেঁতেন। আজি সেই এক্সট্ৰিমৰ ভয়ত ইনড্ৰাষ্ট্ৰি নোহোৱা হ'ল, ইনভেষ্ট নোহোৱা হ'ল। ট্ৰেইন লাইনৰ ওপৰত বংশলীয়া চলিছে। সেই বিলাকত পুলিচ, মেলেটেৰীয়ে ৰক্ষা কৰিব নোৱাৰে। তাৰ দায়িত্ব জনসাধাৰণৰ থাকিব লাগিব। আমি ফাইট কৰিম। If you are really patriot instead of demonstrating all these this, you please join hands with the Govt.. for this situation.

যোৱা ৫টা বছৰ কংগ্ৰেছ চৰকাৰৰ দিনত কোনো এটা সংগঠনকে আলোচনাৰ মেজলৈ আনিবৰ বাবে আহ্বান কৰা নাছিল। আজি বড়োসকলৰ সমস্যা সমাধানৰ কাৰণে আৰু অন্যান্য বিদ্ৰোহী সংগঠনৰ মুৰব্বীসকলক আহ্বান জনাইছে তেওঁলোকে যাতে আলোচনাৰ মেজলৈ আহে। এই বিষয়ে প্ৰধানমন্ত্ৰীৰ লগতো আলোচনা হৈছিল। এই আলোচনা যদি বাহিৰত কৰিব বিচাৰে তাতো সন্মত হ'ব বুলি কৈছিল। গতিকে এই কথাখিনিৰ ওপৰত আপোনালোকে আমাৰ ওপৰত কনফিডেণ্ট ৰাখিব লাগিছিল। এই সমস্যাবিলাক দিনক দিনে জটিল হৈ আহিছে।

* ডঃ অৰ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে আমাক মিচলেট কৰিছে।

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, আবছু নেতাসকলে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনাত বহিলে তেখেতসকলে সহায় কৰিব নে?

Mr. Speaker : Mr. Narah, while any member on his feet, phane de nor distrub.

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া ঘটনা হ'ল, বড়ো চিকিউৰিটি ফোৰ্চে যেতিয়া তেওঁলোকৰ এৰিয়া দাবী কৰিছিল তেতিয়া আপোনালোকৰ চৰকাৰে কিয় দি নগ'ল? তেওঁলোকে কৰা দাবীবিলাক বিধানসভাত পাছ হৈ গৈছে। তাৰ পিচতো তেওঁলোকৰ সমস্যা বিলাক কিয় সমাধান নকৰিলে? ইয়াকে বুজাইছে যে ইফালে তেওঁলোকৰ সমস্যাটো চলি থাকক আৰু আনফালে ৰাজনীতি মুনাফাও আদায় কৰক।

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয় যেতিয়া বি এ চি দিয়া হৈছিল তেতিয়া মাননীয় সদস্য জয়নাথ শৰ্মা আৰু চন্দ্ৰ মোহন পাটোৱাৰীয়ে কাগজ ফালি পেলাইছিল।

* Speech not corrected

Mr. Speaker : Mr. Patowary, you please continue.

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আমি তেতিয়া বি এ চি আপত্তি নকৰা নহয়। কিন্তু আপত্তি কিয় কৰিছিলো, কাৰণ আমি বুজি পাইছিলো যে এই বি এ চি আইনখনৰ দ্বাৰা অসমত পৰিস্থিতি উত্তপ্ত হৈ পৰিব আৰু ইয়াৰ দ্বাৰা বড়ো জনগোষ্ঠীৰ যি আচল সমস্যা সি কেতিয়াও সমাধান নহ'ব। আচলতে আমি বিচাৰিছিলো যাতে এই বি এ চিৰ দ্বাৰা আমাৰ অসমত বসবাস কৰা সকলো জনগোষ্ঠীৰ মাজত এটা সুস্থ পৰিৱেশ গঢ়ি উঠক, কাৰো মাজত যাতে ভুল বুজাবুজি নহয়। এখন সুন্দৰ নিকা সমাজ হিচাপে সকলোৱে মিলি-জুলি একেলগে বসবাস কৰিব। সেই কাৰণেই আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে এতিয়া ট্ৰিপাৰটাইট টকা কাৰণে কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা বিলোচনা চলাই আছে। বৰ্তমান যিটো পৰিস্থিতিৰ সৃষ্টি হৈছে সেইটো গম্ভীৰ পৰিস্থিতি। আমি সকলোৱে গুৰুত্ব সহকাৰে উপলব্ধি কৰা দৰকাৰ। মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়াই যেনেকৈ কৈছে যে চাৰ্চিল কেনেকৈ প্ৰধানমন্ত্ৰী হ'ল, দেশৰ সকলো মানুহে অনুৰোধ কৰাৰ কাৰণে চেম্বাৰলিনে পদত্যাগ কৰিলে আৰু চাৰ্চিল ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী হ'ল। ঠিক তেনেকৈ শান্তিৰ বাতাবৰণ সৃষ্টি কৰিবলৈ হ'লে আপোনালোকে সহযোগ কৰক, আপোনালোকৰ জইণ্ট হেণ্ডচ আগবঢ়াওক আৰু পেট্ৰিয়টিজিমৰ পৰিচয় দিয়ক। এই সমস্যাবিলাক আমি সমূহীয়া ভাৱে নিজৰ দায়িত্ব হিচাবে লৈ কেনেকৈ শান্তি-শৃংখলা ঘূৰাই আনিব পাৰো সেই দিশত যত্নপৰ হওক, শেষত মাননীয় অধ্যক্ষ ডাঙৰীয়াই মোক এইকণ ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জনাইছো।

Mr. Speaker : Now Hon'ble Shri Hitendra Nath Goswami.

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এই পবিত্ৰ দিনত যিটো ভৰ্ৎসনা প্ৰস্তাৱ বিৰোধী পক্ষৰ ফালৰ পৰা আহিছে সেই প্ৰস্তাৱৰ বিৰোধিতা কৰি দুটামান কথা মই ক'ব বিচাৰিছো। অসমৰ জনসাধাৰণৰ সদিচ্ছা আৰু সমৰ্থন লৈ বৰ্তমান চৰকাৰ শাসনত বহি অসমৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰাৰ কাৰণে আগুৱাই যাবলৈ চেষ্টা কৰা হৈছে কিন্তু মই কামত সফল ৰূপায়ণৰ কাৰণে আৰু সময়ৰ প্ৰয়োজন হ'ব। বিৰোধী পক্ষৰ সদস্যসকলে অভিযোগ কৰি আছে যে ৰাজ্যখনৰ আইন-শৃংখলা ব্যাহত হৈছে, জনসাধাৰণৰ উন্নয়নমূলক কাম-কাজ কৰিব পৰা নাই। যদি ৰাজ্যখনৰ আইন-শৃংখলা বেয়া হয় তেতিয়াহ'লে ৰাজ্যখনৰ উন্নয়নমূলক কামবিলাক আগুৱাই নিয়াতো অসুবিধা। কিন্তু ৰাজ্যখনৰ আইন-শৃংখলা পৰিস্থিতি সুস্থ কৰি তোলাত এনেকৈ শাসনাধীস্থ দলৰ দায়িত্ব ঠিক তেনেকৈ বিৰোধী পক্ষৰো সমানেই দায়িত্ব আছে। বিৰোধী পক্ষতেই থাকক বা শাসনাধীস্থ দলত থাকক যদি আমি এই দায়িত্ব সমানে পালন নকৰো তেতিয়াহ'লে জনসাধাৰণে যি আশা কৰিছে সেই আশা আমি পূৰণ কৰিব নোৱাৰিম।

* Speech not corrected

আজি ইয়াত যি ধৰণে বিৰোধী দলৰ সদস্য সকলে ভৰ্ৎসনা প্ৰস্তাৱ আনি আলোচনা আগবঢ়াইছে তাৰ দ্বাৰা এইটো অনুমান হৈছে আমি মূল যিটো সমস্যা বা যিটো অৱস্থা সেই অৱস্থাৰ পৰা আমি আঁতৰি আহিছো যেন অনুমান হৈছে। কৃষি মন্ত্ৰী ডাঙৰীয়াই আগতেই কৈ গৈছে যে আমি ইজনে সিজনক বা ইটো দলে সিটো দলক দোষাৰোপ কৰি গৈ আছো কিন্তু তাৰ দ্বাৰা আমাৰ যিটো মূল সমস্যা সেইটো কেতিয়াও সমাধান নহ'ব। ভৰ্ৎসনা প্ৰস্তাৱৰ জৰিয়তে যিখিনি কথাৰ সম্ভেদ পাব বুলি ভাবিছিলো অৰ্থাৎ সমস্যা সমাধানৰ বাবে যিটো আশা কৰিছিলো সেই আশাটো যে পোৱা যে অনুভৱ হৈছে। আমি চাব লাগিব চৰকাৰে আইন শৃংখলা ৰক্ষা কৰাৰ ক্ষেত্ৰত কিবা কৃপনালী স্বাৰ্থত পুলিচ বাহিনীক ব্যৱহাৰ কৰা হৈছে নেকি? আইন-শৃংখলা ব্যাহত কৰাৰ ক্ষেত্ৰত প্ৰত্যক্ষ বা পৰোক্ষভাৱে কোনোবাই কাৰোবাক সহায় কৰিছে নেকি? কোনো ক্ষেত্ৰতে ৰাজ্যিক চৰকাৰক অকলে জগৰীয়া কৰিলেই নহ'ব। উগ্ৰপন্থীৰ কাৰ্যকলাপ ৰোধ কৰাৰ কাৰণে কেনে ধৰণৰ ব্যৱস্থা লোৱা হৈছে সেইটো আপোনালোকে জানে, আনকি ৰাজ্যৰ স্বয়ং মুখ্যমন্ত্ৰীয়েই উগ্ৰপন্থীৰ দ্বাৰা মৃত্যুৰ ভাবুকি পাইছে। সেয়ে মই ক'ব বিচাৰো এই যি ভৰ্ৎসনা প্ৰস্তাৱ অনা হৈছে সেইটো এতিয়া অনাৰ সময় হোৱা নাছিল। আনহাতেদি বিৰোধী দলৰ কংগ্ৰেছ আই দলে ৰাজ্যপালৰ হাতত স্মাৰকপত্ৰ দাখিল কৰিছে যে বৰ্তমান ৰাজ্যিক চৰকাৰ ভংগ কৰি দিব লাগে আৰু বিধানসভা এমিনেটেড চাচপেনশ্যন হ'ব লাগে। অকল যিমানেই নহয় ৰাজ্যিক চৰকাৰে পদত্যাগ কৰিব লাগে বুলি তেওঁলোকে ৰাজপথত প্ৰচেশ্যন কৰিছে। কথাটো কেনে ধৰণৰ এফালে ভৰ্ৎসনা প্ৰস্তাৱ আনহাতেদি চৰকাৰখন ভংগ কৰিব লাগে আৰু বিধানসভা এমিনেটেড চাচপেনশ্যন হ'ব লাগে। যদি এমিনেটেড চাচপেনশ্যন কৰাই তেওঁলোকৰ উদ্দেশ্য তেতিয়াহ'লে তেওঁলোকৰ এই বিধানসভাৰ সদস্য হিচাবে থকাৰ অধিকাৰ নাই। গতিকেই এই ক্ষেত্ৰত যিটো ভৰ্ৎসনা প্ৰস্তাৱ আনিছে আৰু বিধানসভা এমিনেটেড চাচপেন কৰাৰ কথা কৈছে এই বিষয়ে বুজিবলৈ মই অপাৰগ হৈছো। গণতান্ত্ৰিক ব্যৱস্থাত সমালোচনা কৰাৰ কাৰণে আৰু বিভিন্ন ধৰণৰ প্ৰস্তাৱ অনাৰ কাৰণে অধিকাৰ আছে কিন্তু মই আগতেই কৈছিলো যে বৰ্তমান যিটো ভৰ্ৎসনা প্ৰস্তাৱ অনাৰ কাৰণে অধিকাৰ আছে কিন্তু মই আগতেই কৈছিলো যে বৰ্তমান যিটো ভৰ্ৎসনা প্ৰস্তাৱ আহিছে সেইটো এতিয়া অনাৰ সময় হোৱা নাছিল। আমাৰ চৰকাৰে উগ্ৰপন্থীৰ কাৰ্যকলাপ ৰোধ কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ গাফিলতি কৰা নাই, মই আপোনালোকক আহ্বান জনাইছো আপোনালোকে গোষ্ঠীগত সংঘৰ্ষ ৰোধ কৰাৰ কাৰণে আমাৰ চৰকাৰক দিহা-পৰামৰ্শ দিয়ক, আপোনালোকৰ পৰামৰ্শৰ কাৰণে আহ্বান জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, গণহত্যা কোনো ক্ষেত্ৰতে কোনো পধ্যেই গ্ৰহণযোগ্য হ'ব নোৱাৰে।

মাননীয় অধ্যক্ষ মহোদয়, কোনো হত্যাকাণ্ড কেতিয়াও সমৰ্থনযোগ্য হ'ব নোৱাৰে, নেলীত যি হত্যাকাণ্ড সংঘটিত হৈছিল সেই হত্যাকাণ্ড কোনে ভাল পাইছিল।

* Speech not corrected

শাসক দলক দোষাৰোপ কৰিব পৰা নাই। ১৯৯৪ চনত বঙাইগাঁও আদি যি ধৰ্মীয় সংখ্যালঘুৰ ওপৰত অত্যাচাৰ হৈছিল, তেতিয়া আমাৰ বিধানসভাৰ পৰা এটি দল গৈছিল। বাশবাৰীৰ কথা কৈছে, আশ্ৰয় শিবিৰত গুলিয়াই হত্যাকাণ্ড কৰা হৈছিল। এনেকুৱা জঘন্যতম ঘটনাও হৈছে। এই কথাবিলাক বিশ্লেষণ কৰা ভাল হ'ব। আজি যি ভৰ্ৎসনা প্ৰস্তাৱ অনা হৈছে, এই সম্পৰ্কে আলোচনা বিলোচনা কৰা ভাল হ'ব। আমাৰ ৰাজ্য চৰকাৰখনে যদি গোষ্ঠীগত সংঘৰ্ষ কিবা আনিছে তেতিয়া হ'লে ভৰ্ৎসনা প্ৰস্তাৱ আনক, যিকোনো সংঘৰ্ষ বন্ধ কৰিব লাগে। আমি মিলিটাৰী বিচৰা নাছিলো। নিৰাশ্ৰয় বুলি ভবা জনসাধাৰণৰ সুৰক্ষা কৰাৰ কাৰণে, তেওঁলোকৰ স্বাৰ্থ ৰক্ষা কৰাৰ বাবে কুণ্ঠাবোধ কৰা নাই।

অধ্যক্ষ মহোদয়, আমি জানো ১৯৪৭ চনত ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিচত অসমখন বিভক্ত হ'ল। সেই সময়ৰ ৰাজনৈতিক নেতা সকলে কৈছিল জনজাতি সকল অনুপযুক্ত। তেতিয়া যি কেইখন ৰাজ্য হ'ল সেই ৰাজ্য কেইখনত জনজাতি সকলক কেনেকৈ শাসন কৰি আছে। সেই সময়ত তেওঁলোক যোগ্য বুলি বিবেচনা কৰা নাছিল। উত্তৰ-পূৰ্বাঞ্চলত যি সকল জনজাতি আছে, তেওঁলোকক যি ধৰণে সুবিধা দিব লাগিছিল, সেইটো সফল ৰূপে দায়িত্ব পালন কৰাত ব্যৰ্থ হ'ল। জনজাতি সকলৰ আশা পূৰণৰ ক্ষেত্ৰত আমি চেষ্টা নকৰিলে তেওঁলোক অসন্তোষিত হোৱাটো নিশ্চিত, তেওঁলোকৰ মনোবেদনা উপলব্ধি কৰা উচিত।

অধ্যক্ষ মহোদয়, আমি দেখিছো বড়ো অটোন'মাচ কাউন্সিলত অনাৰেবুল হাইকোৰ্টে শতকৰা পঞ্চাশ ভাগ যদি কম থাকে, তেতিয়াহলে সেইবিলাক বড়োলেণ্ডত সোমাব নোৱাৰে বুলি কৈছে। বড়ো নেতা সকল বিধান সভাত আছে, জনজাতি সমস্যাৰ ক্ষেত্ৰত কিবা কৰিব পাৰি নেকি চাব লাগে। বড়োলেণ্ড অটোন'মাচ কাউন্সিল বিল পাচ হৈছে, বিৰোধিতা কৰা হৈছিল, প্ৰচিডিঅৰ ভুল হৈছে বুলি এমেন্দমেন্ট বিচৰা হৈছিল। যদি বড়োলেণ্ড সীমা নিৰ্দ্ধাৰণ কৰিব পাৰিলেহেতেন, নিৰ্বাচন পাতিব পাৰিলেহেতেন, এই বিষয়ত কোনো সিদ্ধান্ত লব পৰা নাই। কিছুমান আৰম্ভনিতে যদি কেনা লগাই দিয়ে পিচত পৰিস্থিতি চম্ভালিব পৰা নেযায়। জনজাতিৰ যি সমস্যা তাক সমাধানৰ কাৰণে গভীৰ অনুভূতিৰ প্ৰয়োজন হৈছে। ৰাজনৈতিকভাবে বিভিন্ন মঞ্চৰ পৰা আমি একে লগে আহিছো, বিধানসভাত কিবা চিন্তা কৰিব পাৰি নেকি চাব লাগে, তেতিয়াহলে নিশ্চয় চৰকাৰে চিন্তা কৰিব। আজি ভৰ্ৎসনা প্ৰস্তাৱ অনাত মই আচৰিত হৈছো। আমাৰ চৰকাৰখনে অপৰাধীক ৰক্ষণাবেক্ষণ দি ৰাখিছে নেকি? লাচিত কলিতাৰ মৃত্যুৰ বিষয়ে বাতৰি কাকতত ওলাইছে। এই বিষয়ে এটা ষ্টেটমেন্ট দিবলৈ কোৱা হৈছিল। হাইকোৰ্টৰ মূল নথি (ফাইল) নাইকীয়া হ'ল। গৌতম বৰুৱাক কটন কলেজত ৰেগিং কৰা হৈছিল। এইকথা অসমবাণীত ওলাইছে। আমাৰ চৰকাৰৰ দিনত এইবিলাক হৈছে নেকি? আমাৰ চৰকাৰে শান্তি অনিবলৈ চেষ্টা কৰিছে। যদি এই সময়ত আন এখন চৰকাৰ আহে তেতিয়াহলে তেওঁলোকেও ইয়াৰ সম্মুখীন হব। মই আৰু বেছি

* Speech not corrected

দীঘলীয়া নকৰো, আমাৰ বিধানসভাৰ যি সকল মাননীয় নেতা আছে তেখেত সকলৰ লগত চৰকাৰে ভাব আদর্শ কিং ৰখাটো ভাল হ'ব। এই ক্ষেত্ৰত মই ভাবো আমাৰ চৰকাৰখনৰ অধিক দায়িত্ব আছে, চৰকাৰৰ কৰবাত অমিচন হ'ব পাৰে, এই ক্ষেত্ৰত আগ্ৰহ দেখুৱাব লাগিব। যোৱা কালি আমাৰ বিধানসভাৰ পৰা সৰ্বদলীয় টিম গৈছে, অমি কিছু ঠাই খোজ কাঢ়ি যাব লগা হৈছে।

অধ্যক্ষ মহোদয়, আমি আহি থাকোতে ৰাস্তাত গাড়ী বেয়া হ'ল। পি, ডি এফকে ধৰি আমি তিনিজন বিধায়ক ৰিস্নাত আহি অঞ্চলটো নিৰিক্ষণ কৰিছিলো। ইয়াৰ কাৰণে অমাৰ যথেষ্ট কষ্ট হৈছিল। অধ্যক্ষ মহোদয়, আমি যি দেখিছো, মানুহখিনিৰ এটা চেম্পলেচ্ ফিলিং হৈছে। এই চেম্পলেচ ফিলিং বন্ধ কৰিব লাগিব। আমি ভাবিছিলো আমাৰেই চৰকাৰ যেতিয়া আহিছে, এই ক্ষেত্ৰত আমি সকলো দায়বদ্ধ। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিশ্চয় ইয়াৰ উত্তৰ দিব। আজি জনসাধাৰণৰ মনত প্ৰশ্ন জাগিছে যে ভৱিষ্যতে আমাৰ কি হ'ব? কিন্তু আমি যেতিয়া পৰিস্থিতি উন্নত কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ অসমৰ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে ভৰ্ৎসনা প্ৰস্তাৱ অনাৰ প্ৰশ্নই নুঠে। ইয়াকে কৈ মোৰ বক্তব্য সামৰনি মাৰিলো।

**Mr. Speaker : Now Hon'ble member Shri Haliram terang.**

**শ্ৰীহলিৰাম টেৰাং ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি কংগ্ৰেছদলে এইপবিত্ৰ সদনত অসম চৰকাৰৰ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে ভৰ্ৎসনা প্ৰস্তাৱ উত্থাপন কৰিছে। আৰু তেওঁলোকে কৈছে যে আজি ৰাজ্যত আইন শৃংখলাৰ সম্পূৰ্ণ বিফল হৈছে। মই এই প্ৰস্তাৱৰ বিৰোধীতা কৰিছো। বৰ্ত্তমান চৰকাৰে অৰ্থাৎ আমি ভাৰতবৰ্ষৰ সোনালী জয়ন্তী বৰ্ষত বিশেষ অধিবেশন পাতিছিলো। কিন্তু এটা বিশেষ দলে দাবী কৰিছে যে তেওঁলোকেই বৃটিছক খেদি স্বাধীনতা আনিলে আৰু কংগ্ৰেছেই ইয়াৰ প্ৰধান নায়ক বুলি অভিহিত কৰিছে। কিন্তু আজি ৫০ বছৰৰ পিছত খুব কমকৈ হলেও ভাৰতবৰ্ষৰ কোনো এটা অঞ্চলতে কংগ্ৰেছক দেখিবলৈ নাই। কেন্দ্ৰতো কংগ্ৰেছ চৰকাৰ নাই। গোটেই ভাৰতবৰ্ষতে মাত্ৰ কেইখনমান সৰু সৰু ঠাইত যেনে মধ্য প্ৰদেশৰ এটা সৰু অঞ্চলত, মেঘালয়, নাগালেণ্ড, মণিপুৰ আদি অঞ্চলত এইদলৰ চৰকাৰ বৰ্ত্তি আছে। হিচাব কৰিবলৈ কোনো কাগজ-কলমৰ প্ৰয়োজনেই নহয়, আঙুলিৰো প্ৰয়োজন নহয়। তথাপিও কংগ্ৰেছদলে ভৰ্ৎসনাৰ প্ৰস্তাৱ আনিছে এইটো বৰ লজ্জাজনক আৰু দুঃখৰ বিষয়। কিন্তু আমি নকওঁ যে আমাৰ ৰাজ্যত বিশৃংখলাই দেখা দিয়া নাই। বৰ্ত্তমান ৰাজ্যত নিৰাপত্তা ব্যৱস্থাত আসোঁৱাহ নিশ্চয় বৈ গৈছে। কেৱল অসমতেই নহয়, সমগ্ৰ ভাৰতবৰ্ষতে বৰ্ত্তমান এক সংকটপুৰ্ণ পৰিস্থিতিয়ে বিৰাজ কৰিছে। গতিকে কেৱল অসম চৰকাৰকে কংগ্ৰেছদলে জগৰীয়া কৰিবলৈ চেষ্টা কৰিছে। আজি এই পবিত্ৰ সদনত কংগ্ৰেছদলে এক চাৰ্কাচৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে।

* Shri Silvius Condpan : Mr. Speaker Sir, within the procedure of the House

---

* Speech not corrected

we are discussing, so the word cincus cannot be used, it is not appropriate................

মাননীয় অধ্যক্ষ, বহুতো কথা আছে, যিবিলাক আনপাৰ্লামেণ্টৰী বুলি কোৱা হয়। আৰু এনে বহুতো শব্দ আছে, যিবিলাকক অশ্লীল বুলি কোৱা হয়, যেনে 'ধৰ্ষণ' বা এনে ধৰণৰ কথা আপোনালোকে এই পবিত্ৰ সদনত ব্যৱহাৰ কৰি আহিছে। মই কওঁ এনে বিলাক অশালীনতাবোধক শব্দ কথা কওঁতে প্ৰয়োগ কৰা অনুচিত।

অধ্যক্ষ মহোদয়, এতিয়া যিটো পৰিস্থিতি হৈ আছে তাৰ বাবে বিশেষকৈ বড়ো অধ্যুষিত অঞ্চলত ................. (Interruptions from opposition Benches).

Mr. Speaker : Mr. Terang, please continue.

* শ্ৰীহলিৰাম টেৰাং ঃ অধ্যক্ষ মহোদয়, বড়ো অধ্যুষিত অঞ্চলত বৰ্তমান যিটো অৱস্থা বিৰাজ কৰিছে। যোৱা কেইদিনমানৰ আগতে অবড়ো লোক সকলক হত্যা কৰিছে এইটো অতি দুখজনক কথা। ইয়াৰ আগতে কিন্তু বড়োসকলৰ ভিতৰত ভাতৃ ঘাটি সংঘাত হৈছিল। আজি কেইদিনমানৰ পৰা তেনে ধৰণৰ পৰিস্থিতি হোৱা নাই। ইয়াৰ কাৰণ বড়ো গোষ্ঠীৰ যিবিলাক দাবী কোনো চৰকাৰে বিশেষকৈ কংগ্ৰেছ দলে আন্তৰিকতাৰে সমৰ্থন কৰাৰো চেষ্টা নকৰিব। আৰু এইটোৰ কাৰণে আজি এই মূল সমস্যাৰ উৎপন্ন হৈছে। অধ্যক্ষ মহোদয়, আমি যদিও এই ভৰ্ৎসনা প্ৰস্তাৱৰ বিৰোধিতা কৰিছো কিন্তু শাসক দলে যি অসম চৰকাৰ চলাই আছে তেওঁলোকেও আত্মতুষ্টি লাভ কৰাৰ কোনো অধিকাৰ নাই। কাৰণ আইন-শৃংখলা যে বিফল হৈছে এইটো শাসক দলৰ মাননীয় মন্ত্ৰীয়ে স্বীকাৰ কৰিছে। মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই স্বীকাৰ কৰিছে। তেখেতে কৈছে ভৰ্ৎসনা প্ৰস্তাৱ কেইদিনমানৰ পিচত অন্য হ'লেও গ্ৰহণযোগ্য হ'লহেঁতেন। অধ্যক্ষ মহোদয়, আমাৰ এই পৰিস্থিতিত আমি যদি দায়িত্বশীল ভাবে কাম বিলাক নকৰো তেতিয়াহ'লে পৰিস্থিতি আৰু বেয়া হ'ব। এনেকুৱাও হৈছে আৰু অনুভৱ হয় যে, বড়োৰ যি দাবী বা সমস্যা এই সমস্যা সমাধান হোৱা বাবে বহুতো শক্তিয়ে বিচৰা নাই। সেই কাৰণে এনে ধৰণৰ ঘটনা ঘটি আছে। দুৰ্ভাগ্যবশতঃ বি এ চিৰ সীমা লৈ আজি হাইকৰ্টত গুচি গৈছে। চৰকাৰে একো কৰিব নোৱাৰা অৱস্থা লৈছে। বড়ো আৰু অবড়োৰ মাজত যিবিলাক সংঘৰ্ষ ঘটিছে এই সম্পৰ্কত এখন কাগজত ওলাইছে। অল আসাম বেংগলী যুৱ ছাত্ৰ পৰিষদে এটা বিবৃতি দিছে ...... This is the direct fallout of one particular congress leader.

* Dr. Ardhendu Kr. Dey : Sir, point of order.....

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ এজন মাননীয় সদস্যই দায়িত্ব সহকাৰে কথা কৈ থাকোতে দিষ্টাৰ্ব কিয় কৰিছে?

---

* Speech not corrected

* শ্ৰীহলিৰাম টেৰাং ঃ এইটো কাগজত ওলাইছে, এইটো সঁচা কথা।

* শ্ৰীচিলভিউচ কন্দপান ঃ তেখেতে কৈছে যে, বঙালী যুৱ ছাত্ৰ পৰিষদে কৈছে। কোন কাগজত ওলাইছে ........... we will also be educated and we will also contribute if this situation is detrimental to the .......

* শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী ঃ দৈনিক অগ্ৰদূতত ওলাইছে।

* শ্ৰীচিলভিউচ কন্দপান ঃ কোন পেপাৰত ওলাইছে ক'ব লাগে।

* শ্ৰীহলিৰাম টেৰাং ঃ দৈনিক অগ্ৰদূত কাকতত ওলাইছে কণ্ট্ৰাদিক্ট কৰাৰ কথা নাই। মই অগ্ৰদূত কাকতৰ নাম কৈছো কিন্তু মানুহজনৰ নাম কোৱা নাই। আজি নৰ্থ কাছাৰ হিলচত প্ৰত্যেকজন চৰকাৰী বিষয়াৰ পৰা এন এচ চি এনে কণ্ট্ৰিবিউচন লৈছে এচ পিৰ পৰা আৰম্ভ কৰি ডি, চি লৈকে। আমি অসম চৰকাৰক কৈছিলো আপোনালোকে কম্পিটেণ্ট অফিচাৰ দিয়ক। কিন্তু তেওঁলোকে দিব পৰা নাই। ১৫ আগষ্টত ৫০ বছৰীয়া পূৰ্তি যি দিনা হৈছিল সেই ১৫ তাৰিখৰ দিনা এন চি হিলচত গুনজুৰত আৰ্মিয়ে পিকনিক খাইছিল। ফুৰ্ত্তি কৰিছিল। আৰু তাৰ পৰা প্ৰায় ৫শ মিটাৰ দূৰত এন এচ চি এন আৰু বি এচ দিৰ উগ্ৰপন্থীসকলে পিকনিক খাইছে। এই ধৰণেই অসম চৰকাৰে সন্ত্ৰাসবাদ নিয়ন্ত্ৰণ কৰিছেনে? আকৌ ১৫ আগষ্ট তাৰিখত হামৰেনত আমি স্বাধীনতা দিৱস পালন কৰিছো। কিছুমান দিনৰ আগৰে পৰা তাত কিছুমান সন্ত্ৰাসবাদীয়ে যিবিলাকে বন্দুক দেখুৱাই ধমকি দি টকা আদায় কৰে তেওঁলোকৰ ঘৰতো সেইদিনা ঘেৰাও কৰি ২ জন মানুহক লৈ আহি পুলিচক গতাই দিয়া হয়। তেওঁলোকে পুলিচক ক'লে যে তেওঁলোকক পাৰ্টিকুলাৰ মানুহে পঠাইছে। যিজন মানুহৰ কথা কৈছিল — কে পি এচ আৰু এন এচ চি এনৰ লগত সম্পৰ্ক আছে। কিন্তু ক'ব নোৱাৰো বিধাতা বা অদৃশ্য শক্তিৰ কি ইচ্ছা তেওঁক পি আৰ বন্দত মোকলাই লৈ গ'ল। এই কথাটো মই যেতিয়া শুনিলো তেতিয়া অসম চৰকাৰৰ এজন কৰ্তৃত্বশীল বিষয়াক জনাইছো আৰু গৃহমন্ত্ৰীকো জনাইছো। সেই কাৰণে মই কওঁ যে, অসম চৰকাৰে আত্মতুষ্টি লাভ কৰা উচিত নহয়। অধ্যক্ষ মহোদয়, মোৰ আৰু কিছু কথা কোৱাৰ ইচ্ছা আছিল। কিন্তু বহুতো মাননীয় সদস্যৰ পৰা দিষ্টাৰ্ব পাই থকাৰ কাৰণে দীঘলীয়া নকৰো। শেষত মই এটা কথাই কওঁ যে, আমি অসমত ইউনিফাইদ কামাণ্ড দিয়া হৈছে আৰু ইয়াৰ নামত আলফা, বি এল টি এফ আদি কৰি বহুতো মানুহ ধৰিছে আৰু ক'ৰবাত গুলিয়া গুলিও হৈছে। কিন্তু আৰ্মি বি এল টি এফ, পি ডি এফৰ বিৰুদ্ধে অপাৰেচন নকৰো বুলি কৈছে। আজি অসমত গণহত্যা কোনে কৰি আছে? ব্ৰহ্মাপুত্ৰৰ উত্তৰ পাৰে আৰু কাৰবি আংলঙত কোনে সন্ত্ৰাসবাদৰ কাম কৰি আছে? এইটোৱেই প্ৰমাণ কৰে যে, আজি অসমত আইন-শৃংখলাৰ দায়িত্ব যি ইউনিফাইদ কামাণ্ডে লৈছে সেই কামাণ্ডৰ হেড হৈছে স্বয়ং মুখ্যসচিব। মুখ্য সচিবৰ দায়িত্বত আছে যদিও সেইটো নামতহে আছে। প্ৰকৃততে অসমৰ আইন-শৃংখলাৰ দায়িত্ব আৰ্মিৰ হাততহে আছে। মই এইখিনিকে কৈ মোৰ বক্তব্য সামৰিলো।

* Speech not corrected

Speaker : Now Hon'ble member Shri Hemen Das.

শ্ৰীহেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আৰম্ভণিতে আজি কংগ্ৰেছ দলৰ পৰা উত্থাপন কৰা ভৰ্ৎসনা প্ৰস্তাৱৰ বিৰোধিতা কৰিছো। তেওঁলোকে মাত্ৰ গৃহমন্ত্ৰীৰ বিৰুদ্ধে যুঁজিছে। আমাৰ সংসদীয় ব্যৱস্থাত ভৰ্ৎসনা প্ৰস্তাৱ, অনাস্থা প্ৰস্তাৱ আদি উত্থাপন কৰিব পৰা ব্যৱস্থা আছে আৰু ইয়াৰ লক্ষ্য থাকে সাধাৰণতে দুটা। এটা হৈছে চৰকাৰৰ দোষ-ত্ৰুটিখিনি অন্য সময়ত আলোচনা কৰিবলৈ কম সময় পোৱা কাৰণে এনে ধৰণৰ প্ৰস্তাৱৰ দ্বাৰা বহলাই আলোচনা কৰি সংবাদপত্ৰৰ জৰিয়তে প্ৰচাৰ কৰিব পৰা যায়। আনটো উদ্দেশ্য হৈছে চৰকাৰখনক কেনেবাকৈ পাৰিলে গাদীচ্যুত কৰা। কংগ্ৰেছ দলটো ১১২ বছৰীয়া পুৰণি দল। এই দলটো সদনত সকলোতকৈ পুৰণি দল। তেওঁলোকৰ অভিজ্ঞতাৰ অভাৱ নাই। দেশ স্বাধীন হোৱাৰ পিছৰ পৰাও তেওঁলোকে ভাৰতবৰ্ষত শাসনভাৰ চলাই আছে আৰু ৰাজ্যসমূহতো তেওঁলোকে শাসন চলাই গৈছে। কিন্তু আমি দেখিছো তেওঁলোকে কি ইমান দিনে কি কৰিছে? তেওঁলোকে কি কৰিছে নিজে ক'ব নোৱাৰে। আজি তেওঁলোকে বিধানসভা চলি থকা অৱস্থাতে ৰাজ্যপালৰ ওচৰত ৰাষ্ট্ৰপতিৰ শাসন বিচাৰি স্মাৰকপত্ৰ দাখিল কৰিছে। এতিয়া কথা হৈছে তেওঁলোকে বিধানসভাত ভৰ্ৎসনা প্ৰস্তাৱ আনিছে আৰু বিধানসভাৰ বাহিৰত ৰাষ্ট্ৰপতিৰ শাসন বিচাৰিছো।

— সদনত গন্দগোল —

গতিকে তেওঁলোকৰ কোনো নীতি নাই। এতিয়া তেওঁলোকৰ কোনোবাই কৈছে যে গৃহমন্ত্ৰীয়ে পদত্যাগ কৰিব লাগে, কোনোবাই কৈছে মুখ্যমন্ত্ৰীয়ে পদত্যাগ কৰিব লাগে আৰু কোনোবাই কৈছে ৰাষ্ট্ৰপতিৰ শাসন হ'ব লাগে। কিন্তু আজি যিটো প্ৰস্তাৱ আনিছে সেইটো হৈছে ভৰ্ৎসনা প্ৰস্তাৱক। কোনে কি বিচাৰিছে ক'ব নোৱাৰে। গতিকে কোনো এটা দলৰ যদি কিবা নীতি আছে তেনেহ'লে এনে হ'ব নালাগে। যিটো দলে ১১২ বছৰে কোনো এটা নীতিত আগবাঢ়িছিল তেওঁলোকে আজি যি পদক্ষেপ হাতত হৈছে সেইটো বৰ দুৰ্ভাগ্যৰ কথা। আজি বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰীৰ ৰক্ষণাবেক্ষণ কোনে দিছে? কংগ্ৰেছে লালু প্ৰসাদ সাম্প্ৰদায়িক বিৰোধী বুলি কৈছিল যেতিয়া তেওঁ জনতা দলত আছিল। কিন্তু দেৱগৌড়া কি আছিল? আজি লালু প্ৰসাদে গভৰ্ণমেণ্ট প্ৰাইভেটাইজেচন কৰিছে আৰু আপোনালোকে তাক সমৰ্থন কৰিছে। মই যোৱাকালি যি বক্তৃতা ৰাখিছিলো তাৰ পুনৰাবৃত্তি কৰিব খুজিছো। আজি আমাৰ ৰাজ্যখনত যি আইন-শৃংখলা চলিছে সি সন্তোষজনক নহয়। আমাৰ সমস্যা অতি ভয়াৱহ। এইটো কেৱল আইন-শৃংখলাৰ বিষয় হৈ থকা নাই। আজি ৰাজ্যখনক এটা দুষ্ট চক্ৰই সাম্প্ৰদায়িক সংঘৰ্ষৰ ফালে ঠেলি দিছে। এই কথাবিলাক আমি আৰু বেছি নকওঁ। ঘটনাৰাজীয়ে সকলো কৈ দিব।

জাতি ভিত্তিত, গোষ্ঠী ভিত্তিত সংগঠন বিলাক গঢ়ি তোলাৰ পিচত কোন আছে? চাওক আমাৰ ট্ৰেজেডী, ৰাজ্যখনত অসমীয়া, বঙালী, হিন্দু, মুছলমান আছে। কিন্তু গোষ্ঠী সংগঠন বিলাক আজি কি হৈছে। গোষ্ঠীগত সংগঠনবিলাকৰ পিছত

* Speech not corrected

কোন আছে খবৰ কৰক। অৱশ্যে ১৯৮০ চনত আপোনালোক (এজিপি) ইয়ালৈ অহা নাই, তেতিয়া মই বিধায়ক। আছুই আন্দোলন কৰি আছিল। মই তাৰ বিৰোধী। সেই সময়ত তিনিজনে আলোচনা কৰিছিল এটা সংগঠন গঢ়ি তুলিব। সেই আলোচনাত উপস্থিত আছিল। আছুই আমাক 'বন্দী' কৰি থৈছিল। য'ত ৫,৫০০ মানুহ নিহত হৈছে আৰু বহুতো মানুহ আহত হৈছে। (গণ্ডগোল)

শ্ৰী মুস্তাফা চহিদুল ইছলাম ঃ আমছুৰ কথাটোত বিৰোধিতা কৰিছে।

শ্ৰীহেমেন দাস ঃ মই কোৱা নাই যে কোনে পঠাইছে? গতিকে তাৰ পৰৱৰ্তী কালছোৱাত আমি কি দেখিছো? এইবিলাক কি আন্দোলন? অসমক ৰক্ষা কৰিব লাগে আৰু ৰক্ষা কৰিব লাগিব। ১৯৭১ চনত পাকিস্থান খণ্ডিত হৈছে। তাৰ পিছৰে পৰা ভাৰত খণ্ডিত কৰাৰ বাবে ষড়যন্ত্ৰ আৰম্ভ হয়। আজি ভাৰত তথা অসমক ৰক্ষা কৰিবলৈ হ'লে বিভিন্ন জনগোষ্ঠীৰ মাজত ঐক্য গঢ়ি তুলিব লাগিব। আমি বহিঃশত্ৰুৰ চক্ৰান্ত ব্যৰ্থ কৰিব লাগিব। দেশ থাকিলেহে আমি থাকিম আৰু আপোনালোকে ৰাজনীতি কৰিব পাৰিব। দেশখন খণ্ডিত হ'লে কি হ'ব? গভীৰ ষড়যন্ত্ৰৰ কথাটো আমি চাব লাগিব। আজি আমাৰ সৰু-সুৰা কথাত পাৰ্থক্য আছে আৰু থাকিব। দেশখন ৰক্ষা কৰাৰ কাৰণে মিলিটাৰী দিলেই হ'ব নেকি? দেশৰ জনগণৰ একতাৰে যদি দেশ ৰক্ষা নকৰো তেন্তে পুলিচ মিলিটাৰীয়ে ৰক্ষা কৰিব নোৱাৰে। প্ৰয়োজন অসমৰ সমূহ জনগোষ্ঠী ঐক্যবদ্ধ কৰাটো। কালি আমি মেজগুৰি গাওঁলৈ গ'লো তাত বঙালী অসমীয়া ৫খন গাওঁ আছে। তেওঁলোকক নিৰাপত্তা দিছে নে দিয়া নাই। কিছুমান মানুহক অসম বেটেলিয়ান নালাগে। চি আৰ পি, মিলিটাৰী লাগে। অসমীয়া বঙালী মানুহ মৰিছে। মানুহ মৰাৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে থিয় হ'ব পৰা নাই। সাম্প্ৰদায়িক ঐক্যৰ কাৰণে কামি কৰিব লাগিব। হত্যা, লুণ্ঠন, সন্ত্ৰাস আদি হৈছে। আমি বাস্তৱক উলাই কৰিব নোৱাৰো। বোমাত গাড়ী উৰি গৈছে, মানুহ মৰি গৈছে এইবিলাক আমি আইন-শৃংখলা সমস্যা বুলি ধৰি ল'ম নেকি? এই বিলাক ৰাজনৈতিক সমস্যা। ৰাজনৈতিক সমাধান নকৰিলে অসমত বহু দিনলৈ এই সমস্যা বিলাক ৰৈ যাব। জনজাতি সমস্যা, বড়ো সমস্যা আছে। ট্ৰাইবেল সকল আজি বিক্ষুব্ধ হৈছে। লেণ্ড ৰেভিনিউ চেপ্তাৰ ১০ আজি কৈ হৈছে — তাত ট্ৰাইবেলৰ মাটি ৰক্ষা কৰা কথা হৈছে কিন্তু সেইবিলাক কাৰ্যকৰী হ'লনে? যদি হোৱা নাই তাৰ বাবে আপোনালোক দায়ী নহয় নে? আপোনালোকে দেশ চলাইছিল, তেখেতসকল সেইদিনা আহিছে। অভিজ্ঞতা কম আছিল আপোনালোকে সুদীৰ্ঘ কালছোৱাত আইনখন কাৰ্যকৰী নকৰিলে ফলত কি হ'ল, লাখ লাখ ট্ৰাইবেলৰ মাটি হস্তান্তৰিত হ'ল আধা দামত। যিবিলাক ৰিজাৰ্ভ আছিল সেইবিলাক নাইকীয়া হ'ল। এতিয়া ট্ৰাইবেল যুৱক সকল শিক্ষিত হৈছে তেওঁলোকৰ মনত বিক্ষোভ হৈছে। অসম চৰকাৰে তেওঁলোকৰ মাটি ৰক্ষা নকৰিলে সুদীৰ্ঘ কাল জুৰি। শইকীয়া ডাঙৰীয়া যিদিনাই স্বায়ত্ব শাসন দিছে সেইদিনাই ধন্যবাদ দিছো। তথাপিতো সেইখিনি ঠিক মতে কাৰ্যকৰী নহ'ল। এতিয়া ইটো শেষ কৰিব লাগিব। জনজাতি সকলে বি এচ চি পাইছে আৰু সীমা নিৰ্দ্ধাৰণ কৰাত বহুদূৰ

* Speech not corrected

আগবাঢ়ি গৈছে। আমি আশা ৰাখিছো এইটো সোনকালে শেষ কৰিব লাগিব। আলফা সমস্যাটো অকল চৰকাৰী সমস্যা নহয়। আমি আহ্বান জনাইছো আলোচনালৈ আগবাঢ়ি আহক। আহ্বান দি থাকিব লাগিব। (ত্রিপুৰাৰ হস্তান্তৰিত মাটিৰ ক্ষতিপূৰণ দিছিল) আজি দাবী কৰিছে যে ৰাষ্ট্রপতি শাসন হ'ব লাগে। ৰাষ্ট্রপতি শাসনৰ সোৱাদ আমি পাই থৈছো। ১৯৮৩ চনত ৰাষ্ট্রপতি শাসনত নেলীৰ হত্যাকাণ্ড হৈছিল। ৫,৫০০ মানুহ হত্যা আৰু ৬০ হাজাৰ ভগনীয়া হৈছিল। সেইটো প্রয়াত শইকীয়া ডাঙৰীয়াই কৰা নাছিল। ৰাষ্ট্রপতি শাসনতহে হৈছিল। ৰাষ্ট্রপতিৰ শাসন মাতি বিপদৰ সৃষ্টি নকৰিব। প্রফুল্ল মহন্তক আকৌ মাতি আনিব লাগিব। কাশ্মীৰত ফাৰুক আব্দুল্লাক আকৌ মাতি আনিব লগা হ'ল। ঠিক তেনেকৈ প্রকাশ সিং বাদলকো আনিব লগা হ'ল। গতিকে আপোনালোকে ৰাষ্ট্রপতি শাসনৰ দাবী নকৰিব। এই দাবীটো হ'ল আত্মঘাতী দাবী। এই দাবীৰ দ্বাৰা অসমৰ জনসাধাৰণৰ উপকাৰ নহ'ব। বেয়া দিনলৈ অসমক আগুৱাই লৈ যাব। আমি ভয়াবহতালৈ যাবলৈ নিবিচাৰো।

We were opposing it.... please consult the political lectures. We are still opposing it.

১৯৯২ চনত বাবৰী মছজিদ ভাঙিছে সেই কাৰণেহে উত্তৰ প্রদেশত ৰাষ্ট্রপতি শাসন বিচাৰিছিলো। মোক ক'বলৈ সময় দিয়াৰ কাৰণে এ জি পিক ধন্যবাদ জনাইছো। আজি অসমৰ অৱস্থা মুঠেই ভাল নহয়। ইয়াৰ পৰা অসমক উদ্ধাৰ কৰো আহক আৰু সকলোৰে ঐক্যবদ্ধ হৈ ভাৰতক ৰক্ষা কৰো আহক।

* শ্রীপ্রমোদ গগৈ (মন্ত্রী) ঃ অধ্যক্ষ ডাঙৰীয়া কংগ্রেছ দলে চেনচৰ মোচন উত্থাপন কৰিছে যে বৰ্তমান চৰকাৰে আইন-শৃংখলাৰ ব্যৱস্থা ৰক্ষা কৰাত সম্পূৰ্ণ ব্যৰ্থ হৈছে। এইটো হৈছে বিধানসভাৰ ভিতৰত চেনচৰ প্রস্তাৱ। অন্যহাতে, ভাৰত চৰকাৰ আৰু ৰাজ্যপালৰ ওচৰত স্মাৰকপত্র দিছে অসমত ৰাষ্ট্রপতি শাসন প্রৱর্তন কৰিব লাগে। কংগ্রেছ দল এটা দায়িত্বশীল দল। অসমৰ নিৰ্বাচিত চৰকাৰ ভংগ কৰি ৰাষ্ট্রপতি শাসন প্রৱর্তন কৰাৰ কাৰণে দাবী কৰাটো সঁচাকৈ বৰ দুঃখজনক কথা। যিটো দলে গণতন্ত্ৰৰ কথা কয়, সদায় সংবিধানৰ কথা কয়, সেই দলটোৱে নিৰ্বাচন হৈ যোৱাৰ ১৩ মাহৰ পাচত বিধানসভা ভংগ কৰি ৰাষ্ট্রপতি শাসন প্রৱর্তন কৰিবলৈ যোৱাতো এটা অগণতান্ত্রিক প্রৱণতা। কংগ্রেছ দলে কৈছে, যে ১৩ মাহত অসমৰ আইন শৃংখলা ইমান বেয়া হৈছে যে ৰাষ্ট্রপতিৰ শাসন প্রৱর্তন কৰাৰ বাহিৰে উপায় নাই। অসমৰ আইন শৃংখলা যদি সন্তোষজনক নহয় তেন্তে মই সকলো কথা ক'ম। আজি এটা কথা মনত ৰাখিব লাগিব আজি অসমৰ আইন শৃংখলাৰ যিটো অৱস্থা হৈছে, এই অৱস্থাৰ সৃষ্টি কৰিছে কংগ্রেছ চৰকাৰে। ১৯৯১ চনৰ পৰা ১৯৯৫ চনলৈকে অসমত কংগ্রেছ শাসনৰ দিনত যি অৱস্থাৰ সৃষ্টি কৰিছে তাক চমুকৈ আলোচনা কৰা যায় তেন্তে আইন শৃংখলাৰ অৱনতিৰ কাৰণে সম্পূৰ্ণ দায়িত্ব গ্রহণ কৰিব লাগিব পূৰ্বৰ কংগ্রেছ চৰকাৰে। অসমত আৰ্মি কোনে প্রৱর্তন কৰিছে? কংগ্রেছ

* Speech not corrected

চৰকাৰ হোৱাৰ পাচত প্ৰথমবাৰৰ কাৰণে অসমত অপাৰেচন বজ্ৰং আৰম্ভ হৈছিল। কলা আইন কোনে কৰিছিল। চৰকাৰে (কংগ্ৰেছ) আনিছিল। অসমত কলা আইন, আৰ্মি প্ৰৱৰ্তন কৰা সকলে আজি গণতন্ত্ৰৰ কথা ক'বলৈ যোৱাটো দুৰ্ভাগ্যজনক কথা। এহাতে কংগ্ৰেছ চৰকাৰে কয় আইন-শৃংখলাৰ অৱনতি হৈছে আনহাতে কয় আৰ্মি অপাৰেচন কিয় হৈছে? আচলতে কংগ্ৰেছৰ অসমৰ পৰিস্থিতি সম্পৰ্কত, আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত সম্যক দৃষ্টিভংগীৰ অভাৱ পৰিলক্ষিত হৈছে। শইকীয়া ডাঙৰীয়াৰ দিনৰ এটা কথা উল্লেখ কৰিব বিচাৰিছো, ১৯৯১ চনত যেতিয়া প্ৰথমে আলফাই চৰকাৰী বিষয়াক অপহৰণ কৰিছিল তেতিয়া অধ্যক্ষ জীৱকান্ত গগৈৰ নেতৃত্বত ১৯৯১ চনৰ ১১ চেপ্তেম্বৰত সৰ্বদলে গোহাৰী জনাইছিল যে চৰকাৰে যি সকলক গ্ৰেপ্তাৰ কৰি ৰাখিছে তেওঁলোকক মুকলি কৰি দিয়ক আৰু আলফাই যিসকলক গ্ৰেপ্তাৰ কৰি ৰাখিছে তেওঁলোককো মুক্তি দিয়ক। চৰকাৰৰ আকোৰগোজ মনোভাৱৰ কাৰণে সেই কথাটো নহ'ল। প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই আলফাৰ লগত আলোচনা কৰিবলৈ সুযোগ পাইছিল কিন্তু সেই সুযোগ গ্ৰহণ কৰাৰ পৰিৱৰ্তে আলফা-চালফা তৈয়াৰ কৰি সমস্যাটো জীয়াই ৰাখিলে। সেই সুযোগটো গ্ৰহণ কৰা হ'লে আজি অসমৰ যিটো পৰিস্থিতিৰ সৃষ্টি হৈছে সেইটো হয়তো নহ'লেহেঁতেন। সেইখিনি সময়ত চৰকাৰে সমস্যা সমাধান কৰাৰ পৰিৱৰ্তে বিভাজন কৰি এটা অংশক নিজৰ ফালে আনি চালফা তৈয়াৰ কৰিলে। তেতিয়া কোৱা হৈছিল আলফা তিনি হাজাৰ আছে তাৰ সৰহভাগে আত্মসমৰ্পণ কৰিছে, এতিয়া ৩০০ মানহে আছে।

মাননীয় চেয়াৰমেন ডাঙৰীয়া, নিৰপেক্ষ ভাবে চাবলৈ গ'লে সেই সময়ত এই সুযোগ গ্ৰহণ কৰা হ'লে আজিৰ এই পৰিস্থিতি নহ'লহেঁতেন। আজি তেখেতসকলে আইন-শৃংখলাৰ কথা কৈছে। অসমত নিৰ্বাচন হৈ গ'ল। আমাৰ বৰ্তমান চৰকাৰে শপত গ্ৰহণ কৰিলে মাৰ্চ মাহৰ ১৫ তাৰিখে। তেখেতসকলৰ দিনত যিবিলাক বিষয়া নিয়োগ কৰিছিল সেই বিষয়াসকল ১২ তাৰিখৰ দিনাই কিয় পলাই যাব লগা হ'ল। তেখেতসকলে নিয়োগ কৰা চি এচ, ডি জি পি, আই জি পি আৰু ল এণ্ড অৰ্ডাৰত থকা গৃহসচিব কিয় পলাই গ'ল? ইয়াৰ পৰা এটা কথা প্ৰমাণিত হয় যে সেই সময়ৰ কংগ্ৰেছ চৰকাৰে অসমত কিবা এটা ষড়যন্ত্ৰ কৰিছিল। ভাৰতবৰ্ষৰ কোনো ৰাজ্যতে এনে দৃষ্টান্ত নাই যে আই জি পি, ডি জি পি, চি এচ পলাই যায়। আজি মই সেই কাৰণে ক'ব বিচাৰিছো অসমত এনেকুৱা এটা পৰিস্থিতি তেখেতসকলে কৰিছিল যিটোৰ ভাৰতবৰ্ষত এনেকুৱা এটা দৃষ্টান্তৰ নাই। তেখেতসকলে আজি কৈছে যে অসমত ৰাষ্ট্ৰপতি শাসন চলাব লাগে। মই ভাৰতবৰ্ষৰ অন্য প্ৰদেশৰ কথা ক'বলৈ নাযাওঁ। আমাৰ ওচৰৰে মণিপুৰত কংগ্ৰেছ চৰকাৰ চলাইছে। তাত আজি কোনো মন্ত্ৰী বিধায়কে ঘৰৰ পৰা ওলাব নোৱাৰে। তাত আপোনালোকৰ কংগ্ৰেছ চৰকাৰ। গতিকে প্ৰথমতে মণিপুৰত কংগ্ৰেছ চৰকাৰ বৰ্খাস্ত কৰাৰ কাৰণে আপোনালোকে ক'ব লাগে আৰু তাত ৰাষ্ট্ৰপতি শাসন হ'ব লাগে। নাগালেণ্ডতো হৈছে — তেখেত সকলে দুমুখীয়া নীতি লৈছে। মাননীয় সদস্য শ্ৰীভৰত

* Speech not corrected

নৰহ ডাঙৰীয়াই কৈছে যে চৰকাৰে বিদ্ৰোহী সংগঠনক আলোচনালৈ আহ্বান কৰিছিল। এতিয়া সেইটোৰ কি হৈছে?

মাননীয় চেয়াৰমেন ডাঙৰীয়া, এটা কথাত বিশ্বাস কৰিব লাগিব যে নাগালেণ্ডত ৪৭ বছৰৰ পিচত বৰ্তমান ভাৰতবৰ্ষৰ ইউনাইটেড চৰকাৰৰ দিনত লগা বিদ্ৰোহী সংগঠনৰ এটা গোটৰ লগত আলোচনা প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই প্ৰক্ৰিয়াৰ পাতনি প্ৰাক্তন প্ৰধানমন্ত্ৰী এচ ডি দেবেগোৰাৰ দিনতে হৈছিল। আগষ্টৰ এটা তাৰিখৰ পৰা 'চিজফায়াৰ' হৈছে। নাগালেণ্ড সম্পৰ্কত এই মাহৰ ২৩ তাৰিখে জেনেভাত প্ৰথম আলোচনা হ'ব। ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলত বিদ্ৰোহী সংগঠনৰ লগত আলোচনাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে ইয়াৰ আৰম্ভণি নাগালেণ্ডত পাইছো। নাগালেণ্ডত আলোচনাৰ অগ্ৰগতি হ'লে আমাৰ অসমতো হ'ব। চেয়াৰমেন ডাঙৰীয়া, অসমতো সেই প্ৰক্ৰিয়া আৰম্ভ কৰাৰ কাৰণে চৰকাৰ পক্ষৰ পৰা আমি চেষ্টা কৰিছো। ইয়াত সকলোৰে সহায়-সহযোগিতা বিচাৰিছো। এটা কথা ক'লে হয়তো কংগ্ৰেছ সদস্যসকল উত্তেজিত হ'ব, এনেকুৱা অভিযোগ উঠিছে যে অসমৰ এনে বিদ্ৰোহী সংগঠনৰ উদ্যোক্তা আপোনালোকৰ দলৰ সদস্য। সঁচা নে মিছা নেজানো? বিদ্ৰোহী সংগঠনক উচতাই দিয়া উচিত নহয়। কংগ্ৰেছ দলে যি ভৰ্ৎসনা প্ৰস্তাৱ আনিছে তাক প্ৰত্যাহাৰ কৰাৰ কাৰণে অনুৰোধ জনালো। আৰু শান্তিপূৰ্ণ অৱস্থা ঘূৰাই অনাৰ বাবে সহায়-সহযোগিতা কৰিব বুলি আশা ৰাখিলো।

Mr. Speaker : Hon'ble members, I have arranged a Dinner for all of you including the Press persons and Officers from Gallery, So I desire to attend the same.

I now call upon the Hon'ble Minister, Shri Abdul Muhib Mazumdar.

* Shri Abdul Muhib Mazamudar (Minister) : Mr. Speaker Sir, it is true that the day on which I joined the AGP on the same day Mr. Narah also joined the Congress Party. It is co-incidents that at 10 A. M. the same day I went to the press and at the same time Mr. Narah also spoke to the press after two hours. In any case, since we have joined the Party on our own we are not taken to be as exchangable properites. Mr. Speaker Sir, I take privilege of taking part in the deliberations and discussions in the House And Sir, I am quite alive to the situation that has arisen in the state and I admit that the situation is very grave, very serious. As many as Hon'ble Members have spoken about the deterioration law and order situation in the state and have expressed the serious concern as to how we can deal with and containe the deterioration law and order

* Speech not corrected

situation in the state. It is not only agitating the minds of the Hon'ble Members of the House, but also every citizen of the State. The situation has gone to such a past that we cannot remain silent spectator and ignore the obligations that we have towards the growing destructive and violence that have been perpetrated by the different and the social and militant outfits.

Mr. Speaker : Sir, what I want to say is that it will not be justify to make any critisism or pull the party in power basing on the Press report. We should always go into the factual position and the truth on earth.

Sir, normally, there is a difference betwen and no condfidence Motion and a censure Motion. The censure Motion aims at projecting the failure on the part of the Government or for its wrong policy. Sir, you have already heard the deliberations made by the Hon'ble Members of the House. All of them have concentrated on the prevailing law and order situation of the State and have made severe criticisms for failure of the Government to contain and deal with the situation effectively. None of them have tried to realise the background of as to what are the reasons for sudden increase of violent activities and clashes between different groups of people. Mr. Speaker Sir, the Opposition parties before bringing up the Censure Motion should have considered the reasons for sudden spurt of violence and unlawful activities by the insurgence and the reasons for failure on the part of the Government.

Sir, as you are aware we took over the administration at a time when the state was passing through a grave law and order situation, clashes between different groups and killing of innocent people was going on. That was the situation we took over as Government. Hon'ble Chief Minister has time and again state that the State is passing through a serious financial situation. Over and above this, the State has been overburdened with a loan to the tune of Rs. 6000 crores incurred in connection with maintaining the law

* Speech not corrected

and order situation and for combating insurgent and militant activities. The State's coffer was left blank by the previous Government. There was complete break down of the administration when we took over as Government. The entire fabric of administration had collapsed, Embezzlement of Govt. money and corruption by the people in high places were of the high order. Sir, the Censure Motion which has been brought by the Membrs of the opposition is not timely and not apropriate as it has failed to project the real picture obtaining throughout the State. That is why, I feel the motion should be dropped. I would like to say a few words about the exchanges that have taken place in the floor of this House. Quite a good number of the Hon. Members have cast aspertion and have criticised the Govt. for its failure to contain the killings by militants, subversive activities by extremist organisations and for deteriorating law and order situation in the State. I am not refuting the allegations made by the Hon. members. But then, let us make self-introspection and try to realise as to what are the problems that are troubling us and why we have failed to handle the situation, Merely by bringing a Censure Motion and criticising the Govt. will not do any good to all of us. More so, I feel that the party which does not come with a clean hand should not take the risk to table such a Censure Motion. My friend, Shri Chandra Mohan Patowari has already taken about same points while taking part on the Censure Motion. There were verbal exchanges also in the House. Now, the question before us is as to how we will contain the situation. Not only the Members of this House but also every citizen, every intellectual, social and political leaders in the State will have to think and try to find out solutions of these problems. The Prime Minister of India and the Hon. Chief Minister of Assam have made appeals time and again to the militants to shun violence and come in the negotitation table. It appears for some reasons or other there is no resonse from the militant organisation. We have seen in the Press that Rs. 210 crores was ear-marked for the Ulfa who will surrendeer. We know

* Speech not corrected

only a few of the Ulfa have surrendered and the problem of Ulfa has remained as it is. In a similar manner, another mistake was committed by the previous Govt. by signing the Bodoland Accord. While demarcating the area for the Bodoland a large area inhabited by non-Bodo people were included. Now, these people do not have equal right to hold land and properties. They have been deprived of the fundamental rights like honest living, education of the children etc. The Accord was signed without any farsightedness. The declaration of creation of Bodoland was done so hurriedly by the previous Govt. without taking into consideration the hopes and aspiration and protection of fundamental rights of the Non-Bodo people. Demarcation of the area for the Bodoland Autonomous Council was done most impreoperly. The matter has now gone to the House. And now, 3 to 4 petitions are pending before the High Court for decision.

I have only tride to point same of the serious problem faced by the Govt. I would like to appeal to the Hon. Members that let us all forget our political differences and try to find out solution as to how we can save Assam from the present situation. I think all the Hon. Members will stand firmly behind us to make Assam a peaceful State. Thank you, Sir.

Mr. Speaker : Now Hon'ble Member Shri Derhagra Muchahari.

শ্ৰীডেৰহাগ্ৰা মোছাহাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো ভৰ্ৎসনা প্ৰস্তাৱ আহিছে তাৰ বিৰোধিতা কৰি মই কেইটামান কথা ক'ব বিচাৰিছো। আচলতে ভৰ্ৎসনা প্ৰস্তাৱৰ কাৰণ হ'ল বৰ্তমান চৰকাৰে আইন-শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হৈছে। যাৰ কাৰণে ভৰ্ৎসনা প্ৰস্তাৱ অনা হৈছে। কিন্তু আমি সকলোৱে অনুভৱ কৰিব পাৰো যে এই পৰিস্থিতি বহুদিনৰ পৰা চলি থকা সমস্যাৰ কাৰণেই হৈছে। আৰু সমস্যাবিলাক বাঢ়ি গৈ জটিলতাৰ সৃষ্টি হৈছে। ভাৰত স্বাধীনতাৰ পিচত বিভিন্ন ক্ষেত্ৰত বিভিন্ন জনগোষ্ঠীৰ কাৰণে যিখিনি কৰিবলগীয়া কাম আছিল সেই বিলাকত অৱহেলা কৰাৰ কাৰণেই আজি এই অৱস্থাৰ সৃষ্টি হৈছে। ১৯৬৮ চনৰ পৰা পৃথক উদয়াচল ৰাজ্যৰ কাৰণে বড়ো সকলে দাবী কৰি আহিছে। আৰু ১৯৭০ চনৰ পৰা ৰোমান লিপি দাবী কৰি আহিছে। উদয়াচলৰ দাবী আৰু ৰোমান লিপিৰ দাবীৰ কাৰণে জোৰদাৰ আন্দোলন হৈছিল। সেই আন্দোলনৰ সময়ত আমাৰ বহু যুৱক-যুৱতীয়ে প্ৰাণ হেৰুৱাব লগীয়া হৈছিল। অৱশেষত ১৯৯৩

চনত ২০ ফেব্রুৱাৰী তাৰিখে আবচুৰ জোৰদাৰ আন্দোলনৰ পিচত চুক্তি স্বাক্ষৰিত হ'ল। এই চুক্তি স্বাক্ষৰিত হোৱাৰ ফলতেই আমি এতিয়া ভুগিবলগীয়া হৈছে। এই আন্দোলনৰ ফলত আমাৰ মানুহৰ ক্ষোভ থাকি গ'ল। যিদিনা পৃথক বড়োলেণ্ড এলেকাৰ বি এ চিৰ সমৰ্থকসকলৰ লগত চৰকাৰৰ চুক্তি স্বাক্ষৰিত হ'ল সেই চুক্তিত কি আছিল মই সেই সময়ৰ বিধায়ক আৰু বিধায়িনী দলৰ সম্পাদক হোৱা সত্বেও চুক্তি ক'ত কেনেকৈ স্বাক্ষৰিত হ'ল কব নোৱাৰিলো। ৰাতি ৮ বজাৰ পিচত কংগ্ৰেছ বিধায়ক এজনে বড়োলেণ্ড চুক্তি স্বাক্ষৰিত হল বুলি আমাক জনাইছিল। তাৰ পিছত যোৱা চৰকাৰৰ দিনত বিধানসভাৰ মজিয়াত যি বিল উত্থাপন কৰিছিল সেই বিলতো যথেষ্ট ভুল-ক্ৰটি থাকি গ'ল। চুক্তি স্বাক্ষৰিত হোৱাৰ পিচত বিলখন বি এল পি বিধায়িনী দলৰ মাজত আলোচনা কৰা হৈছিল। আৰু তাতো বহুতো ভুল পৰিলক্ষিত হৈছিল। সংশোধন কৰিবৰ কাৰণে বি এল টিৰ বিধায়কসকলৰ মাজত আলোচনা হৈছিল। কিন্তু অসমৰ মাজত বহু তৰ্ক-বিতৰ্ক হোৱাৰ পিচত যিহেতু অকলে মই সংশোধন বিচাৰিছিলো আৰু আঠজন মোৰ বিপৰীতে বিৰোধিতা কৰিছিল সেই সংশোধনী কৰিব পৰা নহ'ল। কংগ্ৰেছ চৰকাৰ পাৰ হৈ যোৱাৰ পিচত যোৱা বছৰ মৰ্চা চৰকাৰ হ'ল। পাঁচ দলীয় মৰ্চা চৰকাৰ অহাৰ লগে লগে বহু পুৰণি কংগ্ৰেছী অপশাসনৰ পৰা ৰক্ষা পাবলৈ মৰ্চা চৰকাৰক সমৰ্থন কৰিলো। বড়োলেণ্ড চুক্তি ভুল-ক্ৰটি থাকিলেও চুক্তিৰ মাজৰ পৰা সংশোধনী কৰি হ'লেও সীমা নিৰ্ধাৰণ কৰিব লাগে। কাৰণ বহু বছৰ ধৰি আন্দোলন কৰাৰ পৰিপ্ৰেক্ষিতত আমাৰ নিৰীহ জনসাধাৰণৰ মাজত ক্ষোভ থাকি গ'ল সেই ক্ষোভ দিনে দিনে বাঢ়ি গ'ল কিয়নো চুক্তি স্বাক্ষৰিত কৰাৰ পিছতো বড়োলেণ্ড শাসন সম্পৰ্কত একো নহ'ল আৰু ফলত মানুহৰ মনত ক্ষোভ বাঢ়ি গ'ল। মৰ্চা চৰকাৰৰ লগতো আমি বহুবাৰ আলোচনা কৰিছো। কিন্তু আলোচনা কৰাৰ পিচতো কোনো সুফল নাপালো। মুখ্যমন্ত্ৰী মহোদয়ে যথেষ্ট চেষ্টা চলাই আহিছে। বড়োলেণ্ডৰ সীমা নিৰ্ধাৰণ কৰাৰ কাম কৰিম দিম বুলি প্ৰতিশ্ৰুতি দি আহিছে। যোৱা ডিচেম্বৰ মাহতে ৰাজনৈতিক নেতা আৰু বিধায়কসকলে নেতৃবৃন্দৰ লগত আলোচনা কৰিছিল। মুখ্যমন্ত্ৰী মহোদয়ে যথেষ্ট চেষ্টা চলাইছে বুলি গম পাইছো। তেওঁৰ আমাৰ কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ আগত কৈছিল যে জানুৱাৰীৰ ভিতৰত আমি বড়োলেণ্ডৰ বাউণ্ডেৰী নিৰ্ধাৰণ কৰি দিম। কিন্তু কি হ'ল আজি অসমবাসী ৰাইজে চিন্তা কৰিব লাগিব। এই সকলে আজি বিভিন্ন জনগোষ্ঠীৰ লগতে থাকি যিটো আন্দোলন কৰি আহিছে তাৰ কিন্তু সুফল আজিও পোৱা নাই। চুক্তিৰ ক্ষেত্ৰত মাননীয় সদস্য দাস ডাঙৰীয়াই কৈছে যে ট্ৰাইবেল বেল্টৰ নাম-গোন্ধই নাই। আজি হাজাৰ হাজাৰ বড়ো লোকে অৰুণাচলৰ সীমাত আশ্ৰয় ল'ব লগা হৈছে। জনজাতি অঞ্চলৰ হাবি-বননি খাচ মাটি হ'লেও ফৰেষ্টৰ মাটি বুলি মেপ কৰিলে আৰু তাৰ পৰা জনজাতীয় লোকক উচ্ছেদ কৰা হৈছে। বৰপেটা চাপাগুৰিত ট্ৰাইবেলৰ পৰা উচ্ছেদ কৰা হৈছে। এই বড়োসকল অৰুণাচল আৰু নগালেণ্ডৰ বৰ্ডাৰৰ ভিতৰলৈ সোমাই গৈছে। যোৱাবাৰ বিধানসভাত মই কৈছিলো আৰু ৰাজহমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে যিসকল এনেভাৱে ছেদেলী-ভেদেলী হৈ পৰিছে অন্য ৰাজ্যত

আশ্ৰয় লৈছে সেই সকলক পুনৰসংস্থাপন কৰিব লাগে। বালিপাৰা ট্ৰাইবেল ব্লকত এতিয়ালৈকে সীমা নিৰ্ধাৰণ কৰা নহ'ল। বালিপাৰা ট্ৰাইবেল ব্লকত কিমান মাটি খাচ আৰু আৰু কিমান মাটি আচলতে ট্ৰাইবেল ব্লকৰ ভিতৰত পৰে এই বিষয়ে তদন্ত নহ'ল। এই বিলাক ক্ষোভ জমা হৈ আছে। কিমান বাৰ আলোচনা হ'ল, কিমানবাৰ বড়ো সকলৰ হাৰাশাস্তি কৰা হ'ল এই সকলোবোৰ কাৰণতেই জনজাতীয় অস্তিত্ব ৰক্ষাৰ কাৰণে বি এ চি বিচাৰিছিল। মই অতি দুখেৰে কৈছো আজিলৈকে বি এ চি সম্পৰ্কত যি সমস্যাৰ সৃষ্টি হৈছে, সেইটো চৰকাৰে গভীৰভাৱে চিন্তা কৰা প্ৰয়োজন । এতিয়া বড়ো অধ্যুষিত অঞ্চলত অনাবড়ো এম টি ফৰ্চ, বি টি এফ, এন ডি এফ বি, অলফা আৰু নেপালী ফ'ৰ্চে কাম কৰি আছে। বড়ো সকলে এই সকলক সহায় কৰিম বুলি কৈছে. এই সহায় নিশ্চয় টকা-পইচাৰ বিনিময়ত কৰিব। লগতে আৰম্ভ হ'ব লুণ্ঠন। টকা পইচাৰ লুণ্ঠন ইতিমধ্যে আৰম্ভ হৈছেই। এই লুণ্ঠন বড়োলেণ্ডৰ ভিতৰৰ পৰাই কৰিব আৰু গোটেই অসম ছানি ধৰিব। মই এইটো গুৰুত্বসহকাৰে কৈছো। সেই কাৰণে বিভিন্ন ৰাজনৈতিক নেতৃবৃন্দই চৰকাৰৰ লগত সহযোগ কৰি এই সমস্যা সমাধানৰ কাৰণে আগবাঢ়ি আহিব লাগে। নহ'লে উগ্ৰপন্থীৰ শক্তি অসম চৰকাৰৰ দলৰেই নহওঁক কিয় এইটোক দমন কৰিব নোৱাৰে। এই সমস্যাটো এটা ইণ্টাৰনেশ্বন্যেল ইচ্যু হ'ব। ভূটানত আজি আশ্ৰয় লৈছে। কেনেকৈ ভুটানত আশ্ৰয় ল'ব পাৰিলে। নিশ্চয় সহযোগিতা পাইছো। মই সেই কাৰণে অনুৰোধ কৰিব বিচাৰিছো, এই সমস্যা অতি সোনকালে সমাধান কৰিব লাগে। আজি বি এ ইচৰ ভিতৰৰ পৰা বি এ চিৰ বাহিৰলৈ অসমতে কাম চলাব । এই বিষয়টো অতি গুৰুত্বপূৰ্ণ। বিভিন্ন জনগোষ্ঠীৰ সমস্যাবিলাক সময়মতে সমাধান কৰা নাই সেই কাৰণে আজি লাহে লাহে সমস্যাবিলাক বাঢ়ি গৈছে । মই কোনো পাৰ্টিকে সমালোচনা নকৰো কাৰণ চৰকাৰটো এটা কনটিনিউয়াচ প্ৰচেচ। আজি চৰকাৰখন পাঁচ দলীয়া মৰ্চাৰ চৰকাৰ। সেইসকলো দলৰ লগতে বিৰোধী দলৰ সকলোৱে এই চৰকাৰৰ লগত সহযোগিতা কৰিব লাগিব। আগতেও কংগ্ৰেছ চৰকাৰৰ লগত বিৰোধী দলৰ সকলোৱে সহায় সহযোগ আগবঢ়াইছিল। এইটোৱেই নিয়ম। এই পৰিস্থিতিৰ আৰম্ভনীতে যদি দমন কৰিব নোৱাৰে তেনেহ'লে সি যিয়েই নহওঁক বুদ্ধিজীৱিয়েই হওঁক বা চৰকাৰেই হওঁক বড়ো সকলক ক্ৰিমিনেল বুলি ক'ব নোৱাৰি । (সময়ৰ সংকেত)

